## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Srei Chandradhar Barua | |
| Title: অসম-সাহিত্য-সভা-পত্ৰিকা | |
| Transliterated Title: Āsaāma Saāhaitaya Sabhaā Palākaikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat - Assam |
| Year: 1927-28 (1848-49 Sak) | Edition: |
| Size: 23 cms - 3+252 pages | Genre: Magazine |
| Volumes: 1 (4 issues) | Condition of the original: good |
| Remarks: The magazine was first published in the year 1927 and it has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

প্ৰথম বছৰ

অসম সাহিত্য সভা
ASAM SAHITYA SABHA

অসম সাহিত্য সভা
ASAM SAHITYA SABHA

ASAM SAHITYA SABHA

আসাম

# সাহিত্য সভা পত্ৰিকা

প্ৰথম বছৰ

আহিন ১৮৪৮—ভাদ ১৮৪৯

সম্পাদক

**শ্ৰীচন্দ্ৰধৰ বৰুৱা।**

ASAM SAHITYA SABHA

প্ৰকাশক

আসাম সাহিত্য সভা

চন্দ্ৰকান্ত সন্দিকৈ হল, যোৰহাট।

যোৰহাটৰ দৰ্পণ প্ৰেচত

শ্ৰীটুনিৰাম শৰ্ম্মা বৰুৱাৰ দ্বাৰা ছপা কৰা হ'ল।

# আসাম সাহিত্য সভা পত্রিকা।

নং:
তাং

## প্ৰথম বছৰৰ নিৰ্ঘণ্ট।


| বিষয় | লিখক | পৃষ্ঠা। |
|---|---|---|
| ১। অনিত্যতা ( কবিতা ) | শ্ৰীমান অৰবিন্দধৰ বৰুৱা | ১৯৭ |
| ২। অভ্যৰ্থনা সভাৰ সভাপতিৰ অভিভাষণ | শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা বাৰ্ এট্ ল | ৩ |
| ৩। অষ্টম সাহিত্য সম্মিলনৰ কাৰ্য্য বিবৰণী | শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী বি, এ, বি, টি<br>অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক | ২০ |
| ৪। অষ্টম সাহিত্য সম্মিলনত প্ৰতিশ্ৰুত মেডেল আদি | " | ২৩ |
| ৫। অষ্টম সাহিত্য সম্মিলনৰ প্ৰস্তাৱ সমূহ | " | ২৪ |
| ৬। "অসম" আৰু অসমীয়াৰ" উচ্চাৰণ | সম্পাদক | ২৩৮ |
| ৭। "অসম" নে "আসাম" | " | ২৩৮ |
| ৮। অসম সাহিত্য সভাৰ কাৰ্য্য বিবৰণী | শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী বি, এ, বি, টি | ১০ |
| ৯। অসম সাহিত্য সভাৰ লাইব্ৰেৰীৰ অসমীয়া কিতাপৰ তালিকা | শ্ৰীযুত ৰোমেশ্বৰ শৰ্ম্মা বি, এ, | ২৪৪ |
| ১০। অসম সাহিত্য সভাৰ সংবাদ | শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী বি, এ, বি, টি. | ৫৫ |
| ১১। অসম সাহিত্য সভাৰ নৱম বছৰৰ কাৰ্য্য বিবৰণী | " | ১১৫ |
| ১২। অসম সাহিত্য সভাৰ দৰ্শন শাখা সভাৰ সভাপতিৰ অভিভাষণ | শ্ৰীযুত ষড়ানন তৰ্কতীৰ্থ | ১৫২ |
| ১৩। আকৌ গুৱালপাৰ বিচ্ছেদৰ আন্দোলন | সম্পাদক | ২৪০ |
| ১৪। আমাৰ খেতি আৰু খেতিয়ক | Dr. S. K. Mitra.<br>Assam Agricultural Department. | ৩৯ |
| ১৫। ওঠৰশ খৃষ্টাব্দৰ শেষ ভাগত অসম দেশৰ অৱস্থা | শ্ৰীনীলনাথ শৰ্ম্মা | ২১৫ |
| ১৬। কলিতা কুঁৱৰৰ বিদ্ৰোহ | শ্ৰীযুত হিতেশ্বৰ বৰ বৰুৱা | ২৬ |
| ১৭। গীত ... ... | ... ... | ১৫১ |
| ১৮। গুৱালপাৰ আমাৰ ( পদ্য ) | শ্ৰীযুত দেবেন্দ্ৰনাথ চক্ৰবৰ্ত্তী | ১১১ |
| ১৯। গুৱালপাৰ জিল্লাৰ পুৰণি তথ্য | শ্ৰীযুত সুৰেন্দ্ৰমোহন দাস এম, এ | ২২৮ |
| ২০। গুৱালপাৰত অসম সাহিত্য সম্মিলন | সম্পাদক | ২৪১ |

| বিষয় | লিখক | পৃষ্ঠা। |
|---|---|---|
| ২১। "গোৱালপাড়া ডিষ্ট্ৰিক্ট এছোচিয়েছন"ৰ হাকামা অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণৰ বিষয়ে একেষাৰ | শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা বি. এ | ৭৭ |
| ২২। ঘাটৈৰ প্ৰতি বামুণ | শ্ৰীযুত ৰুদ্ৰকান্ত গোস্বামী | ১২৭ |
| ২৩। চক্ৰেটিচৰ মতে কবিৰ প্ৰকৃতি | শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ এম্. এ. | ২২০ |
| ২৪। নৱম সন্মিলনত গৃহীত হোৱা প্ৰস্তাৱ সমূহ | শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী বি, এ, বি টি, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক। | ১১৩ |
| ২৫। নৱম সাহিত্য সন্মিলন | সম্পাদক | ১২৪ |
| ৬২। নিবেদন | মৌঃ পজিৰুদ্দিন আহমদ | ৬২ |
| ২৭। পত্ৰিকাক মাহেকীয়া কৰাৰ সম্পৰ্কে একেষাৰ | সম্পাদক | ২৪১ |
| ২৮। পথিক (কবিতা) | শ্ৰীমান অৰবিন্দৰ বৰুৱা | ২৯ |
| ২৯। পদ্য বুৰঞ্জি এখনৰ ছুটিমান কথা | শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা | ৫৪ |
| ৩০। পাগলীৰ কথা | মৌঃ জেহিৰুদ্দিন আহমদ বি. এ. বি. টি | ৫১ |
| ৩১। পূব আৰু পশ্চিমৰ সংঘৰ্ষণ | সম্পাদক | ৫৭ |
| ৩২। প্ৰাচীন পুথি অনুসন্ধান | শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা | ৭২ |
| ৩৩। প্ৰাচীন পুথি অনুসন্ধান, মাজুলী অঞ্চল | ,, | ২০১ |
| ৩৪। বাৰভূঞা | শ্ৰীযুক্ত হৰিনাৰায়ণ দত্ত বৰুৱা | ১৩৬ |
| ৩৫। বিজ্ঞী সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ | শ্ৰীযুত ভুবনচন্দ্ৰ দত্ত | ২২৩ |
| ৩৬। বিদেশত অসমীয়া আৰু আসামত বিদেশী | শ্ৰীযুত উমাকান্ত গোস্বামী এম্ এ, বি, এল, | ১৮৭ |
| ৩৭। বেদান্ত দৰ্শনত ঈশ্বৰ আৰু মানুহৰ সম্বন্ধ | শ্ৰীযুত প্ৰেমধৰ গোঁহাই এম্ এ | ২৩৫ |
| ৩৮। বুৰঞ্জী বিভাগৰ দ্বিতীয় অধিবেশনৰ সভাপতিৰ অভিভাষণ | শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা এম, এ, বি, এল, | ৮২ |
| ৩৯। বৈষ্ণৱ ধৰ্ম্মৰ আদি কথা | শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী বি, এ, বি, টি, | ১৬৯ |
| ৪০। মোৰ একেষাৰ সৰল কথা | শ্ৰীযুত গোপালচন্দ্ৰ গোস্বামী বি, এ, | ১৯৮ |
| ৪১। ৰহস্যৰ কথা ... ... | সম্পাদক | ৪৫ |
| ৪২। ৰূপৰ পোহাৰী (কবিতা) | শ্ৰীযুত ৰুদ্ৰকান্ত গোস্বামী | ৫০ |
| ৪৩। ৰেক্‌যুক্ত বৰ্ণৰ ৰূপ | সম্পাদক | ২৩২ |
| ৪৪। লাগতিয়াল কথা | ,, | ৪০ |
| ৪৫। শোকৰ বাতৰি | ,, | |
| ৺শ্ৰীশ্ৰীযুক্ত লীলাকান্ত দেৱ গোস্বামী | | [illegible] |
| ডাঙৰীয়া গঙ্গাগোবিন্দ ফুকন | | [illegible] |
| মৌলবী ফিদ্দোষ্ট আলি হাজৰিকা | | [illegible] |
| ৰায় দেবীচৰণ বৰুৱা বাহাদুৰ | | [illegible] |
| ৺শ্ৰীল শ্ৰীযুক্ত নৰদেব অধিকাৰ গোস্বামী | | [illegible] |





| বিষয় | লিখক | পৃষ্ঠা। |
|---|---|---|
| ৪৫। শোকৰ বাতৰি | সম্পাদক | |
| ৰায় বাহাদুৰ ৺কৃষ্ণচন্দ্ৰ চৌধুৰী | | ১৮৬ |
| ৺লোকেশ্বৰ বুঢ়া গোহাই ডাঙৰীয়া | | ২৪৩ |
| ৺বলীনাৰায়ণ বৰা | | ২৪৩ |
| ৪৬। শ্ৰীল শ্ৰীশ্ৰীযুক্ত ৺নৰদেৱ গোস্বামী | শ্ৰীযুত যজ্ঞেশ্বৰ কাকতী | ২১১ |
| ৪৭। শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ বাল্যখেলা | শ্ৰীযুত যামিনীচন্দ্ৰ দাস | ৩০ |
| ৪৮। সংস্কৃত সঞ্জিৱনী সভাৰ দ্বাদশ বাৰ্ষিক অধিবেশনৰ সভাপতিৰ অভিভাষণ | সম্পাদক | ১২৭ |
| ৪৯। সমাজ ধৰ্ম্ম আৰু সামাজিক প্ৰথা | শ্ৰীযুত চিন্তাহৰণ পাটগিৰি | ৪৩ |
| ৫০। সমালোচনা ... | সম্পাদক | |
| ডেকা বৰুৱাৰ বুলনী | | ১২৫ |
| কৌতুক | | ১২৫ |
| সৰল চিকিৎসা | | ১২৫ |
| বদন বৰফুকন | | ২৪২ |
| ৫১। সম্পাদকৰ টোকা ... ... | সম্পাদক | |
| পোৱা পুথিৰ চমু আলোচনা | | ১৮৩ |
| শ্ৰীমান কৃষ্ণকান্ত সন্দিকৈ | | ১৮৩ |
| কামৰূপ সংস্কৃত সঞ্জীৱনী সভা | | ১৮৩ |
| ইং ১৯২৭-২৮ চনৰ কাৰণে অসম সাহিত্য সভাৰ বাজেট্ | | ১৮৪ |
| শ্ৰীযুক্ত কৃষ্ণকান্ত সন্দিকৈ দেৱৰ আদৰণী সভা | | ১৮৫ |
| শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী দেৱৰ অৱসৰ গ্ৰহণ | | ১৮৫ |
| ৫২। সম্পাদকৰ নিবেদন | সম্পাদক | ১ |
| ৫৩। সাহিত্য সভাৰ সম্পাদক | সম্পাদক | ১২৬ |
| ৫৪। স্বৰলিপি (দিয়া দেৱী পোহৰ সুন্দৰ) | সম্পাদক আৰু শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈ | ৩৬ |
| ৫৫। হোঁকা (কবিতা) | শ্ৰীযুক্ত ধৰ্ম্মকিঙ্কৰ গোস্বামী | ৪২ |

# অসম সাহিত্য—সভা—পত্ৰিকা।

আহিন—আঘোণ, ১৮৪৮—৪৯

প্ৰথম বছৰ ] মুঠ সংখ্যা—১ [ প্ৰথম সংখ্যা

## সম্পাদকৰ নিবেদন ।

মঙ্গলময় পৰমেশ্বৰৰ শ্ৰীপাদপদ্মত আমি শত সহস্ৰ কোটি সেৱা কৰিছোঁ। তেওঁৰ কৃপাত আমাৰ শুভ বাঞ্ছা পূৰ্ণ হওক ।

অসম সাহিত্য সভাই, আজি ভালে দিনৰেপৰা, সভাৰ মুখপত্ৰ স্বৰূপে এখন আলোচনী উলিয়াবলৈ কল্পনা কৰি আহিছিল । ইংৰাজী ১৯২৫ চনৰ ডিচেম্বৰ মাহত, নগাঁৱত বহা সন্মিলনত, এই বিষয়ে তলত লিখা সিদ্ধান্ত কৰা হয়—

> "এই সন্মিলনে সিদ্ধান্ত কৰে যে ইংৰাজী ১৯২৬ চনৰ ভিতৰত, সাহিত্য সভাৰ মুখপত্ৰ এখন তিনিমহীয়া কাকত প্ৰকাশ হ'ব লাগে । এই অৰ্থে যাৱতীয় কাম কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সভাক ভাৰ দিয়া হয় ।"

এই সিদ্ধান্তৰে ফল স্বৰূপে "অসম সাহিত্য-সভা-পত্ৰিকা"ই আজি ভগৱন্তৰ কৰুণা আৰু ৰাইজৰ আশীৰ্ব্বাদ ভিক্ষা কৰি জন্ম গ্ৰহণ কৰিছে ।

এই পত্ৰিকাৰ সাহিত্য সেৱাই একমাত্ৰ উদ্দেশ্য, আৰু সমস্ত অসম দেশৰ আধুনিক সাহিত্যৰ সৰ্ব্ববাদিসন্মত আদৰ্শ অনুসৰণ কৰাই প্ৰধান লক্ষ্য। দৰ্শন, বিজ্ঞান, ইতিহাস অৰ্থনীতি, সঙ্গীত প্ৰভৃতি সাহিত্যৰ সকলো শাখাৰে নিৰৱ ভাৱে চৰ্চ্চা কৰিবলৈ ই সদায় যত্ন কৰিব ।

এই পত্ৰিকা অসমীয়া সহিত্যত ৰতি থকা, অসমীয়া সাহিত্যৰ মঙ্গল কামনা কৰা, সকলো মানুহৰে উমৈহতীয়া সম্পত্তি । ইয়াক মৰমৰ চকুৰে চাবলৈ, ইয়াক সজ বাট লগাই দিবলৈ, ইয়াক ইয়াৰ মহৎ উদ্দেশ্যৰ জোখাৰে গঢ় লগাই লবলৈ তেখেতসকলৰ ওচৰত আমি অতি সৰল ভাৱেৰে মিনতি কৰিছোঁ; আৰু আমাৰ এই চেষ্টাত তেখেতসকলৰ সম্পূৰ্ণ সহানুভূতি ভিক্ষা কৰিছোঁ ।

ইয়াক সম্পাদন কৰাৰ ভাৰ আমাতকৈ বহু গুণে উপযুক্ত মানুহৰ হাতত পৰা হ'লে, আমি নৈপে সন্তোষ

পালোঁহেতেন। এই কামৰ গধুৰ দায়িত্বৰ আমি কোনো মতেই উপযুক্ত পাত্ৰ নহওঁ। তদুপৰি, আমাৰ আন প্ৰকাৰৰো অশেষ আসোঁৱাহ আছে; আন কি আমাৰ উদ্দেশ্যৰ উপযোগীকৈ আমি যে এই পত্ৰিকাক সাজ পাৰকে পিন্ধাব পৰা নাই, তাকো আমি বুজিব পাৰিছোঁ। কিন্তু এই সকলোবিলাকৰে প্ৰতিকাৰ আছে। পত্ৰিকাই সঁজাল ধৰাৰ লগে লগে, এই সকলোবিলাক আসোঁৱাহ লাহে লাহে আঁতৰি যাব বুলি আমাৰ বিশ্বাস। সম্প্ৰতি এই পত্ৰিকা উলিয়াই সাহিত্য সভাই যে এটি ডাঙৰ আৰু লাগতিয়াল অনুষ্ঠানৰ সূত্ৰপাত কৰিছে তাক কোনেও নুই কৰিব নোৱাৰে। প্ৰকৃততে সাহিত্য সভাই আজিলৈকে যতখিনি কাম কৰিছে, আৰু আগলৈকো কৰিব, তাৰ ভিতৰৰ কোনো কামতকৈ ই কম লাগতিয়াল নহয়। ইয়াক সুচাৰুৰূপে কৰিব পাৰিলে, অকল ইয়াৰেপৰা সাহিত্য সভাৰ উদ্দেশ্য ভালেখিনি আগ বাঢ়িব। যিসকলৰ উদ্যমত সাহিত্য সভাই এই সংকাৰ্য্য আৰম্ভ কৰিব পাৰিছে, তেখেতসকলক আমি এই সুযোগতে নথৈ ধন্যবাদ জনাইছোঁ।

কিন্তু এই পত্ৰিকা ওলালতে যে আমাৰ কৰ্ত্তব্যৰ শেষ হ'ল এনে কথা যেন কোনেও নেভাবে। ইয়াক স্থায়ী ৰূপে ৰাখি, ইয়াৰ দোপত দোপে উন্নতি কৰি, ইয়াৰপৰা অসমীয়া সাহিত্যৰ সম্পদ বৃদ্ধি কৰিব পাৰিলেহে ইয়াক উলিওৱাৰ সাৰ্থকতা হ'ব। মুঠতে, এই পত্ৰিকা উলিয়াই অকল মাথোন গুটি পচোৱা হৈছে; এই গুটিৰপৰা গছ গজাই, ডাঙৰ কৰি, গুটি লগাই তাক ভোগ কৰিবলৈ, বহুত সময়, যত্ন, ধন, আশা-শুদীয়া চিত্ত আৰু নেৰা-নেপেৰা পৰিশ্ৰম। প্ৰয়োজন হ'ব; আৰু তাৰ বাবে আমি অকল সাহিত্য সভাই নহয়, সদৌ অসমীয়া জাতিৰ, আৰু তাৰ বাজেও, অসম আৰু অসমীয়াৰ হিত বাঞ্ছা কৰা সকলো সদাশয় মানুহৰ সাহায্য আকাঙ্ক্ষা কৰিছোঁ। ধন দান কৰি, গ্ৰাহক হৈ, প্ৰবন্ধাদি পঠাই, বুদ্ধি ভাগ দি বা আন কোনো প্ৰকাৰে যেয়ে যেনেকৈ পাৰে, আমাক যেন সকলোৱে এই কাৰ্য্যত সহায় কৰিব, এয়ে আমাৰ প্ৰাৰ্থনা।

এই কাগজত সৰ্ব্বসাধাৰণতঃ ৭ ফৰ্ম্মা, অৰ্থাৎ ৫৬ পৃষ্ঠা থাকিব। প্ৰয়োজন বুজি, মাজে সময়ে, দুপাত এপাত সৰহ তাকৰো হ'ব পাৰে। অৱস্থা টনকিয়াল দেখিলে, ইয়াৰ কলেৱৰো বৃদ্ধি কৰিবৰ যত্ন কৰা হ'ব। ইয়াৰ কি নাম দিয়া হ'ব সেই বিষয়ে বাতৰি কাকতৰ যোগে সৰ্ব্বসাধাৰণৰ মত আহ্বান কৰা হৈছিল। অনেকে অনেক নাম প্ৰস্তাৱ কৰি পঠাইছিল। সাহিত্য সভাৰ কাৰ্য্যনিৰ্ব্বাহক সভাসকলে, সেই সকলোবিলাক প্ৰস্তাৱ বিবেচনা কৰি চাই, "অসম সাহিত্য-সভা-পত্ৰিকা" এই নামকে দিয়া স্থিৰ কৰিলে। ই প্ৰতি তিনি মাহে একো সংখ্যাকৈ ওলাব, আৰু ইয়াৰ মূল্য তিনি টকা নিৰূপন কৰা হৈছে। সাহিত্য সভাত যিসকল সভাই বছৰি ৪৲ টকা বা তাৰ ওপৰে বৰঙনি দিয়ে তেখেতসকলক এই কাগজ বিনা মূল্যে দিয়া হ'ব। এই কাগজৰপৰা কিবা লাভ কৰাটো সাহিত্য সভাৰ অভিপ্ৰায় নহয়। তথাপি কিন্তু, সম্প্ৰতি চালুকীয়া সাহিত্য সভাৰ পুঁজিত হাত নিদিয়াকৈ ইয়াৰ খৰচখিনি ইয়াৰেপৰা ওলাব লাগিব। ইয়াত বছেৰেকত প্ৰায় ১০০০৲ টকা খৰচ পৰিব বুলি অনুমান কৰা হৈছে। এই ১০০০৲ টকা উঠিবলৈ ৩৩৩ জন গ্ৰাহক লাগে। এতেকে, সাহিত্য সভাত বছৰি অন্ততঃ ৪৲ টকা বৰঙনি দিওঁতা ৩৩৩ জন সভ্য হ'লেই এই কাগজ আপোনা আপুনি চলি থাকিব। বছৰি ৪৲ টকা ৰূপ দি সভ্য হ'লেই, সাহিত্য সভা আৰু এই কাগজ উভয়কে একে লগে সহায় কৰা হ'ব। নিজৰ ভাষা আৰু সাহিত্যৰ উন্নতিৰ অৰ্থে ইমান কেৰা স্বাৰ্থ ত্যাগ কৰিবলৈ আগ বঢ়া ৩৩৩ জন মানুহ এই গোটেই অসম দেশখনত নোলাবনে? যদি সঁচাকৈয়ে নোলায়, তেন্তে জানিব লাগিব যে এই প্ৰাচীন অসমীয়া ভাষাটোৰ সকলো লীলা খেলা শেষ হ'ল, এই অসমীয়া জাতিটো জগতত এটা জাতি বুলি থাকিবৰ যোগ্য নহয়, অসমীয়াৰ ভবিষ্যত দুৰ্ঘোৰ খান্ধাৰেৰে ঢাক খোৱা অসম দেশৰ অতি সঙ্কটাপন্ন অৱস্থা।

সৌভাগ্যক্ৰমে, আমাৰ অৱস্থা এনে সঙ্কটাপন্ন বুলি ভয় খাবৰ কোনো কাৰণ নাই। লোক সংখ্যাৰ হিচাবে, আমাৰ শিক্ষিত মানুহৰ সংখ্যা ভাৰতবৰ্ষৰ আন বহুত



প্ৰদেশতকৈ সৰহ। আমাৰ সৰ্ব্বসাধাৰণ মানুহৰ আৰ্থিক অৱস্থা অতি ভাল নহয়, ই সঁচা; কিন্তু আমাৰ দেশত আকালো নাই ভঁৰালো নাই—এই কথাও কোনেও নুই কৰিব নোৱাৰে। আজি অলপ দিনৰ ভিতৰতে, আমাৰ সাহিত্য সভাৰ অৱস্থা দিনক দিনে নদন-বদন হৈ অহা দেখি, আমাৰ হিয়াত বল আৰু মনত অপাৰ আশাৰ সঞ্চাৰ হৈছে। আমাৰ মানুহৰ সংখ্যা সৰহ নহলেও, জাতীয় উন্নতিৰ চেষ্টাত আমাক লগাখিনি মানুহৰ নাটনি ন'হব বুলি আমাৰ দৃঢ় বিশ্বাস। কেৱল মাথোন সকলোকে কেন্দ্ৰীভূত কৰি গোটাই লৈ, এটা মিলিত শক্তি গঠন কৰিবৰ প্ৰয়োজন। পৃথিবীৰ অন্যান্য অংশত, সৰু সৰু একোটা জাতিয়ে আমাতকৈ কম মানুহেৰেও ডাঙৰ ডাঙৰ কাম কৰি, জাতীয় সন্মান আৰ্জ্জি, প্ৰসিদ্ধ হৈ থকাৰ উদাহৰণৰ নাটনি দেখা নাযায়। বিশ্ব বিদ্যালয়ৰ উচ্চ উপাধিধাৰীৰপৰা গাঁৱলীয়া পঢ়াশালিতে পঢ়া শেষ কৰালৈকে সকলো খাপৰ সকলো শিক্ষিত অসমীয়াই, বছৰি ৪, টকাকৈ বৰঙনি দি সাহিত্য সভাৰ সভ্য শ্ৰেণীভুক্ত হ'লে, এনে এখন কাগজ অতি সৰ্ব্বাঙ্গ সুন্দৰৰূপে চলাৰ বাহিৰেও সাহিত্য ক্ষেত্ৰত আমাৰ, বহুত ডাঙৰ ডাঙৰ কাম সুকলমে সম্পন্ন হ'ব। তেখেতসকলে কত ফালে এনে কত ৪৲ টকা প্ৰতি বছৰে ভাঙিব লাগিছে! এতেকে, এই সামান্য ধন ভৰি, সাহিত্য সভাৰ সভ্য হৈ, এই দেশহিতকৰ জাতীয় কাৰ্য্যত সাহায্য কৰিবলৈ, তেখেতসকলৰ প্ৰতি জনকে সবিনয়ে খাটনি ধৰিলোঁ।

এই পত্ৰিকাৰ বৰঙনি আগ ধৰি দিব লাগে। ইয়াৰ প্ৰথম সংখ্যাটো সাহিত্য সভাৰ সকলো সভ্যলৈ আৰু আমাৰ মনত পৰিছে মানে, আন সকলোলৈকে পঠোৱা হৈছে। কাৰোবালৈ পঠাবলৈ যদি ভুলত থাকি গৈছে, সেই ত্ৰুটিৰ বাবে মাৰ্জ্জনা ভিক্ষা কৰিছোঁ। দ্বিতীয় সংখ্যা হ'লে, বৰঙনি নপঠালে কালৈকো পঠোৱা নহয়। এতেকে, সাহিত্য সভাত ৪ টকাতকৈ কম বৰঙনি দিয়া সভ্যসকলক ৪, টকা পূৰাই দিবলৈ, আৰু ইয়াৰ গ্ৰাহক হ'ব খোজা আনবিলাকক, ইয়াৰ বাবে ৩, টকা বৰঙনি পঠাই দি গ্ৰাহক হ'বলৈ অনুৰোধ কৰা হ'ল।

আমি নিচেই কেঁচুৱা। আৰু বহুদিনলৈকে আমি চালুকীয়া অৱস্থাতে থাকিব লাগিব। এতেকে, আমাৰ ভুল ভ্ৰান্তিৰ বাবে আমাক ঘিণ কৰি দলিয়াই নেপেলাই বা খং কৰি আমালৈ বিমুখ ন'হৈ, আমাৰ গ্ৰাহক পাঠক আৰু মঙ্গলাকাঙ্ক্ষীসকলে আপোন ভাৱেৰে আমাক আমাৰ দোষখিনিলৈ চকু খেলাই দিলে তাক শুধৰাবলৈ আমি বৰ মনেৰে যত্ন কৰিম।

আমি সকলোৰেপৰা মৰম চেনেহ, সকলোৰেপৰা সহানুভূতি, সকলোৰেপৰা উৎসাহ, সকলোৰেপৰা সৰ্ব্ব প্ৰকাৰ সাহায্য আৰু সকলোৰেপৰা আশীৰ্ব্বাদ আশা কৰি আমাৰ কৰ্ত্তব্যলৈ আগ বঢ়িলোঁ।

---

# অভ্যৰ্থনা সভাৰ সভাপতিৰ অভিভাষণ।

[ অসম সাহিত্য সভাৰ নগাঁৱত বহা অষ্টম সন্মিলনত পঠিত ]

মোৰ আদৰৰ সাহিত্যিক বাইজসকল, আই আৰু আইদেউসকল আৰু আন আন বন্ধুসকল—

করুণাময় পৰমেশ্বৰৰ নাম লৈ আজিৰ কাম আৰম্ভ কৰোঁ। দয়াময়ৰ দয়া নহলে কোনো অনুষ্ঠানকে সুসম্পন্ন কৰিব নোৱাৰি। সিদ্ধিদাতা ভগৱানৰ নাম লৈ আজিৰ কাম আৰম্ভ কৰোঁ।

যিজন দেৱতা অগ্নিত, যিজন পানীত, যিজন দেৱতা বিশ্বব্ৰহ্মাণ্ডত ব্যাপ্ত হৈ আছে, যিজন ওষধিত, যিজন বনস্পতিত বিৰাজ কৰিছে, সেই জন দেৱতাক বাৰে বাৰে নমস্কাৰ কৰি আজিৰ কাম আৰম্ভ কৰোঁ। পৰমেশ্বৰে এই সভাৰ সৰ্ব্বতোভাৱে মঙ্গল কৰোক।

মোৰ আদৰৰ সাহিত্যিকসকলক আদৰিবৰ ভাৰ

মোৰ গাত পৰিছে। এই ভাৰৰ গুৰুত্বৰ কথা এতিয়া নকৈ, গুৰুত্ব যে আছে সেই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে. কও যে মোৰ পৰম সৌভাগ্য আজি মই আসামৰ ইমান আৰু এনে সুধীসকলক একেলগে দেখা পাইছোঁ। নগাঁও জিলাৰ পৰম সৌভাগ্য যে, ক্ষন্তেকৰ নিমিত্তে হলেও, অতিথিৰূপে আপোনাসকলৰ দৰে সাধু-সজ্জনক পাইছে। কিন্তু মোৰ দৰে নিজ্জন-প্ৰিয় মানুহক আপোনাসকলক সাদৰিবৰ বাব নিদি, আন এজন উপযুক্ত মানুহক দিয়া হলে, এই সুন্দৰ আৰু প্ৰীতিকৰ কাম কেৰি বোদ কৰোঁ. আৰু সুকলমে সমাধা হলহেতেন। কিন্তু বাইজৰ আদেশ শিৰোধাৰ্য্য কৰি আপোনাসকলৰ আগত থিয় হৈছোঁহি। দোষ ক্ষেমে যেন।

নগাঁৱৰ বিষয়ে Gazetteerত সিদিনা অলপতে পঢ়োঁতে সেই কিতাপ খনিত কামৰূপৰ বুৰঞ্জী বাদে, এই জিলাত কিমান মানুহ, কি কি আৰু কেনে খেতি হয়, কিমান মাটিৰ পৰিমান, এনেবোৰ বতৰাহে পালোঁ। কোনো ঐতিহাসিক তথ্য নেপালোঁ। একেৰি কথা চকুত পৰিল. সেই কেৰি কথা আগেয়ে পঢ়োঁতা এজনে বিশেষকৈ দাগ দি গেছে। সেই কথা কেৰিৰ মৰ্ম্ম এই যে, নগাঁও এখন বৰ পাচ পৰি থকা জিলা; মই এই কথা যদিও স্বীকাৰ নকৰোঁ। যি সময়ত এই কথা লিখা হৈছিল, তেতিয়া এই কথা সচাঁ হলেও, এতিয়া যে এই কথা সচাঁ নহয়, তাৰ চিন এই আসাম সাহিত্য সম্মিলনৰ অধিবেশন আৰু তাৰ লগে লগে সঙ্গীত আৰু ঐতিহাসিক সভাৰ অধিবেশন। যদিহে নগাঁও কেতিয়াবা পাচ পৰি আছিল. তাৰ এটি কাৰণ হৈছে ১৮৯১।৯২ খৃষ্টাব্দৰপৰা। হোৱা কলা জ্বৰ - যাক কাল-আজাৰ বোলে (আজাৰ মানে বোলে বিষ বেমাৰ); মই হ'লে ইয়াক কও বে যাক পালে কালে আঙ্গুলি মাৰে। এজন বন্ধুয়ে কোৱাৰ দৰে, যিহে পালে একেবাৰে আজাৰ কৰে। পিতৃ দেৱতাৰ মুখৰপৰা শুনিছোঁ আগেয়ে নগাঁও এনে সুন্দৰ স্বাস্থ্যকৰ ঠাই আছিল যে ইংৰাজ বিষয়াবিলাকে হাৱা বদলাবৰ নিমিত্তে ইয়ালৈ আহিছিল। নগাঁৱে কিন্তু তেতিয়া Backward বুলি অপবাদ পোৱা নাছিল। Backward হ'লেও, Old order changeth giving place to new, পুৰণিৰ ঠাই নতুনে অধিকাৰ কৰে; ই অনিবাৰ্য্য নিয়ম। আগৰ কথা যেই হওক, এতিয়া নগাঁৱে যে উন্নতিৰ বাটলৈ খোজ লৈছে ই ধ্ৰুৱ।

সেই বুলি যে আমি আপোনাসকলক আপোনাসকলৰ মৰ্য্যদা অনুসৰি সেৱা কৰিব পৰিছোঁ বা পাৰিম এই কথা মই কব নোৱাৰোঁ। কিন্তু, আমি দুখীয়াৰ দুখী অৱস্থাৰে যি আয়োজন কৰিছো সেই আয়োজন আৰু সেৱা আপোনাসকলে গ্ৰহণ কৰি আমাক কৃতাৰ্থ কৰোক; এই আমাৰ সৰল গোহাৰি। আমাৰ যত্নৰ ত্ৰুটি নহলেও এনে মহৎ অনুষ্ঠানত বহুতো ত্ৰুটি থাকিবৰ সম্ভৱ। সেই ত্ৰুটিসকল মাৰ্জ্জনা কৰিবলৈ আপোনাসকলক কৰ যুৰি ক্ষমা মাগিছোঁ। ক্ষমা কৰিব।

গ'ল বাৰ গুৱাহাটীত আসামৰ বাহিৰে অসমীয়াৰ নাম জিলিকিওৱা, আমাৰ গৌৰৱ, অসমীয়া সাহিত্যবীৰ শ্ৰীযুক্ত লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়াৰ সভাপতিত্বত সাহিত্য সম্মিলনীৰ অধিবেশন হৈছিল। সেই অধিবেশন আজি এবছৰ দূৰত। সাহিত্য সম্মিলনীয়ে এই এবছৰ কি কৰিলে আমি জানিবলৈ উৎসুক। বয়সৰ লগে লগে দেখা যায় যে সময়ৰ গতি খৰ হৈ যায়। গল বাৰৰ অধিবেশনৰ কথা মনত ভাবিলে সিদিনাহে যেন হে হৈছিল এই ভাব মনত আহে। গুৱাহাটীবাসীয়ে শ্ৰীযুত বেজবৰুৱা ডাঙ্গৰীয়াক পাই আনন্দত কেদিনমান কটোৱা এতিয়ালৈকে আমাৰ মনত আছে। সেই আনন্দৰ ভাগী আপোনাসকলৰ এই সেৱকো।

গুৱাহাটী আৰু নগাঁও বেলেগ। গুৱাহাটীৰ প্ৰাকৃতিক শোভা নগাঁৱৰ নাই। গুৱাহাটীৰ আমনি নলগা ব্ৰহ্মপুত্ৰ নদীৰ দৃশ্য ইয়াত নাই, চিৰসুন্দৰ উমানন্দ নাই, মনোহৰ নীলাচল নাই, গুৱাহাটীৰ সুশোভন শ্যামল পৰ্ব্বত ইয়াত নাই। কলঙ্গত ডুব দি উঠি চালে পঞ্চতীৰ্থ আমি নেদেখোঁ। কিন্তু এইবোৰ মনোভিৰাম আৰু নয়নাভিৰাম দৃশ্য নগাঁৱৰ নাথাকিলেও, এই নগাঁৱত এনে এটি বস্তু আছে যাৰ নিমিত্তে এই নগাঁও সকলো অসমীয়াৰে পবিত্ৰ পুণ্যভূমি, সকলো অসমীয়াৰে তীৰ্থক্ষেত্ৰ সকলো অসমীয়াৰে গৌৰৱৰ স্থল। কিয়নো, পূজনীয় মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে এই সুন্দৰ সুশোভন পৃথিৱীক আৰু সুন্দৰ আৰু সুশোভন কৰিবলৈ জগতত আসামক ওখ আসন দান কৰিবলৈ. আসামক নতুন ধৰ্ম্মজীৱন দিবলৈ, এই জিলাতে বৰদোৱাত জন্ম লয়হি। ধন্য নগাঁও জিলা! তোমাৰ আন কোনো গৌৰৱ নেথাকিলেও এই গৌৰৱৰ নিমিত্তেই ভাৰতৰ আন আন শীৰ্ষ স্থানৰ মাজত তুমি আসন পাইছা। আৰু এই জিলাতে আমি নগাঁৱাসকলে আজি আপোনাসকলক ইয়াত একেলগে পাই, আমাৰ হৃদয়ৰ প্ৰেমাঞ্জলি ঢালি দি সম্ভাষণ কৰিবলৈ সুযোগ পাই, নিজক ধন্য ধন্য বুলিছো।

শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙ্গৰীয়াৰ কথা যদিও বহুত দিনৰপৰা শুনি আহিছিলোঁ, গ'ল বছৰ গুৱাহাটীত হে তেখেতৰ দৰ্শন পাই চকুৰ সাৰ্থক কৰিলোঁ। তেখেতৰ সৰল হাঁহি. মিঠা মাত আৰু ভাষা. বীৰ শান্ত মূৰ্ত্তি চিৰকাললৈ মনত থাকিব। শ্ৰীযুত বৰদলৈ ডাঙ্গৰীয়াক সভাপতিৰূপে এইবাৰ ইয়াত পাই আমি বৰ্ণনাতীত আনন্দ লভিছো। তেখেতক নেদেখিলেও তেখেতেৰে সৈতে মোৰ বহুত দিনৰপৰা চিনাকি। ১৮৯৫ কি ১৮৯৬ খৃষ্টাব্দত মই যেতিয়া চেলেম্‌ষ্ফৰ্ড (Chelmsford) নামে এখন ঠাইত স্কুলত পঢ়িছিলোঁ, তেতিয়াৰেপৰা মোৰ চিনাকি। শ্ৰীযুত হেমচন্দ্ৰ গোসাই ডাঙ্গৰীয়াই মোৰ সুদূৰ বিদেশত থকাৰ আমনি পাহৰাবৰ নিমিত্তে মোলৈ "মিৰি জীয়ৰী" যৰম কৰি পঠিয়াই দিছিল। সেই মিৰি জীয়ৰীটিয়েই বৰদলৈ ডাঙ্গৰীয়াৰ "মিৰি জীয়ৰী"। এনে এটি বস্তু পাই, নিজৰ জন্মভূমিৰ মাতৰ লগ পাই, মনত যে কি বিমলানন্দ ভোগ কৰিছিলোঁ, তাক লেখি কি কৈ বৰ্ণাব নোৱাৰোঁ। তেখেতৰ মুখৰ বাণী শুনিবলৈ আমি আগ্ৰহেৰে বাট চাই আছো। তেখেতৰ অভিজ্ঞতাৰ ফল স্বৰূপে তেখেতৰপৰা যে বহুত নতুন তথ্য আৰু নতুন কথা শুনিম আৰু শিকিম ই নিশ্চিত।

এই সুযোগতে সঙ্গীত সভাৰ সভাপতি, কাউন্সিল্ অৱ্ ষ্টেটৰ ভূতপূৰ্ব্ব সভ্য শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙ্গৰীয়া আৰু বুৰঞ্জীবিজ্ঞ বুৰঞ্জী সভাৰ সভাপতি শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱা ডাঙ্গৰীয়াক আমাৰ শ্ৰদ্ধাপূৰ্ণ অভিবাদন জনাওঁ। আমাৰ সাহিত্য জগতত তেখেত দুয়োজন সুপৰিচিত। "মেঘনাদ বধ" আৰু "ভাগ্য পৰীক্ষা" কোনে পঢ়া নাই? আৰু এই দুখনি কিতাপৰ অভিনয় কোনে দেখা নাই? "ভাগ্য পৰীক্ষা" আজি নিশা নৰোত্তম্ গাঁৱৰ ভাৱনা ঘৰত অভিনীত হ'ব। তালৈকে আপোনাসকলক আহ্বান কৰোঁ। যদিহে আগেয়ে এই নাট্য অভিনয় কোনোৱে নাই দেখা, তেওঁলোকে বিশেষকৈ আজি গৈ যেন এই সুন্দৰ নাট খনিৰ সোৱাদ লৈ আহেগৈ। শ্ৰীযুত হিতেশ্বৰ বৰ বৰুৱা ডাঙ্গৰীয়াই কেবাখনো কিতাপ লেখি আমাৰ ভাষাক চহকী কৰিছে। তেখেতৰ "আহোমৰ দিন" অলপতে ওলাব। এই কিতাপখনি পৃথিবীৰ ইতিহাস জগতত উদয় হ'লে, আসামৰ বুৰঞ্জীৰ বিষয়ে বহুতো নতুন তথ্য আমি পাম। শ্ৰীযুত বৰদলৈ ডাঙ্গৰীয়াৰ লগতে, আসামৰ আৰু এনে দুজন সুসন্তানক এই দুই সভাৰ সভাপতি ৰূপে পাই আমি আমাৰ পৰম সৌভাগ্য বুলি ভাবিছো।

যদিও আমাৰ এই সম্মিলনী সাবালিকা হোৱা নাই, তথাপি এই সম্মিলনীয়ে আমাৰ সাহিত্যক কোলাত লৈ ফুৰিব পৰা হৈছে। এই সম্মিলনীয়ে এনে অৱস্থাত আমাৰ ভাষা আৰু সাহিত্যৰ বহুতো উপকাৰ কৰিব পাৰিব। অসমীয়া ভাষা আৰু সাহিত্যৰ কেনেকৈ উন্নতি হব, কেনেকৈ এই ভাষা আৰু সাহিত্যই আধুনিক জগতত নিজৰ পুৰণা ঠাইত আকৌ আসন পাব, সেইবোৰ বিষয়ৰ আলোচনা কৰিবৰ বাবেই আপোনাসকল ইয়াত একেলগ হৈছেহি। সেই কাম হাতত লোৱাৰ আগেয়ে আপোনালোকক মই সৰহ কথা কৈ আপোনালোকৰ বহু মূলীয়া সময় নষ্ট কৰিব নোখোজোঁ আৰু আপোনালোকৰ মনক আপোনালোকৰ নিৰ্দ্ধাৰিত কামৰপৰা আঁতৰাব নোখোজোঁ। কিন্তু. দুটি এটি কথা. যি মোৰ মনত উপজিছে তাকে আপোনালোকৰ অনুমতি লৈ জনাওঁ।

তাৰ আগেয়ে বৰ দুখেৰে কওঁ যে প্ৰাতঃস্মৰণীয়া দেৱী মহাৰাণী ভিক্টোৰিয়াৰ বোৱাৰী, আমাৰ আগৰ জনা সম্ৰাট, সপ্তম এড্ওৱাৰ্ডৰ সহধৰ্ম্মিণী আৰু বৰ্ত্তমান সম্ৰাট পঞ্চম জৰ্জ্জৰ মাতৃদেৱী, অলপতে পৰলোকলৈ গ'ল। তেখেতৰ মৃত্যুত ভাৰতৰ সকলোৱে শোক পাইছোহক। আমি আমাৰ সম্ৰাট আৰু ৰাজ পৰিয়ালক আমাৰ ভক্তিপূৰ্ণ সমবেদনা জনাওঁ।

স্বৰ্গীয় সত্যনাথ বৰা—আমাৰ পক্ষে আৰু এটি বিশেষ শোকৰ কথা আপোনাসকলক বৰ দুখেৰে জনাওঁ। সাহিত্যসেৱক, বিজ্ঞ, আৰু বিদ্বান, আমাৰ শ্ৰীযুক্ত সত্যনাথ বৰা ডাঙ্গৰীয়া আৰু ইহলোকত নাই। ১৩ ডিচেম্বৰ তাৰিখে তেখেত স্বৰ্গী হ'ল। তেখেতেৰে সৈতে মোৰ নিজৰ সম্পৰ্ক বৰ ঘনিষ্ঠ আছিল। আমি এঘাৰ বছৰ একেলগে কাম কৰিছিলোঁ। আৰু দহ বছৰ লগালগি ঘৰত বাস কৰিছিলোঁ। তেখেত আসামৰ এজন ৰত্ন আছিল। তেখেতে নিৰ্জ্জনে নীৰৱে আসামৰ বহুতো উপকাৰ কৰি গৈছে। তেখেতৰ মৃত্যুত আসাম আয়ে এটি অতি মৰমৰ কৰ্ম্মী সুসন্তান হেৰুৱালে। সকলো ভগৱানৰ ইচ্ছা। তেখেতৰ শোকসন্তপ্ত পৰিয়ালক আমি আমাৰ আন্তৰিক সমবেদনা জনাওঁ। আৰু আপোনাসকলক কওঁ যে, এই অসমীয়াৰ গৌৰৱ, স্বৰ্গীয় পুৰুষৰ স্মৃতি চিন কেনেকৈ আমি ৰাখিব লাগে, কি চিন ৰাখিলে দেশৰ উপকাৰ হ'ব—কিয়নো এনে এটি চিন ৰাখিব লাগিব যাৰ দ্বাৰাই দেশৰ উপকাৰ হয়—সেই বিষয়ে এই সন্মিলনীয়ে আলোচনা কৰিলে কামটি সোনকালে আৰু সুকলমে হ'ব, এনে আশা কৰা যায়। এনে এটি চিন ৰখা যুগুত যাৰ দ্বাৰাই দেশৰো উপকাৰ হয় আৰু এই স্বৰ্গীয় পুৰুষজনকো সন্মান দেখুওৱা হয়।

স্বৰ্গীয় ৰায় বাহাদুৰ বেথাৰাম শৰ্ম্মা———এই জন ডাঙ্গৰীয়াও আসাম আইৰ সুসন্তান আছিল। ৰজাঘৰীয়া কামৰপৰা আজৰি লৈও এই স্বৰ্গীয় পুৰুষজনে আন ঠাইত নতুন উদ্যম আৰু উৎসাহেৰে ডেকাৰ দৰে কাম কৰিছিল। শৰ্ম্মা ডাঙ্গৰীয়াৰ উৎসাহ আৰু উদ্যম আসামৰ সাহিত্যিকসকলৰ আৰু আন আন মানুহৰ অনুকৰণীয়। তেখেতৰ সুযোগ্য পুত্ৰ আৰু পৰিয়ালৰ আন আন সকলক আমাৰ আন্তৰিক সমবেদনা জনাওঁ।

স্বৰ্গীয় গোপালকৃষ্ণ দে—পূৰ্ব্ববঙ্গ, পশ্চিমবঙ্গ, শ্ৰীহট্ট ইত্যাদি ঠাইৰ বহুত লোক আসামত আছে। আসামৰ সৌন্দৰ্য্যই তেওঁলোকক মোহিত কৰি ইয়াত ৰাখি থৈছে। কিন্তু দুখৰ বিষয়, এওঁলোকৰ বহুতে অসমীয়া ক'ব নোৱাৰে আৰু কলেও কিবা এটা নতুন ভাষাৰ সৃষ্টি কৰি এওঁলোকে অসমীয়া কয়। ই দুখৰ বিষয়; কিন্তু এনে এজন মানুহ গুৱাহাটীত সিদিনালৈকে আছিল, যিজনে বহুত অ... মীয়াতকৈ ভাল অসমীয়া জানিছিল আৰু বহুত বঙ্গালী... ভাল বঙ্গলা জানিছিল। তেওঁ কাৰ্জ্জন্ হলৰ পুথিৰ... স্বৰ্গীয় গোপালকৃষ্ণ দে। ভগৱানৰ ইচ্ছা, আজি ছমাহ... তেওঁক এজন মানুহে হত্যা কৰাৰ কথা আপোনাস... জানে। গ'ল বছৰ গুৱাহাটীৰ সাহিত্য সভাত ৮হে... বৰুৱা ডাঙ্গৰীয়াৰ স্মৃতিফলকৰ বিষয়ে দিয়া তেওঁৰ ... স্পৰ্শ কৰা বক্তৃতা এতিয়াও আমাৰ কাণত ধ্বনিত... আছে। তেওঁ অসমীয়া নহৈও আসামক নিজৰ ... লৈছিল। তেওঁৰ এই অকাল মৃত্যুত আসামৰ বি... ক্ষতি হৈছে। আসাম আৰু অসমীয়াৰ হকে ... বহুত কাম কৰি গৈছে। তাৰে প্ৰধান কাম ... সুফল সিদিনা গুৱাহাটীত ফলিল। এই স্বৰ্গীয় ... জনাই আসাম আৰু অসমীয়াক নিজৰ যে কৰিছিল... চিন স্বৰূপে হেমচন্দ্ৰ বৰুৱা স্মৃতি-ফলকৰ কথা উত্থাপ... দি, আসামৰ এটি ডাঙ্গৰ কাম কৰি, আসামক ... ধকৰা কৰি, বন্ধু-বান্ধৱ আত্মীয় স্বজনক কন্দুৱাই, ... লোকলৈ গ'ল। এই ২০ ডিচেম্বৰ তাৰিখে শ্ৰীযুত হে... গোসাই ডাঙ্গৰীয়াই স্বৰ্গীয় বৰুৱা ডাঙ্গৰীয়াৰ পুৰণা... দক্ষিণ পশ্চিম চুকত, এটি স্মৃতি-ফলক অনাবৃত ... আমাৰ সাহিত্য জগতক এটি নতুন যুগ দিলে। কি... এনে সন্মান আগেয়ে আসামৰ কোনো সাহিত্যিকক... আন কোনো গুণী মানুহক দেখুওৱা হোৱা নাই। ... নতুন বাট দেখুৱাই দিওঁতা স্বৰ্গীয় গোপালকৃষ্ণ... নাম স্মৰণ কৰি, তেওঁৰ আত্মাৰ সদগতিৰ অৰ্থে ভগ... ওচৰত প্ৰাৰ্থনা কৰোঁ। আশা কৰোঁ, আসামত ... কৰা ভিন প্ৰদেশৰ ভাৰতীয়সকলে আসামক ... সঁচিকৈয়ে মোৰ বুলি, স্বৰ্গীয় দে ডাঙ্গৰীয়াৰ... আসাম আইৰ উন্নতিৰ ফালে মন দিয়ে। ... বাবুৰ দৃষ্টান্ত, এনে মানুহৰ আৰু আমাৰো, অ... উপযোগী। যিসকলে টকা দি এই স্মৃতিফলক ... কৰিছে আৰু আনৰূপে সহায় কৰিছে তেওঁলো... এই সুযোগতে ধন্যবাদ দিওঁ।

স্বৰ্গীয় গোপালচন্দ্ৰ ভূঞা———আৰু এটি ... কথা, মোৰ সৰু বয়সৰ সহপাঠী, সাহিত্যসেৱী,



শ্ৰীযুত গোপালচন্দ্ৰ ভূঞা ডাঙ্গৰীয়া, এই নগাঁও জিলাৰে শিক্ষক, অলপতে ইহলোক এৰি গ'ল। তেওঁৰ কবিতাৰ সোৱাদ নোপোৱা মানুহ বিৰল। গ'ল এপ্ৰিল মাহত তেওঁৰে সৈতে মোৰ এই নগাঁৱত বহুত দিনৰ পাচত দেখা হৈ বৰ আনন্দ লভিছিলোঁ। ইমান সোনকালে যে এই সংসাৰ এৰি তেওঁ যাব, এই কথা তেতিয়া ভবা নাছিলোঁ। সকলো ভগৱানৰ ইচ্ছা।

স্বৰ্গীয় সিংহদত্ত দেৱ অধিকাৰী—আৰু এটি বৰ দুখৰ কথা, ডেকা সাহিত্যিক, উৎসাহী, উদ্যমশীল "অগাৰ" যুটীয়া সম্পাদক শ্ৰীযুত সিংহদত্ত দেৱ অধিকাৰী ডাঙ্গৰীয়াৰ মৃত্যু। অধিকাৰী দেৱ সাহিত্য দেৱীৰ এজন পৰম ভক্ত আছিল। এই কম বয়সতে তেওঁ কেবাখনো কিতাপ লেখে। এওঁৰ মৃত্যুতো আমাৰ সাহিত্যজগত দুখীয়া। ভগৱানে এওঁলোকৰ আত্মাৰ সদগতি কৰোক। এওঁবিলাকৰ শোক-সন্তপ্ত পৰিয়ালক আমাৰ অন্তৰৰ সহানুভূতি আৰু সম-বেদনা জনাওঁ।

এতিয়া শুনা যায় 'আসাম"ৰ "স" "সময়"ৰ 'স'ৰ দৰে উচ্চাৰণ কৰা হয়। কিন্তু অসমীয়া সাহিত্যিক শ্ৰীযুত সত্যনাথ বৰা ডাঙ্গৰীয়া, শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙ্গৰীয়া, শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ডাঙ্গৰীয়া, শ্ৰীযুত পদ্মনাথ বৰুৱা ডাঙ্গৰীয়া, শ্ৰীযুত চন্দ্ৰকুমাৰ আগৰৱালা ডাঙ্গৰীয়া-সকলে "আসাম"ৰ "স" "চ" ৰ দৰে উচ্চাৰণ কৰে। শ্ৰীযুত বৰদলৈ ডাঙ্গৰীয়াইও, বোধ কৰোঁ, এই "স" "সময়ৰ" 'স"ৰ দৰে উচ্চাৰণ নকৰে। 'অসমীয়া" এই কথাটিও তেনে উচ্চাৰণ কৰা হয়। এই সন্মিলনী যেতিয়া "আসাম" সাহিত্য সন্মিলনী, "আসাম" আৰু 'অসমীয়া" এই কথা দুটী কেনেকৈ উচ্চাৰণ কৰিব লাগে, তাক আমাৰ বিশেষ ৰূপে জনা দৰকাৰ। মই যিসকলৰ নাম কৰিছোঁ, সেই সকলে, আৰু যিসকলৰ নাম কৰা নাই সেই সকলেও, পোন্ধৰ কি কুৰি বছৰৰ আগেয়ে "আচাম" "অচমীয়া" এই দৰে উচ্চাৰণ কৰিছিল। এই কেই বছৰত কিয় এনে উচ্চাৰণ ভাষালৈ সোমাল ক'ব নোৱাৰোঁ। ৩৩।৩৫ বছৰীয়া কোনো মুনিহ কি তিকতাই অসমীয়া "স"ৰ দৰে উচ্চাৰণ নকৰে। এই নিতৌ-লগা কথা দুটিৰ উচ্চাৰণ আপোনাসকলে মীমাংসা কৰি দিয়া উচিত। মীমাংসা কৰাৰ আগেয়ে প্ৰবীণ নবীন সকলোৰে মত লোৱা যুগুত বুলি ভাবোঁ।

ইংৰাজী ভাষাৰ বিষয়ে এই সভাত আলোচনা কৰাৰ কথা নহয়, কিন্তু ইংৰাজী ভাষা এটি লাগতিয়াল আৰু অতি সভ্য ভাষা বুলি আমি সকলোৱে জানোঁ। এই ভাষা সকলোৱে শিক্ষা কৰে। ভাষা শিকাৰ পক্ষে অভি-ধান প্ৰধান সহায়। এই ভাষাৰপৰা অসমীয়ালৈ ভঙ্গা অভিধান মই এখনিহে মাথোন জানোঁ। Bronsonৰ Dictionary দেখা মানুহ কেই জন? মই সৰুতে এখন আমাৰ ঘৰত এই নগাঁৱতে দেখিছিলোঁ। এতিয়া Bronsonৰ Dictionaryৰ নামকে, বোধ কৰোঁ, বহুতে শুনা নাই, আৰু সেই অভিধানো আজি কালি বহু পুৰণা দেখি, অকামিলা হৈছে। শ্ৰীযুত মাখনলাল চলিহা বি, এল মহাশয়ে এখন অভিধান পাঠ্যাৱস্থাত লেখি ছপাইছিল। এই অভিধান-খনিত বহুত কথা নাই, চমু অভিধান। আৰু এখন ভাল ডাঙ্গৰ অভিধানৰ অভাৱ সকলোৱে অনুভৱ কৰোঁহক। কিন্তু অভাৱ পূৰণৰ নিমিত্তে আগ বাঢ়ে কোন? এই কথাকেৰি যদি ভৱিষ্যতত সন্মিলনীয়ে ভাবি লেখকসকলক উৎসাহ দিয়ে তেনেহলে, বোধ কৰোঁ, এনে এখন অভিধান সোন-কালে পালেও পাব পাৰোঁহক। শ্ৰীযুত চলিহা দেৱেও অলপ সহানুভূতি পালে, বোধ কৰোঁ কামটি হাতত ল'ব পাৰে।

মোৰ আসামৰ এতিয়ালৈকে কিতাপ পঢ়া মানুহৰ সংখ্যা বৰ তাকৰ। তাৰ উপৰি, কিতাপ কিনি পঢ়া মানুহৰ সংখ্যা আৰু তাকৰ। এতিয়া সন্মিলনীৰ এটি প্ৰধান কাম হৈছে "Reading public" পঢ়া সমাজ বঢ়োৱা। এনে মানুহৰ সংখ্যা বঢ়াবৰ এক উপায় পঢ়া কিতাপৰ লেখ আৰু (Variety) বিধ বঢ়োৱা। মানুহৰ কেনে কিতাপ পঢ়িবলৈ ইচ্ছা, তেনে কিতাপ প্ৰকাশ কৰা ভাল নে বেয়া উজু নে টান এইবোৰ বিচাৰ কৰি লেখকসকলৰ উৎসাহ দিয়া, মোৰ মনেৰে, সন্মিলনীৰ এটি বিশেষ কাম। ইংৰাজী ভাষাৰপৰা বহুত পুথি অসমীয়ালৈ ভাঙ্গি অসমীয় মানুহক ইংৰাজী পঢ়াৰ সোৱাদ পোৱাব পাৰি। কেখন মান পুথিৰ নাম ইয়াতে দিওঁ। এইবোৰ পুথি অসমীয়া ছপা হোৱা মই বৰ দৰকাৰ যেন ভাবোঁ। Smile' Self Help, Blackie's Self Culture, Todd

Student's, Manual, Adam's Plain Living and High Thinking, Thomas-A-Kempis's Imitation of Christ ইত্যাদি, আৰু নাম দিব পাৰি, ভৱিষ্যতত দিম বুলি আশা ৰাখিলোঁ। এই খিনিতে কব খোজোঁ যে যদি কোনো লেখকে Smile's Self Help পুথিখন অসমীয়াকৈ ভাঙ্গি আমাক এবছৰৰ ভিতৰত পুৰস্কাৰ দিয়ে, আৰু মই তেতিয়া জীয়াই থাকোঁ, মই তেওঁক সন্মিলনীৰ হৈ, আঢৈ কুৰি (পঞ্চাশ) টকা দিবলৈ গাত লৈছোঁ। কিতাপ উপযুক্ত হৈছে নে নাই তাৰ সন্মিলনীয়ে বিচাৰ কৰিব।

ফুল বাগিচাৰ মালীয়ে যেনেকৈ ধুনীয়া গছবোৰত যতনেৰে পানী দি ডাঙ্গৰ দীঘল কৰে, তেনেকৈ সাহিত্য সেৱীৰ কাম হৈছে আমাৰ উঠি অহা ল'ৰা ছোৱালীৰ মন যতনেৰে উন্নত কৰা। তেনেবোৰ কিতাপ আমাৰ নাই—যেতিয়া নাই, আনৰপৰা কিয় নলওঁ? কলিকতীয়া থিয়েটৰৰ নাটকৰ ভাঙ্গনি, কলিকতীয়া থিয়েটৰৰ কাৱালি ঝিঁঝিঁট মিশ্ৰাদি সুৰ যদি আনি আমি আমাৰ কৰিব পাৰোঁহক, এনেবোৰ বহুমূলীয়া চিৰনতুন কিতাপক আমি নিজৰ নো কিয় নকৰোঁ? উপন্যাস আৰু নাটকৰ যে, আমাৰ ভাষাত প্ৰয়োজন নাই মই এনে কথা নকওঁ, কব নোৱাৰোঁ; কব নোখোজোঁও। এই উপন্যাস আৰু নাটকৰ লগে লগে এনেবোৰ কিতাপবো প্ৰচলন হোৱা ভাল। সাহিত্যৰ এটি প্ৰধান অঙ্গ উপন্যাস আৰু নাটক। যি কোনো সাহিত্যৰপৰা নাটক আৰু উপন্যাস বাদ পৰিলে, সেই সাহিত্য অঙ্গহীন হ'ব। যি দেশত শ্ৰীশঙ্কৰদেৱৰ জনম, যিজন মহাপুৰুষ আমাৰ সকলো বিষয়ৰ উন্নতিৰ নায়ক, আৰু যিজন পুৰুষ আমাৰ নাট ভাৱনাৰ গুৰু, তেনে ঠাইত আমাক নাটক নেলাগে বুলি কোন সাহেৰে মই কওঁ? সাধাৰণ থাপৰ উপন্যাস নাটক, বিদেশৰপৰা আনি ভাল ভাল কিতাপ বোৰ আমাৰ কৰি, অসমীয়া সাজপাৰ পিন্ধাই ৰাইজক দিব লাগে। মহাকবি, জগৎ কবি, শ্বেক্সপিয়েৰৰ নাট বোৰো বিদেশৰপৰা লোৱা সঁজুলিৰে ভৰা। এই কথাকেৰি লেখি থাকোঁতেই মোৰ Moliere's Plays ৰ কথা মনত পৰিছে। এই ফৰাচী লেখকৰ নাটবোৰ ইংৰাজীলৈ ভঙ্গা হৈছে। তাৰেপৰা আনি আমি সেই বোৰক আমাৰ কৰিব পাৰোঁহক। এই বিষয়ে মোৰ বন্ধু সাহিত্যিক শ্ৰীযুত পদ্মধৰ চলিহাদেৱৰ সৈতে বহুবাৰ কথা হৈছে।

এতিয়া বিশেষ লাগতিয়াল কথা এটি আপোনা-সকলৰ ওচৰত ডাঙ্গি ধৰোঁ। লক্ষ্মী সৰস্বতী বোলে একে-লগে বিৰাজ নকৰে, যদিও এই কথাৰ ব্যতিক্ৰম আছে। এই কথাকেৰি সাহিত্যসেৱীসকলৰ জীৱনৰপৰা ফটফটিয়াকৈ জানিব পাৰি। সকলো দেশতে সাহিত্য সেৱীসকলৰ প্ৰতি লক্ষ্মীক প্ৰায়ে বিৰূপা দেখা যায়। আসামতো সেই। আসামৰ পুৰণি সাহিত্য চহকী। এই পুৰণি সাহিত্যবোৰ হাতেৰে লেখা পুথিত ঘৰে ঘৰে আছে। এই পুথিবোৰৰ কিছু কিছু কামৰূপ অনুসন্ধান সমিতিয়ে একেলগ কৰিছে। আমাৰ পুথিৰ সংখ্যা কিন্তু যে সেইবোৰ পুথিতকৈ শতগুণে বেছি মই বুকু ডাঠকৈ কব পাৰোঁ। এই লুপ্তপ্ৰায় গুপ্ত ধনবোৰ আবিষ্কাৰ কৰি মুদ্ৰা যন্ত্ৰৰ সহায় লৈ অসমীয়া মানুহক (আৰু আন আন দেশৰ মানুহকো) আমি যে কি জাতিৰ বংশধৰ জানিবলৈ দিবৰ ভাৰ এই আমাৰ সাহিত্য সন্মি-লনীৰ গাত। এই কাম সুচলে আৰু সুকলমে সমাধা হ'ব পাৰে, যদি এই সন্মিলনীয়ে আমাৰ ডেকাসকলক কি আন বিজ্ঞসকলক এই বোৰ পুথি গোটাবলৈ উৎসাহ দিয়ে। উৎসাহৰ অৰ্থ টকা। Lord Kitchener এ এই জৰ্মান যুদ্ধৰ সময়ত এই কথা কৈছিল যে তেওঁক যদি তিনটা বস্তু দিয়া হয়—men, material, আৰু money, তেওঁ যুদ্ধখন তেতিয়াই জিকে। আমাৰ material আছে, men যে নাই মই নকওঁ, men আমাৰ বহুত আছে, আমাক লাগে money ধন। এই ধন ওলাব, যদি সন্মিলনীয়ে কামটো কৰোঁ বোলে। এই সুযোগতে এতিয়াই, সন্মিলনীয়ে নতুন সভাৰ সংখ্যা বঢ়াওক নতুন মানুহৰ সহানুভূতি লওক, টকা এতিয়াই ওলাব। ৰাইজে কোনো এটা কাম কৰোঁ বুলিলে, টকাৰ অভাৱত কামটো নহৈ নেথাকে। অৰ্থ হীন সাহিত্যিক-সকলক অলপ ধন দিলেই, পুথি গোটোৱাৰ ভাৰ, পুথি পুৰণা লেখাৰপৰা নতুন লেখালৈ অনা ইত্যাদিৰ ভাৰ



তেওঁলোকে হাতত ল'ব হে নিশ্চয়। এই বিষয়ে সন্মি-লনীয়ে চিন্তা কৰিলে দেশৰ মঙ্গল হয়। আৰু এটি কথা, মই কেবাজন লেখককো দেখিছোঁ তেওঁলোকে ধনৰ অভাৱত কিতাপ ছপাব নোৱাৰি, সেইবোৰ কিতাপ পেৰাত থৈ দিছে। সেইবিলাক লেখকৰ কিতাপ আনি চাই, উপযুক্ত হ'লে ৰাইজক দিয়াৰ ভাৰো মোৰ মনেৰে এই সন্মিলনীৰ।

উচ্চাৰণৰ বিষয়ে আগেয়ে অলপ কৈছোঁ। আমাৰ মানুহে ট, ঠ ড, ধ ণ আৰু ত থ, দ ধ নৰ বিচাৰ একো নকৰে। চ, ছ শ ষ স আৰু "ই" আৰু "ঈ"ৰ তো কথাই নাই। এনেকুৱা উচ্চাৰণৰ সংস্কাৰ কৰা আৰু এটি কাম। এনে সংস্কাৰ নকৰিলে সংস্কৃতৰ দৰে মাৰ্জ্জিত ভাষা আমাৰ পক্ষে শিকা আৰু পঢ়া মিছা। আমি নিজ ভাষাত এনে বেমেজালি কৰোঁ দেখি, সংস্কৃতৰ দৰে ভাষা উচ্চাৰণ কৰোতে আমি টান পাওঁহক। সংস্কৃত পঢ়িলে আমি এনেকৈ পঢ়িবলৈ শিকা উচিত যে, কাশীৰ পণ্ডিতসকলে আৰু মহাৰাষ্ট্ৰীয় পণ্ডিতসকলে যেন বুজ পায়। আমাৰ উচ্চাৰণেৰে তেওঁলোকে চাটৈ ততকে ধৰিব নোৱাৰে আমি কি কওঁ। এই নিমিত্তে আমাৰ আন আন ভাষা শিকাত টান হৈ পৰে। উদাহৰণ স্বৰূপে কব খোজোঁ, শুনিছোঁ যে বিদুষী পণ্ডিতা ৰমা বাইৰ সংস্কৃত পণ্ডিতপ্ৰবৰ বেদজ্ঞ ম্যাক্স মুলাৰে বুজাত টান পাইছিল আৰু ম্যাক্সমুলাৰৰ সংস্কৃতো পণ্ডিতা দেৱীয়ে বুজাত টান পাইছিল। সংস্কৃত ভাষাৰ উচ্চাৰণৰ এটা Common Standard (সাধাৰণ আদৰ্শ) অথবা মাজমূলি চানেকি আমাৰ ভাৰতৰ সকলো জাতিৰ ভিতৰতে এক হব পাৰিলে ভাৰতৰ উপকাৰ হয়। এইবোৰ বিষয়ত দ্বৈপায়ন (insular) ভাৱ এৰি আমি সহযোগ পন্থা লব লাগে। যদি নিজৰ ভাষাত ট ঠ ত ইত্যাদিৰ উচ্চাৰণ উচিত মতে কৰোঁ তেনেহলে আমি ভাৰতৰ আন আন জাতিৰে সৈতে এক ভাৱৰ হ'ব পাৰোঁ। মই এইটো কথা কোৱা নাই যে আমাৰ ভাষাৰ কোনো বিশেষত্ব নেথাকিব। প্ৰত্যেক ভাষাৰ বিশেষত্ব আছে, সেই বিশেষত্ব ৰক্ষা কৰিব লাগে। কিন্তু সেই বিশেষত্ব ৰক্ষা কৰিও মই কোৱা কথাৰ আমি অনুসৰণ কৰিব পাৰোঁহক। বহুত মানুহে "হেমকোষ" থাকোতেও হেমকোষৰ নিয়মবহিৰ্ভূত আখৰ যোঁটনি কৰে। কোনো কোনোৱে "পাঠ" নেলেখি "পাথ" লেখিব কিয়নো আমি 'ঠ" ৰ ঠাইত 'থ" উচ্চাৰণ কৰোঁহক। "সাংঘাতিক" নেলেখি "সংঘাটিক" লেখে, কিয়নো 'ত'ৰ ঠাইত 'ট" উচ্চাৰণ কৰোঁ। 'সঙ্কট" এনে উচ্চাৰণো শুনা যায়। এনে উচ্চাৰণবোৰ সংশোধন কৰা অতি উচিত। আমি আমাৰ নিভাঁজ অসমীয়া কথাবোৰ যেনে ইচ্ছা যায় তেনেকৈ উচ্চাৰণ কৰিব পাৰোঁ, কিন্তু যিবোৰ শব্দ নিভাঁজ সংস্কৃতে আমাক দান কৰিছে, সেই-বোৰৰ মৰ্য্যাদা ৰক্ষা কৰা আমাৰ কৰ্ত্তব্য। সেইবোৰৰ সংস্কাৰ (?) আমি নিজে মই-মতালি কৰি কৰিবৰ আমাৰ একো অধিকাৰ নাই।

এজন বন্ধুৰপৰা এটা গল্প শুনিছিলোঁ। সেই বন্ধুজন এতিয়া ইহ জগতত নাই। তেওঁ ইংলণ্ডত ২২।২৩ বছৰ থাকিও দেশী ভাৱ, দেশী মন এৰা নাছিল। সেই গল্পটি এই—এদিন এটা মানুহে এটা পাঠা নেগুৰৰ ফালৰপৰা কাটিবলৈ যোঁৱাত, তাক আন এটা মানুহে কলে "হেৰ তই কি কৰিছ? নেগুৰৰ ফালে কিয় কাট"? সি উত্তৰ দিলে "এইটো মোৰ পাঠা। তাক মই নেগুৰৰ ফালৰ পৰাও কাটিব পাৰোঁ, মূৰৰ ফালৰপৰাও কাটিব পাৰোঁ। তোৰ তাত কি ক'বৰ অধিকাৰ আছে"? আমাৰ নিজা নিভাঁজ অসমীয়া কথাক যেনেকৈয়ে উচ্চাৰণ কৰোঁ, নিজা কথাৰ আখৰবোৰ যেনেকৈ যোঁটাওঁ তাত কাৰো একো কবৰ অধিকাৰ নাই, কিন্তু নিভাঁজ সংস্কৃত শব্দবোৰ তেনে কৰিলে আমাৰ অনধিকাৰ চৰ্চ্চা কৰা হ'ব। এই "ই" "ত" "ঠ" "থ" ৰ বিৰোধ, ছুথৰ বিষয় আমাৰ কাকতবোৰতো দেখা পোৱা যায়। এই বিৰোধ মিটমাট কৰি দিয়া অতি উচিত।

এজন বিজ্ঞ সম্পাদকৰপৰা শুনিছোঁ যে তেওঁ তেওঁৰ কাকতৰ নিমিত্তে পদ্য ৰচনাতকৈ পদ্য ৰচনা বেছি পায়। ভাষাৰ কেচুৱা অৱস্থাত পদ্য ৰচনা সকলো ভাষাই দিছে। এতিয়া পদ্যৰ ভাগ কমাই গদ্যৰ ভাগ সৰহকৈ পালে আমাৰ ভাষাৰ অঙ্গৰ শ্ৰীবৃদ্ধি আৰু হয় আৰু সৌন্দৰ্য্য বাঢ়ে।

আৰু এটি কথা কৈ এই কাকতখিনি সামৰোঁ। আজি কালি আমাৰ দেশ-মহলত বিজ্ঞাপন বিৎচকুৰ বিস্তাৰ দেখোঁ। ইয়াৰ অৰ্থ কি? কাৰণ বহুতো হলেও, তাৰ এটি কাৰণ হৈছে এই যে আমাৰ কিতাপবোৰৰ ছাপা আৰু তুলাপাত বেয়া। কিতাপ মুদ্ৰাযন্ত্ৰলৈ পঠোৱাৰ আগেয়ে লেখকসকলে এই বিষয় ভাবি চাই, মুদ্ৰা যন্ত্ৰাধিকাৰীক ভাল তুলাপাত আৰু ছাপাৰ আখৰ বাছি দিবলৈ আদেশ কৰিলে আমাৰ ল'ৰা ছোৱালীবিলাকৰ চকু বেয়া হোৱাৰ এটা কাৰণ আমি দূৰ কৰোঁ।

আপোনাসকলক, মোৰ পক্ষে এইবোৰ কথা কোৱা ধৃষ্টতা মাত্ৰ। আপোনাসকল জ্ঞানী, সুধী জন; এই সুযোগ পাই কেআষাৰমান, আপোনাসকলৰ অনুমতি লৈ, কথা ক'লোঁ। মোৰ কাম, মোৰ প্ৰিয় কাম হৈছে আপোনাসকলৰ আলপৈচান ধৰা; আপোনাসকলৰ সেৱা কৰা, কিন্তু তাকে নকৰি মই আপোনাসকলক এইবোৰ কথা কৈছোঁ। সুযোগ পালে, সুবিধা পালে, সকলোৱে এনে কাম কৰে। মই আপোনাসকলক এই আশ্ৰয়হীন অৱস্থাত পাই, কুইনাইন কি কাষ্টৰ-অয়ল খুৱাইছোঁ, এই কথা যেন আপোনাসকলৰ কেতিয়া নেভাবে। যদি তেনে ভাবে মই, নিৰুপায়। মোৰ উত্তৰ থাকিলেও মই নিৰুত্তৰ।

মোৰ আসামৰ সাহিত্যিকসকল, আপোনাসকলক বহুত আমনি কৰিলোঁ। এতিয়া আপোনাসকলৰ সভাপতিক আসনত বহুৱাই আপোনাসকলৰ কাৰ্য্য আৰম্ভ কৰোক। উপন্যাস নহলে কোনো সাহিত্যৰে অঙ্গ পৰিপুষ্ট নহয়। যিজনক আপোনাসকলে সভাপতি নিয়োগ কৰিছে, তেখেতক আমাৰ ভাষাৰ প্ৰধান ঔপন্যাসিক বুলি ক'ব পাৰি। এনে একজনক যে এই সন্মিলনীৰ নায়ক আৰু আমাৰ পথপ্ৰদৰ্শকৰূপে, আমাৰ সাহিত্যৰ উন্নতিৰ বাট দেখুৱাবলৈ আমি পাইছোঁ ই আমাৰ পৰম সৌভাগ্য।

সৰ্ব্বসিদ্ধিদাতা করুণাময় পৰমেশ্বৰ, সকলো কাৰ্য্যৰ যিজন সভাপতি, তেওঁ তেওঁৰ বিশ্ব ব্ৰহ্মাণ্ডৰ এই ক্ষুদ্ৰ অনুষ্ঠানটিত তেওঁৰ কৃপাবাৰি বৰ্ষণ কৰোক।

ব্ৰহ্মকৃপাহি কেৱলম্।

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা।

---

# অসম সাহিত্য সভাৰ কাৰ্য্য-বিবৰণী।

## [ অষ্টম বছৰ ]

( ২৭, ২৮, ২৯ ডিচেম্বৰ, নগাঁও )

১। আজি আমাৰ অতি আনন্দৰ কথা যে নানা প্ৰকাৰ বাধা বিঘিনি অতিক্ৰম কৰি অসম সাহিত্য সভাই ৮ বছৰ পাৰ হৈ, ৯ বছৰত ভৰি দিলে।

অষ্টম সন্মিলন। আমাৰ শাস্ত্ৰৰ মতে আৰু আজি কালিৰ শৰীৰ-তত্ত্বজ্ঞসকলৰ মতেও, এই বয়সেই শৈশৱ আৰু বাল্য অৱস্থাৰ সীমা। অসমীয়া ৰাইজে যেন সভাৰ উপস্থিত বাল্যতো যথেষ্ট সাৱধান হৈ, ইয়াৰ জীৱন মহিমামণ্ডিত কৰি তোলে, এয়ে আমাৰ আন্তৰিক সৰল প্ৰাৰ্থনা।

আমাৰ সপ্তম সন্মিলন যোৱা পুহ মাহত গুৱাহাটী নগৰত অতি সুচাৰুৰূপে হৈ গৈছে। তেতিয়াৰপৰা সম্পূৰ্ণ এবছৰ হল। উক্ত সন্মিলনত নগাঁৱৰ শ্ৰীযুত বিষ্ণুচৰণ বৰা B. L. M. L. C. ডাঙৰীয়াই অষ্টম সন্মিলন নগাঁৱলৈ মাতে। আৰু তাৰ ফলত আজিৰ এই মহা মিলন।

এই বাৰৰ সন্মিলনৰ প্ৰধান বিশেষত্ব এই যে, ই অসমীয়া জাতি নকৈ গঢ়োঁতা মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্মভূমিত বহিছে। মহাপুৰুষৰ আশীষত আমাৰ চেষ্টা যেন সফলকাম হয়।



২। যোৱা গুৱাহাটী সন্মিলনত অষ্টম বছৰৰ কাৰ্য্য চলাবৰ কাৰণে কুৰি জন সভ্যৰে এখন কাৰ্য্য-নিৰ্ব্বাহক সভা গঠন কৰা হয়। এই কাৰ্য্য-নিৰ্ব্বাহক সভাক যি যি কামৰ ভাৰ দিয়া হৈছিল, তাৰ এটি চমু বিবৰণ তলত দিয়া হল।

( ক ) আসাম গৱৰ্ণমেণ্ট, আসাম উপত্যকাৰ লোকেল বোৰ্ডসমূহ আৰু যোৰহাট মিউনিচিপালিটিৰপৰা অৰ্থ সাহায্য বিচৰা। এই সম্পৰ্কে আসাম গৱৰ্ণমেণ্ট, আসাম উপত্যকাৰ লোকেলবোৰ্ডসমূহ, আৰু যোৰহাট মিউনিচিপালিটিৰপৰা অৰ্থ সাহায্য বিচৰা হৈছে। তাৰ ভিতৰৰ তলত নাম দিয়া লোকেলবোৰ্ডসমূহ আৰু যোৰহাট মিউনিচিপালিটিৰপৰাহে টকাৰ সহায় পোৱা হৈছে।

| | | |
|---|---|---|
| ১। | তেজপুৰ লোকেলবোৰ্ড … … … | ১০০৲ |
| ২। | শিৱসাগৰ ,, … … … | ১০০৲ |
| ৩। | নগাঁও ,, … … … | ১০০৲ |
| ৪। | গোৱালপাৰা ,, … … … | ৫০৲ |
| ৫। | মঙ্গলদৈ ,, … … … | ৫০৲ |
| ৬। | বৰপেটা ,, … … … | ২৫৲ |
| ৭। | উঃ লক্ষীমপুৰ ,, … … … | ২৫৲ |
| ৮। | যোৰহাট ,, … … … | ৫০৲ |
| ৯। | ,, মিউনিচিপালিটি … … … | ২৫৲ |
| | | ৫২৫৲ |
| | ,, ,, অহা বছৰৰপৰা … | ১০০৲ |

ইয়াৰ বাহিৰে আসাম উপত্যকাৰ আন আন লোকেল বোৰ্ডবিলাকক পুনৰ অনুৰোধ কৰা হৈছে। আশা কৰোঁ সেইবিলাকৰপৰাও সহায় পোৱা হ'ব।

গৱৰ্ণমেণ্টৰ সাহায্যৰ বিষয়ে, আসাম গৱৰ্ণমেণ্টৰ লগত লিখা লিখি কৰা হৈছে। গৱৰ্ণমেণ্টেও বছৰি ১০০০৲ টকাকৈ সভাক দিব খুজিছে।

( খ ) আসামৰ সকলো ঠাইতে যাতে সুচাৰুৰূপে সাহিত্য প্ৰচাৰ হয়, তাৰ বাবে যোৱা সন্মিলনে শ্ৰীযুত লেম্বধৰ শৰ্ম্মা দেৱক মাহে ত্ৰিশ টকা বানচ আৰু ফুৰা খৰচ দিবলৈ প্ৰস্তাৱ কৰি প্ৰচাৰক নিযুক্ত কৰে। তেখেতে প্ৰথমতে তিনি মাহ সাহিত্য সভাৰ প্ৰচাৰ কাৰ্য্য কৰি সাহিত্য সভাৰ কেইজনমান সভ্য নিযুক্ত কৰে। আৰু কেখাখনো স্বীকৃত সভা গঠন কৰা বুলি ৰিপোৰ্ট দিয়ে।

তিনি মাহৰ প্ৰচাৰ কাৰ্য্য যথেষ্ট নহয় যেন বিবেচনা কৰি, কাৰ্য্যনিৰ্ব্বাহক সভাই আৰু তিনি মাহৰ কাৰণে শৰ্ম্মা দেৱক প্ৰচাৰক ৰূপে নিযুক্ত কৰে। মুঠতে তেখেতে অসম সাহিত্য সভাৰ প্ৰচাৰক স্বৰূপে ছমাহ কাম কৰে। এই ছমাহত তেখেতে অসমৰ সকলো লাগতিয়াল ঠাই বিলাকত ফুৰিব পাৰিছিল বুলি ক'ব নোৱাৰি। যদিও তেখেতে সদিয়া, ডিব্ৰুগড়, শিৱসাগৰ, গুৱাহাটী, ধুবুৰী আদি ঠাইলৈ গৈছিল, তথাপি শিৱসাগৰৰ খনচেৰেক গাঁৱৰ বাহিৰে আন অনেক লাগতিয়াল ঠাইলৈ তেখেতৰ যোৱা ন'হল।

যি যি হওক, মুঠতে তেখেতে এই ছমাহৰ ভিতৰত ন খন সাহিত্য সভা ( স্বীকৃত ) গঠন কৰিব পাৰিছে বুলি সভাক জনায়। কিন্তু দুখৰ কথা, এই ন খন সভাৰ ভিতৰত মাত্ৰ ডুমডুমা সভাইহে নিয়মমতে বৰঙনি আদি দি মূল সভাৰ লগত চিঠি পত্ৰ চলাই আছে। বাকী সভাবিলাকৰ সম্পাদকসকলৰ লগত লিখা লিখি কৰা হৈছে, কিন্তু কাৰোপৰা কোনো খবৰকে পোৱা হোৱা নাই।

ইয়াৰ উপৰি, তেখেতে এই ছমাহৰ ভিতৰত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদকলৈ দুখনি ৰিপোৰ্ট পঠিয়াইছিল। আৰু, কিছুমান সভ্য নিযুক্ত কৰি ১৪৯৲ টকা বৰঙনি তুলিছিল। তেখেতৰ ৰিপোৰ্ট লগতে জনা হৈছে। ( See close file 9 )

তেখেতৰ এই ছমাহৰ দৰ্মহা মাহে ত্ৰিশ টকা হিচাপে ১৮০৲ টকা, আৰু ফুৰা খৰচ ( তেখেতৰ বিল মতে ) ১৩১৸০ অনা, মুঠতে তেখেতৰ গাত ৩১১৸০ অনা খৰচ হয়।

শৰ্ম্মা দেৱৰ বাহিৰে, সপ্তম সন্মিলনে অসমৰ ভিন ভিন ঠাইত সাহিত্য প্ৰচাৰৰ উদ্দেশ্যে আৰু ১৮ জন লোকক নিযুক্ত কৰে। এই সকল প্ৰচাৰকৰ ভিতৰত গৌৰীপুৰৰ শ্ৰীযুত পীতাম্বৰ চক্ৰবৰ্ত্তী, ডিব্ৰুগড়ৰ শ্ৰীযুত পদ্মধৰ চলিহা, উত্তৰ লক্ষীমপুৰৰ মৌলবী মহম্মদ চাদিৰ হুচেন, মঙ্গলদৈৰ শ্ৰীযুত কৃষ্ণকান্ত মহন্ত, আৰু শ্ৰীহট্টৰ শ্ৰীযুত জগন্নাথ স্মৃতিতীৰ্থ মহাশয়ৰপৰা চিঠি পত্ৰৰ উত্তৰ

নিয়মিত ভাৱে পোৱা হৈছে। কোনো ঠাইত যদিও বিশেষ কাম হোৱা নাই, তথাপি সকলোৰে যত্ন আৰু উদ্যম প্ৰশংসনীয়। শ্ৰীযুত পদ্মধৰ চলিহাই ডুমডুমাৰ সাহিত্য সভা গঠন কৰাত সহায় কৰিছে বুলি উক্ত সভাৰ সম্পাদকে আমাক জনাইছে। কিন্তু বাকী প্ৰচাৰক সকলৰপৰা সাহিত্য প্ৰচাৰ সম্বন্ধে একো কাম নাই হোৱা বুলিলেও মিছা কোৱা ন'হব। কলিকতাৰ প্ৰচাৰক শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা ডাঙৰীয়াৰ শৰীৰ অসুস্থ থকা হেতুকে প্ৰচাৰ কাৰ্য্য কৰিব নোৱাৰিলে বুলি শ্ৰীযুত লক্ষ্মীধৰ শৰ্ম্মা ডাঙৰীয়াৰপৰা এখন চিঠি পোৱা হৈছিল।

যোৰহাটৰ প্ৰচাৰক শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাই সেই সময়ত অসম সাহিত্য সভাৰ সহকাৰী সম্পাদকৰ পদত নিযুক্ত থকা হেতুকে আৰু তাৰ পাচত অভিধানৰ কামত লগাত, বেছি পৰিমানে প্ৰচাৰ কাৰ্য্য কৰিব নোৱাৰিলে। তথাপি তেখেতে গহপুৰ, কলাবাৰী, ঢলপুৰ আৰু নাৰায়নপুৰ আদি ঠাইত ফুৰি কিছু সভ্য নিযুক্ত কৰিছিল।

(গ) সূচী, শিল্প, ৰন্ধন আদি পুথি প্ৰণয়নৰ সম্বন্ধে:—সাহিত্য সভাৰ পুঁজি এতিয়াও নিচেই সৰু হৈ আছে, সেই বাবে ৰন্ধনাদি পুথি প্ৰণয়নৰ সম্বন্ধে একো কাম হাতত ল'ব পৰা নাই। আশা কৰোঁ অহা বছৰলৈ কিবা এটা বিহা কৰিব পৰা হ'ব।

(ঘ) আৰব্য আৰু পাৰ্চিত লিখা থকা অসমৰ বিবৰণ:—এই বিষয় মৌলবী মহিবুল হক আৰু মৌলবী চৈয়দ মহিবুল্লা চাহাবলৈ চিঠি পত্ৰ লিখা হৈছিল। কিন্তু তেখেতসকল দুজনে এই বিষয় কিমান কৃতকাৰ্য্য হৈছে, আমাক জনোৱা নাই।

(ঙ) কমলাদেৱী শিশু সাহিত্য সম্পৰ্কে:—এই বাৰ কমলাদেৱী শিশু সাহিত্য চিৰিজৰ অৰ্থে সম্মিলনত গৃহীত হোৱা প্ৰস্তাৱ অনুসাৰে,

১। মহাৰাজা নৰনাৰায়ন
২। মোমাই তামুলি বৰ বৰুৱা আৰু
৩। মনিৰাম দেৱানৰ

চমু জীৱনি তিনিখন লিখিবৰ কাৰণে জাননী আদি ছপাই কেইবা বাৰো ঘোষণা কৰা হৈছে। আৰু প্ৰত্যেক খনত ৫০৲ টকাকৈ পুৰস্কাৰ দিয়া হ'ব বুলি স্থিৰ কৰা হৈছে। অহা জানুৱাৰী বা ফেব্ৰুৱাৰী মাহত হে এই কিতাপ পৰীক্ষা কৰি পুৰস্কাৰ দিয়া যাব। কিতাপ ৩১।১২।২৫ তাৰিখলৈকে লোৱা হ'ব।

(চ) অসমৰ বাহিৰৰ অসমীয়া মানুহৰ অসমীয়া ভাষা শিক্ষা সম্পৰ্কে:—অসমৰ বাহিৰত থকা অসমীয়া মানুহ আৰু আন ঠাইৰপৰা আহি অসমত বসতি কৰা মানুহৰ মাজত অসমীয়া ভাষা প্ৰচলন কৰিবৰ অৰ্থে তলত নাম দিয়া ভদ্ৰলোকসকলক অনুৰোধ কৰা হৈছিল।

১। মৌলবী ফিজনুৰ আলি M. L. C.
২। শ্ৰীযুত কামাখ্যাৰাম বৰুৱা M. L. C.
৩। শ্ৰীযুত নীলমণি ফুকন M. L. C.
৪। শ্ৰীযুত বিপিনচন্দ্ৰ ঘোষ M. L. C. আৰু
৫। শ্ৰীযুত বিষ্ণুচৰণ বৰা M. L. C.

তেখেতসকলে নিজে নিজে এই বিষয়ে যথাসাধ্য যত্ন লৈছে বুলি আশা কৰা হৈছে।

(ছ) বৃত্তমঞ্জৰী ছপা কৰা সম্পৰ্কে:—এই কমিটিৰ সম্পাদক অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা M. A. B. L. বিদ্যাবিনোদ মহাশয়ৰ লগত চিঠি পত্ৰ লিখা লিখি কৰা হৈছিল। আৰু বৃত্তমঞ্জৰী ফণ্ডৰ যি সোতৰ টকা কণ আমাৰ হাতত আছিল তাকো শ্ৰীযুত ভূঞা দেৱলৈ পঠোৱা হৈছিল। ইয়াৰ উপৰিও শ্ৰীযুত ভূঞা দেৱলৈ লিখা হৈছিল যে তেজপুৰ সম্মিলনত প্ৰতিশ্ৰুত দানৰ টকা খিনি আদায় কৰি বৃত্তমঞ্জৰীৰ কামত খৰচ কৰিব লাগে। কিন্তু অনেক চেষ্টাৰ পাচত ভূঞা দেৱে সেই তেজপুৰৰ প্ৰতিশ্ৰুত দানৰ টকা আদায় হ'বৰ সম্ভাৱনা নাই বুলি আমালৈ চিঠি লিখে। এই কাৰণে টকাৰ অভাৱত এই কাম স্থগিত আছে। এতেকে আন প্ৰকাৰে টকাৰ কিবা এটা সুবিধা কৰিব নোৱাৰিলে, বৃত্তমঞ্জৰী ছপোৱা বৰ টান হৈ উঠিছে।

(জ) হেমচন্দ্ৰ বৰুৱা সোৱঁৰনি ফলি স্থাপন সম্বন্ধে:—তেখেতৰ শেষ কৰ্ম্মস্থান গুৱাহাটীত এখনি মাৰ্‌বেল পাথৰৰ ফলি স্থাপন কৰিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সভাৰ ভাৰ দিয়া হৈছিল। কলিকতাৰ শ্ৰীযুত লক্ষ্মীধৰ শৰ্ম্মা M. A. দেৱৰ তত্ত্বাৱধানত এখন মাৰ্‌বেলৰ ফলি তৈয়াৰ কৰাই অনা হ'ল।



শ্ৰীযুত সিদ্ধিনাথ শৰ্ম্মা দেৱে আসাম সাহিত্য সভাক যিখিনি মাটি দান কৰিছে, সেই মাটিতে এই ফলি স্থাপন কৰিবলৈ গুৱাহাটী অঃ ভাঃ উঃ সাঃ সভাৰ সম্পাদক শ্ৰীযুত হৰমোহন দাস আৰু শ্ৰীযুত সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী মহাশয়ক ভাৰ দিয়া হৈছে।

তেখেতসকলে এই ফলি বৰ্ত্তমান মাহৰ ২০ তাৰিখ ৰবিবাৰৰ দিনা স্থাপন কৰা হ'ল বুলি লিখিছে। এই কাৰ্য্যত কিমান টকা খৰচ হ'ব আমি এতিয়াও সঠিককৈ ক'ব নোৱাৰোঁ। এই কাৰ্য্যবিবৰণী যেতিয়া ছপা কৰা হ'ব তেতিয়া তাত খৰচ আদিৰ বিষয় ভালকৈ লিখা হ'ব।

আমাৰ সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ ৺গোপালকৃষ্ণ দে মহাশয়ে এই প্ৰস্তাৱ সম্মিলনত উত্থাপন কৰে আৰু অনেক পৰিশ্ৰম কৰি ফলি স্থাপনৰ মাটি বাৰীৰ স্থিৰ কৰে। অতি শোকৰ কথা যে এই কাম সম্পূৰ্ণ হোৱা দেখিবলৈ তেওঁ নাথাকিল।

(ঝ) চৰকাৰী অফিচৰ ফৰম আদিত অসমীয়া ভাষা ব্যৱহাৰ কৰা সম্পৰ্কে:—এই বিষয় আসাম গৱৰ্ণমেণ্টৰ লগত লিখা লিখি হ'ল। গৱৰ্ণমেণ্টৰপৰা সহানুভূতি জ্ঞাপক উত্তৰ পোৱা হৈছে। অলপ দিনৰ ভিতৰতে ৰেলষ্টেচন, জাহাজঘাট, ডাকঘৰ আৰু সকলো চৰকাৰী অফিচত অসমীয়া ভাষাৰো ব্যৱহাৰ চলিব বুলি আশা কৰা যায়।

৩। সভাৰ আন আন কাৰ্য্য।

(ক) ডিব্ৰুগড়ৰ মৌলবী মফিজুদ্দিন আহম্মদ হাজৰিকাৰ সাহিত্য পেঞ্চন সম্বন্ধে আজি বহুত দিনৰপৰা গৱৰ্ণমেণ্টৰ লগত লিখা লিখি চলিছে। গৱৰ্ণমেণ্টে হাজৰিকা মহাশয়ৰপৰা কেইখনমান হাতে লিখা পুথিও খুজি নিছে। কিন্তু শেষ সিদ্ধান্ত আজিলৈকে আমাক জানিবলৈ দিয়া নাই।

(খ) আগৰ বছৰৰ কাৰ্য্য-বিবৰণীত কোৱা হৈছে যে, আসামৰ পুৰণি পুথি আদি সংগ্ৰহ আৰু ৰক্ষণৰ কাৰণে মাননীয় শিক্ষা মন্ত্ৰীৰ লগত যোৱা বছৰ যোৰহাটৰ চাৰ্কিট হাউচত আলোচনা কৰা হৈছিল। আৰু মন্ত্ৰী মহোদয়ে এই বিষয় বিশেষৰূপে বিবেচনা কৰি চাব বুলি মত প্ৰকাশ কৰিছিল।

(গ) অসম উপত্যকাত এটা মিউজিয়ম্ স্থাপন কৰা সম্বন্ধে:—

এই সম্বন্ধেও চিঠি ব্যৱহাৰ চলি আছে। কিন্তু একো শেষ মীমাংসা হোৱা নাই। যোৱা বছৰ অনুৰোধ কৰা হৈছিল। কিন্তু টকাৰ অভাৱত গৱৰ্ণমেণ্টে এই বিষয়ে একো কৰিব নোৱাৰিলে বুলি সম্বিধান দিয়ে। এই বছৰ পুনৰ গৱৰ্ণমেণ্টক এই অনুৰোধ জনোৱা হৈছে।

(ঘ) অসম গৱৰ্ণমেণ্টে কিছুমান পুৰণি পুথি ইংৰাজীলৈ অনুবাদ কৰি উলিয়াবৰ আয়োজন কৰিছে বুলি জানিব পাৰি গৱৰ্ণমেণ্টলৈ লিখা হৈছিল। তাৰ উত্তৰ পোৱা হৈছে।

I am ( Second Secy. ) directed to acknowledge the receipt of your letter, dated 5th. July 1925, addressed to Mr Mahammad Chaudhury in which you make enquiries about the translation of the Assamese Puthis and to thank you for your offer of assistance. The assistance will be very welcome.

The Government propose to translate four Puthis in each year and to publish the Assamese text and the English translation together.

It will be of assistance if you cau give the names of any men who are able and willing to undertake the translation of any Puthi.

The Government will be glad also to know the terms on which they would work. The Government propose to offer to such gentlemen a lump sum for each work taken up, to be paid on completion of the work of translation and transliteration, provided the transliteration and translation have been done in satisfactory manner. Obviously, each Puthi will have to be the subject of a separate

contract, because the Puthis vary in size and the work of deciphering the writing varies in difficulty.

( ঙ ) অসমৰ পুৰণি পুথি সংগ্ৰহ কৰাৰ কাৰণে চেষ্টা :—

এই বিষয়ে ডিব্ৰুগড়ৰ শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱা ডাঙ্গৰীয়াই যথেষ্ট অৰ্থ সাহায্য কৰিবলৈ ডিব্ৰুগড় সন্মিলনত প্ৰতিশ্ৰুত হয়। তেখেতলৈ তেতিয়াৰেপৰা অনেক চিঠি লিখা হ'ল। কিন্তু আজি পৰ্য্যন্ত বৰুৱা দেৱে এই বিষয়ে একো সমিধান দিয়া নাই।

( চ ) কৃষি বিষয়ক পুথি প্ৰনয়ন সম্বন্ধে : যোৱা ডিব্ৰুগড়ত বহা ষষ্ঠ সন্মিলনত ৰায় বাহাদুৰ শ্ৰীযুত কনকলাল বৰুৱা আৰু পণ্ডিত শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী ই, এ, চি, মহাশয়ে ১০০৲ টকা পুৰস্কাৰ আগ বঢ়াইছিল। কিন্তু অনেক চিঠি লিখিও তেখেতসকলৰপৰা এই টকা বা এই সম্বন্ধে একো নিষ্পত্তি আজিলৈকে পোৱা নাই।

এই বিষয়ে অসম ভেলিৰ Agriculture Superintendent মৌলবী ফজলল্ হক আহম্মদ B. A. G. M. R. A. S. মহাশয়ে আমি খোজাত, এখনি সুন্দৰ চিলেবাচ্ প্ৰণয়ন কৰি দিছে। এই বাবে আমি তেখেতৰ শলাগ লৈছো।

এতিয়া উক্ত মহোদয়সকলৰপৰা টকাখিনি পালেই আমি এই কাম আৰম্ভ কৰিব পাৰিম।

( ছ ) আহোম ভাষা শিক্ষা দিয়া সম্বন্ধে :—এই বিষয়ে এটা ব্যৱস্থা বাকি থোৱাই আছে। টকাৰ অভাৱত এই কামো হাতত ল'ব পৰা নাই।

( জ ) অসমীয়া থিয়েটাৰ ঘৰবিলাকত যাতে মৌলিক অসমীয়া নাট অভিনীত হ'ব পাৰে, তাৰ অৰ্থে যত্ন লবলৈ অনুৰোধ কৰি থিয়েটাৰবিলাকৰ গৰাকীসকললৈ চিঠি লিখা হৈছিল। তাৰ ফলত যোৱা বাৰ অনেক ঠাইতে তেনেকুৱা নাটৰ অভিনয় হৈ গৈছে। এই উপলক্ষত তেজপুৰ বান থিয়েটাৰৰ সাধু চেষ্টা বিশেষ প্ৰশংসাৰ যোগ্য।

( ঝ ) সন্মিলনলৈ অহা প্ৰতিনিধিসকলৰ ৰেল ভাৰা সম্বন্ধে :—সন্মিলনলৈ আহিব খোজা প্ৰতিনিধিসকল কম ভাৰাত যাতে সন্মিলনলৈ আহিব পাৰে, এই অৰ্থে শ্ৰীযুত তাৰাপ্ৰসাদ চলিহা মহাশয়ৰ লগত অনেক যত্ন কৰা হৈছিল। কিন্তু এই বিষয় কৃতকাৰ্য্য হ'ব পৰা ন'হল। এই সম্পৰ্কে অসম কাউন্সিলত চলিহা মহাশয়ে প্ৰশ্ন তুলিছিল। এই বিষয় যত্ন কৰা বাবে চলিহা মহাশয় আৰু তেখেতৰ সহকাৰী কাউন্সিলাৰসকল আমাৰ শলাগৰ পাত্ৰ।

৪। অফিচ ঘৰ।

ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙ্গৰীয়াই সভাৰ ব্যৱহাৰৰ অৰ্থে দান কৰা 'চন্দ্ৰকান্ত সন্দিকৈ হল'ত যোৱা ২৮ ফেব্ৰুৱাৰী ( ১৯২৫ ইং ) তাৰিখৰপৰা সভাৰ কেন্দ্ৰ কাৰ্য্যালয় স্থাপিত হৈছে। এতিয়া ঘৰৰ কাম সম্পুৰ্ণ শেষ হৈছে। কিন্তু "কম্পাউণ্ড"ৰ কাম অলপ বাকী। এই ঘৰৰ লাগতিয়াল বস্তু, মেজ, চকী, আলমাৰি, ইলেকট্ৰিক বত্তি আৰু পাংখা আদিৰে অতি বিতোপন ৰূপে সজাই ৰায় বাহাদুৰ সন্দিকৈ ডাঙ্গৰীয়াই ঘৰটো সভাক ব্যৱহাৰ কৰিবলৈ দিছে। এই ঘৰ সজা ঠাই বন্দোবস্ত পাবলৈ গৱৰ্ণমেণ্টক ধৰা হৈছে। ইয়াৰো শেষ মীমাংসা হোৱা নাই।

৫। শ্ৰীল শ্ৰীশ্ৰীযুক্ত দক্ষিণপাটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে "নৰদেৱ' মন্দিৰ সাজিবৰ কাৰণে আগেয়ে যি পাঁচ হাজাৰ টকা সভাক দান কৰিছিল,

দক্ষিণপাটৰ দান।

এতিয়া সভাৰ অনুৰোধ ৰক্ষা কৰি প্ৰভুদেৱে সেই টকাৰে সংস্কৃত গ্ৰন্থ আৰু আন আন পুৰণি পুথি প্ৰকাশ কৰিবলৈ সভাক আদেশ দিছে।

এই টকাৰ এটি 'ট্ৰাষ্টফণ্ড" কৰি তাৰ সুদেৰে বছৰি এখন দুখনকৈ পুৰণি পুথি প্ৰকাশ কৰিবলৈ সাহিত্য সভাই মান্তি হৈছে। এই বছৰ এই টকাৰ সুদেৰে ৺নীলকণ্ঠ দাস কৃত ৺দেৱ দামোদৰৰ জীৱন চৰিত্ৰখন ছপা কৰি উলিয়াবলৈ আয়োজন কৰা হৈছে।

দক্ষিণপাটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ ট্ৰাষ্টফণ্ড' ট্ৰাষ্ট বোৰ্ড্ এই সকলেৰে গঠিত হৈছে।

১। সভাৰ প্ৰধান সম্পাদক।

২। শ্ৰীযুত কুলধৰ চলিহা B. L. M. L. C.



৩। শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা B. L.

৪। মৌলবী কেৰামত আলি ( উকীল ) আৰু

৫। শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা।

এই দলিলখন তৈয়াৰ কৰি লগত অনা হৈছে। কিন্তু ৰেজিষ্টাৰি কৰা হোৱা নাই।

( দলিল—See file 3 )

৬। কমলাদেৱী শিশু সাহিত্য সম্বন্ধে :—কমলাদেৱী শিশু সাহিত্যৰ টকাৰো এটি "ট্ৰাষ্টফণ্ড" কৰি টকাটো জমা ৰখা হৈছে। ইয়াৰ ট্ৰাষ্ট বোৰ্ড এই দৰে গঠন কৰা হয়।

১। দাতা।

২। সভাৰ প্ৰধান সম্পাদক।

৩। শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক B. L.

৪। শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱা B. L. আৰু

৫। ৰায় বাহাদুৰ ৰাধাকান্ত সন্দিকৈ।

ইয়াৰো দলিলখন ৰেজিষ্টৰি হোৱা নাই। দলিলখন লগত অনা হৈছে।

( দলিল—See file 9 )

এই টকাৰ সুদেৰে শিশু সাহিত্যৰ প্ৰথম গ্ৰন্থ যোৱা বছৰ ঘোষণা কৰা গদ্যত লিখা সহজ মহাভাৰত আমি বাৰ খন পাইছিলো। এই বাৰ খনৰ ভিতৰত উৎকৃষ্ট খন বাছি দিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সভাই শ্ৰীযুত ঈশ্বৰ প্ৰসাদ বৰুৱা B. L. E. A. C. আৰু শ্ৰীযুত বিষ্ণু প্ৰসাদ দুৱৰা B. L. E. A. C. মহাশয়ক ভাৰ দিয়ে। তেখেতসকলৰ মত একে নোহোৱাত তেখেতসকলে তিনি খন মহাভাৰত বাছি দিয়ে। সেই তিনি খনৰে উৎকৃষ্টখন বাছি দিবলৈ কাৰ্য্য-নিৰ্ব্বাহক সভাই প্ৰধান সাহিত্যিক শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা B. A. ডাঙৰীয়াক ভাৰ দিয়ে। তেখেতে কিতাপ তিনি খন চাই শ্ৰীযুত যোগেশ্বৰ শৰ্ম্মা B. A. B. T. ডাঙৰীয়াই লিখা কিতাপ খন উৎকৃষ্ট বুলি বাছি দিয়ে।

কাৰ্য্য-নিৰ্ব্বাহক সভাই এই ২৫০৲ টকাৰ পুৰস্কাৰ শ্ৰীযুত যোগেশ্বৰ শৰ্ম্মা দেৱক দিবলৈ স্থিৰ কৰে। কিতাপ খন ছপা কৰিবৰ কাৰণে সাহিত্য সভাই শ্ৰীযুত শৰ্ম্মা দেৱক ১০০৲ টকা আগ বঢ়াই দিছে। বাকী টকা কিতাপ ছপা হৈ আহিলে দিয়া হ'ব। অলপ দিনৰ ভিতৰতে এই কিতাপ ছপা হৈ ওলাব।

৭। (ক) চন্দ্ৰকান্ত অভিধান সম্পৰ্কে :—এই অভিধান লিখিবলৈ যোৱা বছৰৰ ১৯।৯।২৪ তাৰিখৰ পৰা শ্ৰীযুত কোহিৰাম দাস B. A. মহাশয়ক মাহে

সন্দিকৈৰ দান।

৭৫৲ টকা দৰমহাত নিযুক্ত কৰা হয়। তেতিয়াৰেপৰা তেখেতে অকলৈ এই কাম কৰি আহিছে। কিন্তু এতিয়া তেখেতক এই কামত সহায় কৰিবৰ কাৰণে শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাক মাহে ২৫৲ টকা বেতনত নিযুক্ত কৰা হয়।

এই অভিধানৰ কাম চাবলৈ যোৱা বছৰত যি সম্পাদক বোৰ্ড আছিল, এই বাৰ সেই বোৰ্ড খন তলত নাম দিয়া ভদ্ৰলোক সকলেৰে ডাঙৰকৈ গঠন কৰা হয়।

১। ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ।

২। শ্ৰীযুত কুলধৰ চলিহা।

৩। শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা।

৪। শ্ৰীযুত দেৱেশ্বৰ চলিহা।

৫। শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক।

৬। শ্ৰীযুত বিষ্ণুপ্ৰসাদ দুৱৰা

৭। শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা।

৮। ৰায় চাহাব শ্ৰীযুত গোলাপচন্দ্ৰ বৰুৱা।

৯। শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী।

প্ৰত্যেক ৰবিবাৰে আৰু বুধবাৰে এই সম্পাদক বোৰ্ডে গধূলি ছয় বজাৰপৰা অভিধানৰ কাম চাব লাগে।

অভিধানৰ কাৰণে বহুত লোকক শব্দ গোটাই দিবলৈ অনুৰোধ কৰা হৈছিল। তাৰ ভিতৰৰ গৌৰীপুৰৰ শ্ৰীযুত পীতাম্বৰ চক্ৰৱৰ্ত্তী, আৰু শ্ৰীযুত হৰেন্দ্ৰনাথ শৰ্ম্মা, কামৰূপৰ শ্ৰীযুত ধৰ্ম্মনাথ শৰ্ম্মা আৰু যোৰহাটৰ শ্ৰীযুত লক্ষেশ্বৰ শৰ্ম্মাই বহুত নতুন শব্দ দিয়া বাবে, কাৰ্য্য-নিৰ্ব্বাহক সভাই তেখেতসকলক পুৰস্কাৰ স্বৰূপে কিছু কিছু টকা দিছে। আন আন অনেক ভদ্ৰলোকেও অনেক শব্দ দি সভাক সহায় কৰিছে।

ওপৰত কোৱা সম্পাদক বোৰ্ডে অভিধান লিখা সম্পৰ্কে কিছুমান নিয়ম স্থিৰ কৰি লৈছে। আৰু সেই নিয়ম অনুসৰি শ্ৰীযুত কোহিৰাম দাস মহাশয়ে অভিধান লিখিব ধৰিছে।

বৰ্ত্তমান স্বৰ বৰ্ণ শেষ হৈছে, আৰু ব্যঞ্জন বৰ্ণৰ দ্বিতীয় আখৰ "খ" শেষ হব লগীয়া হৈছেহি।

( খ ) চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰাষ্টফণ্ডৰ দলিল এই বছৰ ৰেজিষ্টৰি কৰা হ'ল। তলত নাম দিয়া লোকসকলেৰে বোৰ্ড গঠিত হৈছে।

১। শিৱসাগৰ জিলাৰ ডেপুটি কমিচনাৰ।
২। ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ।
৩। শ্ৰীযুত হিতেশ্বৰ বৰ বৰুৱা।
৪। শ্ৰীযুত কুলধৰ চলিহা।
৫। শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী।

৮। শ্ৰীশ্ৰীলশ্ৰীশ্ৰীযুক্ত আউনিআটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৱে অনুগ্ৰহ কৰি ৫৫০০৲

আউনি আটিৰ দান। টকা অসম সাহিত্য সভাক দান কৰে। এই টকা প্ৰভুৱে সভাৰ ইচ্ছাঅনুযায়ী খৰচ কৰিবলৈ আদেশ দিয়ে।

এই অৰ্থে সদৌ অসমীয়া ৰাইজৰ হৈ প্ৰভু ঈশ্বৰক ভক্তি, শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিবৰ অৰ্থে যোৱা ১২-১১-২৫ তাৰিখে চন্দ্ৰকান্ত সন্দিকৈ হলত ৰায় বাহাদুৰ শ্ৰীযুত কৃষ্ণকুমাৰ বৰুৱা ডাঙ্গৰীয়াৰ সভাপতিত্বত অসম সাহিত্য সভাৰ এখনি বিশেষ অধিবেশন বহে।

এই টকাৰ সুদ কি কামত কেনেকৈ খৰচ কৰা হ'ব তাৰ একো শেষ মীমাংসা হোৱা নাই।

৯। শাখা আৰু স্বীকৃত সভাৰ বিষয়েঃ—

যোৱা বছৰত স্বীকৃত সভা আমাৰ আছিল মুঠে ১৮ খন, এইবাৰ সেই ১৮ খনৰ লগতে আৰু ৭ খন যোগ হৈ মুঠ ২৫ খন হৈছে। ই বৰ আশা আৰু আনন্দৰ কথা।

যদিও আটাইবিলাক সভাৰ বছৰেকীয়া বিপৰ্ট পোৱা নাই, তথাপি তেওঁলোকসকলৰ চিঠি পত্ৰাদিৰ পৰা কিছু কথা বুজিব পাৰি। নতুনকৈ হোৱা স্বীকৃত সভাবিলাকৰ ভিতৰত ডুমডুমা সাহিত্য সভাই বিশেষ কাম কৰা দেখা গৈছে। নলবাৰী সাহিত্য সভাই এই বছৰত চাৰিটা অধিবেশন বহুৱাই, তাত অসমীয়া ৰামায়ন আৰু নাট্য সাহিত্য সম্বন্ধে সুন্দৰ ৰূপে আলোচনা কৰিছিল। এই সভাই ৺ শঙ্কৰ দেৱৰ ৰচিত নাটক এখনি ছপাবলৈ হাতত লৈছে। চকুৱাখনা সাহিত্য সভাই এই বছৰত এটি লাগতিয়াল কাম কৰিছে।

চৈগুৰি নামে গাৱঁত এখন শিলৰ বংশীবদন মূৰ্ত্তী (৭½" ওখ) এঘৰ মানুহৰ চোতালৰ মাটিৰ তলত অনুসন্ধান কৰি পাইছে। সেই মূৰ্ত্তীখন বৰ্ত্তমান পোৱা ঠাইতে স্থাপন কৰিছে।

উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ সম্পাদক মৌলবী মহম্মদ চাদিৰ হুচেন চাহাবে "জননী" নামে মাহেকীয়া কাকত এখনি উলিয়াই, সেই অঞ্চলত সাহিত্য প্ৰচাৰৰ অৰ্থে অশেষ যত্ন কৰিছে। আশা কৰোঁ, সকলোৱে তেওঁতক এই কামত উৎসাহ দিব।

গুৱাহাটী অঃ ভাঃ উঃ সাঃ সভাই এই বছৰত ৬ টা অধিবেশন বহুৱাইছিল। আৰু কেইবাটিও সাৰুৱা প্ৰবন্ধ পাঠ কৰাইছিল। ডিব্ৰুগৰ সাহিত্য সভাতো এই দৰে প্ৰবন্ধ আদি পাঠ হৈছে। বঙ্গালি সাহিত্য সভাই বৰ উদ্যমেৰে কাম আৰম্ভ কৰিছে। বাকী সভাবিলাকতো কিছু কিছু কাম হৈছে।

আমাৰ স্বীকৃত সভাবিলাকৰ আৰু তাৰ সম্পাদৰ সকলৰ নাম তলত দিয়া হল।

১। ডিব্ৰুগৰ সাহিত্য সভা — শ্ৰীযুত পদ্মধৰ চলিহা। মৌঃ মফিজুদ্দিন আহমদ হাজৰিকা।
২। চকুৱাখনা „ „ — শ্ৰীযুত চন্দ্ৰশেখৰ দাস।
৩। নগাঁও „ „ — শ্ৰীযুত থুলেশ্বৰ মহন্ত।
৪। তেজপুৰ সাৰস্বত সমাজ — শ্ৰীযুত বেনুধৰ দাস।
৫। শিৱসাগৰ সাহিত্য সভা — শ্ৰীযুত লক্ষীকান্ত বৰুৱা।
৬। গুৱাহাটী অঃ ভাঃ উঃ সাঃ সভা — শ্ৰীযুত জলতিৰাম বৰ্ম্মা ভূঞা লহকৰ।
৭। গৌৰীপুৰ সাহিত্য সভা — শ্ৰীযুত পীতাম্বৰ চক্ৰবৰ্ত্তী।
৮। নলবাৰী „ „ — শ্ৰীযুত শ্ৰীকান্ত ভট্টাচাৰ্য্য।
৯। যোৰহাট „ „ — শ্ৰীযুত দেৱেশ্বৰ চলিহা।
১০। মাজুলী „ „ — শ্ৰীযুত বেথাৰাম বৰা।
১১। বৰদলনী „ „ — শ্ৰীযুত পদ্মৰাম দত্ত।
১২। দেৰগাঁও „ „ — শ্ৰীযুত ইন্দ্ৰেশ্বৰ শৰ্ম্মা বৰুৱা।
১৩। বৰনগৰ „ „ — শ্ৰীযুত দধিনাথ গোস্বামী।
১৪। টেঙ্গাখাট „ „ — শ্ৰীযুত হেমচন্দ্ৰ কোঁৱৰ।



১৫। বগৰীবাৰী সাহিত্য সভা — শ্ৰীযুত হৰিদয়াল পাঠক।
১৬। উত্তৰ লক্ষীমপুৰ „ „ — মৌঃ মহম্মদ চাদিৰ হুচেন।
১৭। গোলাঘাট „ „ — শ্ৰীযুত গোপালচন্দ্ৰ গোস্বামী
১৮। যোৰহাট মৰিয়নী আলোচনী — শ্ৰীযুত জগদীশপ্ৰসাদ বৰুৱা।
১৯। কলিকতা সভা — শ্ৰীযুত লক্ষীধৰ শৰ্ম্মা।
২০। বঙ্গালী সাহিত্য সভা — শ্ৰীযুত ভৈৰৱচন্দ্ৰ খাটনিয়াৰ।
২১। চলপুৰ „ „ — শ্ৰীযুত হৰিপদ দত্ত।
২২। ডুমডুমা „ „ — শ্ৰীযুত মিঠাৰাম গোহাই।
২৩। খেকাপাৰা ( গোৱালপাৰা ) সাহিত্য সভা — শ্ৰীযুত ধনকান্ত দেৱ অধিকাৰী।
২৪। তেজপুৰ অঃ ভাঃ উঃ সাঃ সভা — শ্ৰীযুত চন্দ্ৰকান্ত বৰুৱা।
২৫। ধুবুৰী সাহিত্য সভা — শ্ৰীযুত প্ৰমথনাথ চক্ৰবৰ্ত্তী।

তলত আৰু মৰা সভাবিলাকৰপৰা ১৯২৫ চনৰ বৰঙ্গনি এতিয়াও পোৱা হোৱা নাই।

১০। সভ্য। যোৱা বছৰ সন্মিলনৰ সময়ত সাহিত্য সভাৰ নিয়মমতে ভুক্ত হোৱা সভ্য ৮৩ জন আছিল। এই বছৰ ২০৮ জনলৈ উঠিছে। ইয়াৰ ভিতৰত তলত নাম দিয়া ভদ্ৰলোকসকল বৰঙ্গনি দি স্থায়ী সভ্য ভুক্ত হৈছে।

১। শ্ৰীযুত তাৰাপ্ৰসাদ চলিহা।
২। শ্ৰীযুত নন্দেশ্বৰ চক্ৰবৰ্ত্তী।
৩। শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা।
৪। ৰায় চাহাব শ্ৰীযুত গঙ্গাৰাম চৌধুৰী।
৫। শ্ৰীযুত জিতেন্দ্ৰকুমাৰ দাস।
৬। শ্ৰীযুত লক্ষীনাথ বেজবৰুৱা।
৭। শ্ৰীযুত ৰজনীকান্ত বৰদলৈ।

আৰু তলত নাম দিয়া লোকসকলেও স্থায়ী সভ্য হ'ব বুলি প্ৰতিশ্ৰুত হৈছে।

১। শ্ৰীযুত দুৰ্গেশ্বৰ শৰ্ম্মা।
২। ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাই বৰুৱা।
৩। শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা।
৪। শ্ৰীযুত কালীৰাম মেধি।
৫। শ্ৰীযুত বিষ্ণুপ্ৰসাদ দুৱৰা।
৬। শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা।
৭। পণ্ডিত শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী।
৮। শ্ৰীযুত যাদৱপ্ৰসাদ চলিহা।

১১। কাৰ্য্য নিৰ্ব্বাহক সভাৰ সম্পৰ্কে :—কাৰ্য্য-নিৰ্ব্বাহক সভাৰ সভ্যসকলৰ ভিতৰত শ্ৰীযুক্ত হিতেশ্বৰ বৰ বৰুৱা ডাঙ্গৰীয়াই দূৰৈত থকাৰ বাবে এখনো কাৰ্য্য-নিৰ্ব্বাহক সভাত যোগ দিব নোৱাৰিলে।

ৰায় চাহাব শ্ৰীযুত দুৰ্গাধৰ বৰ কটকী আৰু ৰায় চাহাব শ্ৰীযুত গোলাপচন্দ্ৰ বৰুৱা ইবিলাক দুজনেও কাৰ্য্যান্তৰত ব্যাপৃত থকা হেতুকে তিমান পৰিমানে যোগ দিব পৰা নাই। শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাই অভিধানৰ কাৰ্য্যকাৰক নিযুক্ত হোৱাত সহঃ সম্পাদকৰ বাব ইস্তফা দিব লগাত পৰে।

বিষয় ববীয়া সভ্য—শ্ৰীযুত বেণুধৰ শৰ্ম্মা প্ৰচাৰকে প্ৰচাৰ কামৰপৰা অৱসৰ পোৱাত তেওঁৰ ঠাইত শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা ডাঙ্গৰীয়াক কাৰ্য্য-নিৰ্ব্বাহক সভাৰ সভ্য নিযুক্ত কৰি লোৱা হয়। সভাৰ হিচাব পৰীক্ষক শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা ডাঙৰীয়া গোলাঘাটলৈ বদলি হোৱাত, তেওঁৰ ঠাইত শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা ডাঙৰীয়াক সভাৰ হিচাব পৰিদৰ্শক নিযুক্ত কৰে।

এই বছৰত কাৰ্য্য-নিৰ্ব্বাহক সভাৰ ১৬টা অধিবেশন বহে।

সভাৰ সহকাৰী সম্পাদক শ্ৰীযুত হৰিনাথ পাঠক চৌধাৰীয়ে এই বছৰত অতি যত্নেৰে কাম কাজ কৰিবলৈ লৈছিল। কিন্তু দুৰ্ভাগ্য গতিকে বছৰৰ শেষৰ ফালে তেওঁৰ টান নৰিয়া হোৱাৰ কাৰণে সভা তেওঁৰ সহায়ৰ পৰা বঞ্চিত হৈছে।

শ্ৰীযুত নকুলচন্দ্ৰ ভূঞাই সহকাৰী সম্পাদক থকা কাল খিনিত অতি আগ্ৰহেৰে সকলো কাম কৰি গৈছিল। তাৰ পাচতো তেওঁৰপৰা সদায় নানা প্ৰকাৰ সহায় পোৱা হৈছে। এওঁবিলাক দুয়োজন সভাৰ বিশেষ ধন্যবাদৰ পাত্ৰ।

১২। সভাৰ হিচাব।

জমা।

| | | |
|---|---|---|
| পূৰ্ব্বৰ জমা | ... ... | ৯৫৬৩৷৹৬ পাই |
| নতুন জমা :— | | |
| বৰঙ্গনি | ... ... | ১৪৪৬৷০ অনা। |
| ভৰ্ত্তি ফি | ... ... | ৫৭৲ টকা |
| এককালীন দান | ... | ১২৬৲ ,, |
| ট্ৰাষ্টফণ্ডৰ জমা | ... | ২৪০০ ,, |
| সুদ | ... ... | ৪৮৮৵ অনা |
| | মুঠ | ১৩৬৪১৷৵৬ পাই |

খৰচ।

| | | |
|---|---|---|
| সভাৰ নিৰ্দ্দেশ মতে | | |
| খৰচ | ... ... | ৩৭২৲ টকা |
| সাধাৰণ খৰচ | ... ... | ২৯৩/৯ পাই |
| কৰ্ম্মচাৰীৰ বেতন | ... | ৪৫১৲ টকা |
| অন্য খৰচ | ... ... | ২৭৬৶০ অনা |
| ট্ৰাষ্টফণ্ডৰ খৰচ | ... ... | ২৫০২।/৬ পাই |
| | মুঠ | ৩৬৪৬৷৶৩ পাই |
| মুঠ জমা | | ১৩৬৪১৷৵৬ পাই |
| মুঠ খৰচ | | ৩৬৪৬৷৵৩ পাই |
| বাকী জমা | | ৯৯৯৫৶৩ পাই। |

১৩। সাহিত্য সভাৰ অফিচ সম্বন্ধে।

অসম সাহিত্য সভাৰ অফিচ আগেয়ে যোৱা বছৰত গধূলি পাচ বজাৰপৰা ৰাতি ন বজালৈ বহিছিল। কিন্তু আজি কালি কাম বেচি হোৱা গতিকে অফিচৰ সময় আৰু ৩½ ঘণ্টা বঢ়াই দিয়া হৈছে। অৰ্থাৎ দিনৰ ১১½ বজাৰপৰা আবেলি ৩ বজালৈ আৰু গধূলি ৫ বজাৰপৰা ৰাতি ৯ বজালৈ অফিচ বহে।

অফিচৰ কাম কাজৰ সম্বন্ধে তলত লিখা কথাখিনিৰ পৰা সকলো বুজিব পাৰিব।

বৰ্ত্তমান অফিচৰ ফাইল—৯+৩৩=৪২টা

১৯২৪ চনৰ দিয়া চিঠিৰ নম্বৰ————৭৯৫

" " পোৱা চিঠিৰ নম্বৰ————২০২

১৯২৫ চনৰ দিয়া চিঠিৰ নম্বৰ————১৭২০

" " পোৱা চিঠিৰ নম্বৰ————৩৩৪

ইমানখিনি কাম আৰু তাৰ উপৰি ওপৰত কোৱা হিচাবৰপৰা সাহিত্য সভাৰ কাৰ্য্য যিমান ব্যাপৃত হৈছে, তাক সহজতে অনুমান কৰিব পাৰি। সভাৰ কেৰাণী শ্ৰীযুত হৰেশ্বৰ ভট্টাচাৰ্য্যই আজি দুবছৰে, সময় অসময় বন্ধ অবন্ধ, সুবিধা অসুবিধালৈ কাণ নকৰি সভাৰ সকলোবিলাক কাৰ্য্য ভাল দৰে সম্পন্ন কৰাৰ কাৰণে, তেওঁ আমাৰ শলাগৰ পাত্ৰ।

১৪। তলত নাম দিয়া লোকসকলৰ মৃত্যুত এই সভাই গভীৰ শোক প্ৰকাশ কৰে।

১। মহাৰাণী এলেকজেন্দ্ৰীয়া
২। ৺ সিংহদত্ত দেৱ অধিকাৰী
৩। ৺ গোপাল কৃষ্ণ দে
৪। ৺ গোপালচন্দ্ৰ ভূঞা
৫। ৺ বেথাৰাম শৰ্ম্মা ৰায় বাহাদুৰ, আৰু
৬। ৺ সত্যনাথ বৰা।

ৰাজমাও এলেকজেন্দ্ৰীয়া প্ৰজা মাত্ৰৰে ভক্তি আৰু শ্ৰদ্ধাৰ পাত্ৰী আছিল। ৺ সিংহদত্ত অধিকাৰীৰ ডেকা বয়সত মৃত্যুত অসমীয়া সাহিত্যৰ পূৰাব নোৱাৰা ক্ষতি হ'ল। ৺ গোপালকৃষ্ণ দেৱ উৎসাহ আৰু সাহিত্য চৰ্চ্চা আমাৰ সভাৰ এটা প্ৰধান সম্পদ আছিল। ৺গোপালচন্দ্ৰ ভূঞা এজন সুললিত কবিতালিখক আছিল। ৰায় বাহাদুৰ বেথাৰাম শৰ্ম্মা ডাঙ্গৰীয়াই বৃদ্ধ বয়সতো ডেকাৰ দৰে আমাৰ সন্মিলনত যোগ দি আমাক আশা আৰু উৎসাহৰ বাণী শুনাইছিল। শেষত অসমীয়া সাহিত্যৰ ওপৰত দাৰুণ বজ্ৰপাত হ'ল। ৺ ডাঙ্গৰীয়া সত্যনাথ বৰাৰ অকাল আৰু আকস্মিক মৃত্যুত আমাৰ সাহিত্যৰ বহুতো হানি হল।

আমি বৰা ডাঙ্গৰীয়াক সভাপতিৰ আসনত পাবলৈ কিমান হেপাহ কৰিলোঁ! ভগৱন্ত পুৰুষে আমাৰ সেই বাঞ্ছা অসম্পূৰ্ণ কৰি ৰাখিলে।

১৫। (ক) অসম সাহিত্য সভাৰ সকলোবিলাক সংবাদ সময়ে সময়ে অসমীয়া বাতৰি কৃতজ্ঞতা স্বীকাৰ। আৰু মাহিলী কাকতবিলাকে প্ৰকাশ কৰি থকাৰ কাৰণে সেইবিলাকৰ গৰাকীসকলৰ আমি শলাগ লৈছোঁ।



Times of Assam ৰ গৰাকীসকলে সেই কাকত আন সাহিত্য সভাক বিনা মূল্যে দিয়াৰ কাৰণে তেখেত সকলৰ ওচৰত সভা বিশেষ ৰূপে কৃতজ্ঞ।

(খ) শ্ৰীযুত ঈশ্বৰপ্ৰসাদ বৰুৱা B. L. E A. C. ডাঙ্গৰীয়াই প্ৰায় দুশ টকা মান মূল্যৰ (Harmsworth's History of the world in 15 volumes) এখন কিতাপ অসম সাহিত্য সভাক দান কৰে। এই বিষয়ে আমি সকলোৱে তেখেতৰ শলাগ লৈছোঁ।

১৬। আমাৰ জ্ঞান বুদ্ধি আৰু সামৰ্থ্যৰ জোখাই সাহিত্য সভাৰ কাৰ্য্য ওপৰত কোৱা দৰে চলোৱা হৈছে।

সামৰণি। প্ৰকৃততে ইং ১৯২৩ চনৰ এপ্ৰিল মাহত যোৰহাটত বহা পঞ্চম সাহিত্য সন্মিলনৰপৰাহে সাহিত্য সভাৰ কাৰ্য্য আৰম্ভ হোৱা বুলিব লাগে। তেতিয়াৰপৰা এতিয়াও তিনি বছৰ হোৱা নৌ হয়। এই কালখিনিৰ ভিতৰত সাহিত্য সভাই যোৰহাট নগৰৰ কেন্দ্ৰ ঠাইত চৰকাৰৰপৰা এডোখৰ সুন্দৰ মাটি পাইছে। আৰু তাৰ ওপৰত প্ৰায় ১৭০০০৲ হাজাৰ টকাৰে বিত্তোপন চন্দ্ৰকান্ত সন্দিকৈ হল স্থাপন কৰি, সভাৰ স্থায়ী অফিচ, লাইব্ৰেৰী আদিৰ ব্যৱস্থা কৰিব পাৰিছে।

তাৰ উপৰি, ২৭৫০০৲ টকা সভাৰ স্থায়ী ভঁৰাল স্বৰূপে পোৱা হৈছে। এই ভঁৰালৰপৰা স্থায়ী ৰূপে বছৰি বছৰি নন কাম হৈ থাকিবৰ দিহা হৈছে।

দিন গৈ থাকে মানে এইবিলাক কামৰ বাহুল্য বাঢ়ি গৈ থাকিব; আৰু এই ফণ্ডবিলাকৰ সহায়েৰে সভাই যি গ্ৰন্থ প্ৰকাশ কৰে, তাৰ আয়ৰপৰা সাহিত্য সভাৰ আয়ো বাঢ়ি গৈ থাকিব।

ইয়াৰ বাহিৰেও, সাহিত্য সভাৰ নিজা প্ৰায় ৩০০০৲ (তিনি হাজাৰ) টকা গোট খাইছে। আৰু বছৰি স্থায়ী আয়ৰো দিহা হৈছে।

এইবিলাকৰপৰা ভাঠি ক'লে একো জগৰ ন'হব যে সাহিত্য সভাৰ ভেঁটি অতি দৃঢ় আৰু স্থায়ী ৰূপে বন্ধা হৈছে। কিন্তু এই ভেঁটিৰ ওপৰত অসমীয়া সাহিত্যৰ উজ্জ্বল সৌধ বান্ধি তুলিবলৈ এতিয়াও অনেক কাম বাকী। এই অৰ্থে আমাক ৰাইজৰ সহানুভূতি লাগে, ৰাইজৰ অৰ্থ সাহায্য লাগে, ৰাইজৰপৰা আমাৰ কামৰ ন্যায় বিচাৰ লাগে আৰু উপযুক্ত যেন দেখিলে, একো আষাৰ উৎসাহ বাণীও লাগে।

সকলো প্ৰকাৰে বৰ্ত্তমান সময়টো অসমীয়া জাতিৰ সঙ্কটৰ অৱস্থা। এই সময়ত ব্যক্তিগত ক্ষুদ্ৰ স্বাৰ্থৰ কাৰণে বা হীন ঈৰ্ষাৰ বশীভূত হৈ, উদ্দেশ্যহীন বাদ বিসম্বাদ কৰি আমি কাল কটালে আমাক জাতি-বধ পাতকে চুব, আৰু আমি একালে আমাৰ পিতৃ পুৰুষসকলৰ শাওত পৰিম, আৰু আন কালে আমাৰ লৰাছোৱালীহঁতৰ গৰিহণাৰ পাত্ৰ হ'ম। এই সঙ্কত সময়ত অসমীয়া অসমীয়াক লাগে প্ৰকৃত একতা—উদ্দেশ্যত একতা, ভাৱত একতা, কৰ্ম্মত একতা। প্ৰাৰ্থনা কৰোঁ, জগতৰ যি বিধাতা, তেওঁ অসমীয়া জাতিক এই বল, এই সহায় আৰু এই বুদ্ধি দিব।

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী।
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা,
যোৰহাট।

নগাঁও অষ্টম সাহিত্য সন্মিলনত গৃহীত হ'ল।

শ্ৰীৰজনীকান্ত বৰদলৈ।
সভাপতি।
২৭।১২।২৫

## অষ্টম সাহিত্য সন্মিলনৰ কাৰ্য্য-বিবৰণী ।

সন্মিলন বহা ঠাই :—নগাঁও কোৰ্টৰ উত্তৰত থকা পথাৰ ।

সন্মিলন বহা সময় :—২৭ ডিচেম্বৰ, ২ বজাৰপৰা
( আবেলি )

২৮ ডিচেম্বৰ, সংগীত সঙ্ঘ ।
( আবেলি ২ বজাৰপৰা )

২৯ ডিচেম্বৰ, বুৰঞ্জী বিভাগৰ সভা ।
( পুৱা ৮॥ বজাৰপৰা )

সাহিত্য সন্মিলন ।
( আবেলি ২ বজাৰপৰা )

ইং ১৯২৫ চনৰ বৰ দিনৰ বন্ধত অসম সাহিত্য সন্মিলন গুৱাহাটীত বহে । তাতে শ্ৰীযুক্ত বিষ্ণুচৰণ বৰা B. L. M. L. C. ডাঙ্গৰীয়াই পৰবৰ্ত্তী সন্মিলন নগাঁৱলৈ নিমন্ত্ৰণ কৰে । এই অনুসাৰে নগঞা বাইজে, তলত নাম দিয়া লোকসকলক বিষয়া পাতি, এখন আদৰণি সভা গঠণ কৰে । আৰু এই সভাই সন্মিলনৰ সম্পৰ্কীয় সকলো কাম নিৰ্ব্বাহ কৰে ।

**আদৰণি সভা ।**

সভাপতি—শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা Bar-at-law.
সম্পাদক—শ্ৰীযুত ৰামেশ্বৰ বৰুৱা B. A.
শ্ৰীযুত বিষ্ণুচৰণ বৰা B. L. M. L. C.
সহঃ সম্পাদক—শ্ৰীযুত মতিৰাম বৰা M. A. B. L.
শ্ৰীযুত হলধৰ ভূঞা ।

সন্মিলনৰ দিনৰ ১০।১২ দিনমান আগতে কলেৰাৰ প্ৰকোপ হোৱা গতিকে, নগাঁৱৰ সন্মিলন পিচুৱাবলৈ কথা হৈছিল । সৌভাগ্যক্ৰমে নগাঁৱত কলেৰা নোহোৱা হ'ল , আৰু পূৰ্ব্বনিৰ্দ্ধাৰিত দিনত সন্মিলন বহিল ।

**সন্মিলনৰ সভাপতি আদি ।**

২ । অসম সাহিত্য সভাৰ নিয়ম অনুসৰি শ্ৰীযুক্ত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়া অষ্টম সন্মিলনৰ সভাপতি নিৰ্ব্বাচিত হয় । আৰু যেখেতে সন্মিলনৰ এদিন পূৰ্ব্বেই নগাঁও পায়হি । নগাঁৱৰ কোৰ্টৰ উত্তৰ ফালে থকা বহল পথাৰত সন্মিলনৰ বিতোপন মণ্ডপ কৰা হৈছিল । এই বাৰৰ সভামণ্ডপৰ বিশেষত্ব আছিল যে নগাঁৱৰ হাতে কটা সূতাৰে তাতৰ শালত তৈয়াৰী বৰ কাপোৰেৰে এই মণ্ডপ তৈয়াৰী হৈছিল ।

অসমৰ চাৰিও ফালৰপৰা প্ৰায় এশ মান প্ৰতিনিধি গোট খাইছিল । নগাঁৱৰ স্থানীয় সকলো লোকে সন্মিলনত যোগ দিছিল । আন দৰ্শকো অনেক গোট খাইছিল, সন্মিলনৰ তিনিও দিন প্ৰায় দেৰ হাজাৰ লোকৰ সমাগম হৈছিল । নগাঁৱৰ তিৰোতাসকলেও অনেকে সন্মিলনৰ দৰ্শক স্বৰূপে উপস্থিত আছিল ।

২৭ ডিচেম্বৰ ৰবিবাৰৰ দিনা ঠিক দুই বজাত সন্মিলনৰ কাৰ্য্য আৰম্ভ হয় । সভাপতি আহি সভামণ্ডপৰ দুৱাৰমুখ পালত, ঢোলে খোলে তেখেতক আগ বঢ়াই আনি মঞ্চত বহুৱা হ'ল । আৰু খোল আৰু তালেৰে এটি বৰগীত গাই সন্মিলনৰ মঙ্গলাচৰণ কৰা হয় ।

**আদৰণি সভাৰ সভাপতিৰ অভিভাষণ ।**

৩ । ইয়াৰ পাচত আদৰণি সভাৰ সভাপতি শ্ৰীযুক্ত জ্ঞানদাভিৰাম বৰুৱা মহাশয়ে তেখেতৰ সুন্দৰ অভিভাষণ পাঠ কৰে । তেখেতৰ অভিভাষণত নাগাঁৱৰ পূৰ্ব্বৰ অৱস্থা, আৰু অসমীয়া ভাষাৰ সম্পৰ্কে কেইবাটাও নতুন কথাৰ আলোচনা কৰা হয় ।

ইয়াৰ পাচত শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ প্ৰস্তাৱ, মৌলবী খাঁ চাহাব মুকদ্দিন আহমদৰ সমৰ্থন আৰু সৰ্ব্বসন্মতিক্ৰমে পূৰ্ব্বনিৰ্ব্বাচিত সভাপতি শ্ৰীযুত ৰজনীকান্ত বৰদলৈ ডাঙৰীয়াই সভাপতিৰ আসন গ্ৰহণ কৰে । আৰু তেতিয়া সৰু লৰা এটিয়ে মালা এধাৰ দি সভাপতিক সম্বৰ্দ্ধন কৰে । ইয়াৰ পাচত এটি গীত গোৱা হ'ল ।

**সভাপতিৰ অভিভাষণ ।**

৪ । গীতৰ পাচত সভাপতি ডাঙৰীয়াই তেখেতৰ সুললিত অভিভাষণ পাঠ কৰে । এই কামত প্ৰায় দেৰ ঘণ্টা সময় লাগিছিল । অভিভাষণত অসমৰ পুৰণি বুৰঞ্জীৰ গতি, তাৰ লগত সাহিত্যৰ উঠা নমা, আৰু বৰ্ত্তমান সাহিত্যৰ উন্নতিৰ অৰ্থে কৰিব লগীয়া কথাবিলাক পৰিপাটিকৈ



দেখুৱাই দিয়া হৈছে । ছপা হোৱা অভিভাষণত সভাপতি মহোদয়ে কটন কলেজত অসমীয়া অধ্যাপক আৰু ধুবুৰী আদালতত অসমীয়া ভাষা চৰকাৰী ভাষা ( Court Language ) হোৱাৰ কথা লগাই দিয়ে ।

অভিভাষণৰ শেষত ওজা পালিয়ে কিছু সময় পদ গায় ।

**কাৰ্য্য বিবৰণী পাঠ ।**

৫ । ইয়াৰ পাচত প্ৰধান সম্পাদকে অষ্টম বছৰৰ কাৰ্য্য-বিবৰণী পাঠ কৰে । এই কাৰ্য্য-বিবৰণী বেলেগে ছপা হৈছে । এই বছৰত সভাৰ অতি লাগতিয়াল কাৰ্য্যটিনি নিষ্পন্ন হ'ল । সভাৰ স্থায়ী অফিচ ঘৰ এটি হ'ল , আৰু এটি স্থায়ী আয়ৰ ভাল বন্দৱস্ত কৰিব পৰা হ'ল । এতিয়াৰপৰা সভাৰ কাৰ্য্য বহলাবৰ কাৰবাৰ কৰিব লাগে ।

**বিষয় বাছনি সভা ।**

৬ । সভাৰ সকলো সভ্য আৰু প্ৰতিনিধিৰে বিষয় বাছনি সভা গঠিত কৰা হয় । গধূলি ৬ বজাৰপৰা নগাঁও হেলিডে হলত বিষয় বাছনি সভা বহে । ইয়াত সকলোবিলাক প্ৰস্তাৱ আলোচনা কৰি পাচলৈ দিয়া ১৪ টা প্ৰস্তাৱ সন্মিলনত তুলিবলৈ স্থিৰ কৰা হয় । আৰু তলত দিয়া নিয়মৰ সাল-সলনি মঞ্জুৰ কৰিবলৈ সন্মিলনক জনাবৰ স্থিৰ হয় ।

### নিয়মৰ সালসলনি ( নিয়মাৱলী চতুৰ্থ সংস্কৰণ )

১৩ । "কোনো সভ্য বা সভাই" এইখিনি কথা "বছেৰেকীয়া বৰঙনি নিদিলে" ইয়াৰ পাচত লগ লগাই দিব লাগে ।

১৪ । এই নিয়মৰ পাচত এটা নিয়ম হব লাগে :— "বিনা কাৰণত একাদিক্ৰমে চাৰিখন সভাত অনুপস্থিত থাকিলে, কাৰ্য্যনিৰ্ব্বাহক সভাৰ সভ্যৰ নাম সেই সভাৰপৰা বাদ পৰিব" ।

২৭ । এই নিয়মৰ পাচত নতুনকৈ যোগ হব :— ( গুৱাহাটী সন্মিলনৰ ষষ্ঠ প্ৰস্তাৱ অনুযায়ী নিয়ম ) " যি ঠাইত যি বছৰ সন্মিলন বহে সেই ঠাইৰ শাখা বা স্বীকৃত সভাই সেই বছৰলৈ বছৰেকীয়া বৰঙনি দিব নালাগে ।"

৩০ । এই নিয়মৰ লগত "আদৰণি সভাই সেই বাবলৈ সেই সন্মিলনত পাচঁ জন প্ৰতিনিধি দিব পাৰিব" ।

এই নিয়মৰ পাচত নতুন নিয়ম হ'ব :— "সাহিত্য সন্মিলনৰ লগতে সংগীত সংঘ আৰু বুৰঞ্জী বিভাগৰ একোখন সভা বহিব ।"

৫৩ । এই নিয়মৰ "প্ৰত্যেক সন্মিলনৰ যথা সম্ভৱ পাচতেই" এই কথাৰ সলনি "প্ৰতি অসমীয়া বছৰৰ আৰম্ভনতে" এই খিনি কথা হব ।

বিষয় বাছনি সভা ৰাতি দহ বজাত শেষ কৰা হয় ।

**দ্বিতীয় দিন সংগীত সংঙ্ঘ ।**

৭ । দ্বিতীয় দিনা..২৮ ডিচেম্বৰ সোমবাৰে আবেলি ১॥ বজাৰপৰা সন্মিলন মণ্ডপত সংগীত সংঘৰ তৃতীয় অধিবেশন বহে । এই সভাৰ সকলো কাৰ্য্যৰ ভাৰ পৰিছিল শ্ৰীযুত বসুকান্ত বৰ কাকতী আৰু শ্ৰীযুত কমলানন্দ ভট্টাচাৰ্য্যৰ ওপৰত । এই সভাৰ সভাপতি নিৰ্ব্বাচিত হৈছিল শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙ্গৰীয়া । শ্ৰীযুত বসুকান্ত বৰ কাকতী দেৱে আদৰণি সভাৰ অভিভাষণ পাঠ কৰে । আৰু শ্ৰীযুত পদ্মধৰ চলিহা দেৱে সংগীতৰ সম্পৰ্কে দীঘল ৰচনা এখন পঢ়ে । ডাক্তাৰ শ্ৰীযুত হৰিকৃষ্ণ দাস তেখেতৰ দুই কন্যা, শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ বৰুৱা শ্ৰীযুত ৰমানন্দ চৌধুৰী প্ৰভৃতি গীত বাজনাত অভিজ্ঞ লোকসকলে কণ্চাৰ্ট বজাই, গীত গাই, দৰ্শক মণ্ডলীক আনন্দ দিছিল ।

এই সভাৰ শেষৰ ফালে মাখিবাহা স্কুলৰ হেড্ পণ্ডিত শ্ৰীযুত দণ্ডীৰাম দত্তই গণিত সম্পৰ্কীয় ছটা "কৌতুক" দেখুৱাই, আৰু মৌলবী মোচ্লেহ উদ্দিন আহম্মদে এটি ছাহিৰ গীত গাই সকলোকে সন্তোষ দিব পাৰিছিল ।

এই দিনাই গধূলি কামৰূপৰ "দেওধনি নাচ" হয় । আৰু নাচ দেখি সকলোৱে পুৰণি নৃত্য কলাৰ প্ৰশংসা কৰে ।

**তৃতীয় দিন সাহিত্য সন্মিলন ।**

৮ । তৃতীয় দিনা, ২৯ ডিচেম্বৰ, মঙ্গল বাৰে পুৱা ৮-৩০ বজাত সন্মিলন পুনৰ বহে । প্ৰথমতে বিষয় বাছনি সভাই থিৰ কৰি দিয়া প্ৰস্তাৱবিলাকৰ আলোচনা কৰা হয় । আৰু বিশেষ আলোচনাৰ পাচত সন্মিলনে সেইবিলাক গ্ৰহণ কৰে ।

তাৰ পাচত প্ৰধান সম্পাদকে নিয়মৰ পৰিবৰ্ত্তনবিলাক সন্মিলনত উত্থাপন কৰে। আৰু সেইবিলাক সন্মিলনত গৃহীত হয়।

এই দিনৰ সভাৰ আৰম্ভনতে কামৰূপ বজালিৰ শ্ৰীযুক্ত ধৰ্ম্মকিঙ্কৰ গোস্বামী দেৱে হাঁহিৰ কবিতা পাঠ কৰি দৰ্শক মণ্ডলীক আনন্দ দিয়ে।

কাৰ্য্য নিৰ্ব্বাহক সভা গঠন।

৯। এই দিনাৰ কাৰ্য্যৰ শেষৰ ফালে প্ৰধান সম্পাদকে নিজৰ আৰু আগৰ কাৰ্য্য-নিৰ্ব্বাহক সভাৰ হৈ নিজৰ নিজৰ বাব এৰি দিয়ে। শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱাৰ প্ৰস্তাৱ আৰু শ্ৰীযুত উমাকান্ত গোহাঁই আৰু শ্ৰীযুত ৰমানন্দ চৌধুৰীৰ সমৰ্থন, আৰু সৰ্ব্বসন্মতি ক্ৰমে তলত নাম দিয়া ভদ্ৰলোকসকলেৰে নতুন কাৰ্য্য-নিৰ্ব্বাহক সভা গঠন কৰা হয়:—

শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ... প্ৰধান সম্পাদক।
শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ... পত্ৰিকা সম্পাদক।
শ্ৰীযুত বিষ্ণুচন্দ্ৰ বৰুৱা ... সহকাৰী সম্পাদক।
শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা ... সহকাৰী সম্পাদক।
শ্ৰীযুত দেৱেশ্বৰ শৰ্ম্মা ... হিচাব ৰক্ষক আৰু ভঁৰালী।
শ্ৰীযুত যোগেন্দ্ৰনাথ বৰুৱা ... হিচাব পৰিদৰ্শক।

ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ।
শ্ৰীযুত কুলধৰ চলিহা। শ্ৰীযুত দেৱেশ্বৰ চলিহা।
শ্ৰীযুত ৰমাকান্ত বৰ কাকতি। মৌঃ কেৰামত আলি।
মৌঃ ফৈহিৰুদ্দিন আহম্মদ। শ্ৰীযুত বিষ্ণুপ্ৰসাদ দুৱৰা।
শ্ৰীযুত দেৱেন্দ্ৰনাথ বেজবৰুৱা। মৌঃ আতোৱাৰ ৰহমান।
শ্ৰীযুত জিতেন্দ্ৰকুমাৰ দাস। শ্ৰীযুত হেৰম্বপ্ৰসাদ বৰুৱা।
শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা পাঠক। শ্ৰীযুত হৰিনাথ পাঠক চৌধুৰী।
শ্ৰীযুত মহেশচন্দ্ৰ শৰ্ম্মা কটকী।

এই সভা গঠন কৰাৰ সময়ত, যোৰহাটৰ বাহিৰৰ আন আন ঠাইৰপৰাও কাৰ্য্যনিৰ্ব্বাহক সভাত কেইজনমান সভ্য লবলৈ প্ৰস্তাৱ কৰা হয়। প্ৰধান সম্পাদকে কয় যে এনেকুৱা কথাৰ আলোচনা কৰিবলৈ আগৰপৰা জাননী দিয়া ভাল। এই কাৰণে এই বছৰলৈ একো পৰিবৰ্ত্তন নকৰি, অহা বছৰ আগ জাননী দি, এই কথাৰ বিশেষ আলোচনা কৰা যুগুত। এই কথাতে সন্মিলনে সন্মতি দিয়ে।

ইয়াৰ পাচত ধন্যবাদ আদি প্ৰদান কৰা হয়। আৰু এই বছৰলৈ ইয়াতে সন্মিলনৰ কাৰ্য্যৰ সামৰণি পৰে।

বুৰঞ্জী বিভাগৰ সভা।

১০। এইবাৰ নগাঁৱৰ আদৰণি সভাৰ উদ্যোগত বুৰঞ্জী সম্পৰ্কীয় এখন বিশেষ সভা বহে। এই সভাৰ সভাপতি মনোনীত হৈছিল কবি শ্ৰীযুত হিতেশ্বৰ বৰ বৰুৱা। ২৯ ডিচেম্বৰৰ দিনা সভাৰ অধিবেশন হয়। প্ৰথমতে সভাপতি আসনত বহিলত, অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা, বিদ্যাবিনোদ, M. A. B. L. ডাঙৰীয়াই বুৰঞ্জী বিভাগৰ আদৰণি সভাৰ সভাপতি স্বৰূপে নগাঁৱৰ অনেক প্ৰাচীন কীৰ্ত্তিৰ কথা কয়। তাৰ পাচত সভাপতি শ্ৰীযুত বৰ বৰুৱা ডাঙৰীয়াই তেখেতৰ অভিভাষণ পাঠ কৰে। এই অভিভাষণত আহোম ৰাজত্ব কালত অসমৰ সমৃদ্ধিৰ বিষয় অনেক কথা আছিল। আৰু নৰ্মান বিজয়ৰপৰা ইংৰাজ জাতিৰ উন্নত হোৱাৰ দৰে, আহোম বিজয়ৰপৰা অসমীয়া কিদৰে উন্নত হ'ল তাক দেখুৱাই দিছিল।

অভিভাষণৰ শেষ হোৱাত, অধ্যাপক ভূঞা দেৱৰ অনুষ্ঠান পত্ৰ অনুযায়ী "অসম আৰু অসমীয়া" নামেৰে অসমীয়া ভাষাত এখন গ্ৰন্থ লিখিবলৈ বুৰঞ্জী বিভাগৰ সভাসকলে এটি প্ৰস্তাৱ গ্ৰহণ কৰে।

শাৰীৰিক ব্যায়াম।

১১। এই দিনাৰ সভা শেষ হলত, অসম মাতৃৰ বীৰ সন্তান শ্ৰীযুত বলিনাৰায়ণ বৰুৱা দেৱে তেখেতৰ অদ্ভুত শাৰীৰিক শক্তিৰ কিছুমান প্ৰমাণ দেখুৱায়। তাৰ ভিতৰত, দুখন মটৰকাৰ ধৰি ৰখা, লোহাৰ ডাঙৰ শিকলি আৰু বুকুৰ ওপৰত প্ৰকাণ্ড শিল ভঙা প্ৰভৃতি কেইবাটাও আশ্চৰ্য্যজনক কাম আছিল। শ্ৰীযুত বলিনাৰায়ণ বৰুৱাই বৈজ্ঞানিক নিয়মেৰে শাৰীৰিক ব্যায়ামৰ চৰ্চ্চা কৰিবৰ সুযোগ পাবৰ অৰ্থে, এই ঠাইত প্ৰায় দেৰ হাজাৰ টকাৰ প্ৰতিশ্ৰুতি হয়। আৰু কিছু টকা নগদ উঠে। সকলো ৰাইজে এই বীৰ সন্তানৰ কৃতকৰ্ম্মতা কামনা কৰিছে।

সন্মিলনৰ প্ৰথম দিনাও কাৰ্য্যৰ অন্তত শ্ৰীযুত শনীৰাম বৰ বৰুৱা বি. এ, ডাঙৰীয়াই নাইডু শাৰীৰিক ব্যায়াম প্ৰণালী দেখুৱাই ৰাইজক আনন্দ দিয়ে।



প্ৰদৰ্শনী।

১২। এই বছৰ প্ৰদৰ্শনীৰ কাৰণে সিমান যো-যা কৰা নহলেও, শ্ৰীযুত ৰামেশ্বৰ বৰুৱা দেৱৰ যত্নত, তিনিখন সুন্দৰ ৰূপে চিত্ৰ কৰা পুথি সন্মিলনলৈ অনা হৈছিল। এইবিলাক পুথিৰপৰা প্ৰাচীন চিত্ৰ কলাৰ গৌৰব সহজে অনুমান কৰিব পাৰি।

নগাঁৱৰ সন্মিলন।

১৩। এই বছৰ নগাঁৱৰ সন্মিলনৰ কেইবাটাও বিশেষত্ব আছিল। প্ৰথমতে সভা মণ্ডপ তৈয়াৰ হৈছিল, নগাঁৱত তৈয়াৰ হোৱা বৰ কাপোৰেৰে। তাৰ পাচত, ঢোল, খোল ওজাপালি, পুতলা নাচ, দেওধনি নাচ, ভাওনা আদি অসমীয়াৰ নিজস্ব গীত বাদ্য আৰু নাচেৰে সন্মিলনৰ উৎসৱৰ আয়োজন পূৰ্ণাঙ্গ কৰা হৈছিল। এই দৰে, অতুৰা উপায়েৰে সন্মিলনৰ সকলো কাৰ্য্য সুসম্পন্ন কৰাৰ কাৰণে আদৰণি সভা অসমীয়া ৰাইজৰ শলাগৰ পাত্ৰ হৈছে।

সন্মিলনৰ কেউদিন নগাঁৱৰ ভিন্ ভিন্ থিয়েটাৰত থিয়েটাৰ হৈছিল।

সামৰণি।

১৪। এই দৰে সন্মিলনৰ সকলো কাৰ্য্য সুসম্পন্ন হয়। অহা বাৰলৈ ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা, S. P. মহোদয়ৰ অনুমতিক্ৰমে, শ্ৰীযুত ভুবনচন্দ্ৰ দত্ত দেৱে সন্মিলন ধুবুৰীলৈ নিমন্ত্ৰণ কৰে।

যোৰহাট।
২১।১।২৬

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী।
প্ৰধান সম্পাদক।
অসম সাহিত্য সভা,
যোৰহাট।

---

# অষ্টম সাহিত্য সন্মিলনত প্ৰতিশ্ৰুত মেডেল আদি।

১। স্মাইল চাহাবৰ Self-help ৰ অসমীয়া অনুবাদ।
দাতা—শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা বেৰিষ্টাৰ। (গৌহাটী)।
মূল্য ৫০৲ টকা।

২। সন্মিলনত নচা ওজা-পালিৰ মেডেল, ৰূপৰ।
দাতা—শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা (যোৰহাট)।

৩। সন্মিলনত নচা দেওধনিৰ মেডেল, ৰূপৰ।
দাতা—শ্ৰীযুত ৰজনীকান্ত বৰদলৈ (ডিব্ৰুগড়)।

৪। সন্মিলনত নচা দেওধনিৰ পোছাক।
দাতা—শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা (যোৰহাট)।

৫। খেটকেশ্বৰী বৰ বৰুৱা মেডেল, সোণৰ।
মূল্য ৫০৲ টকা।
দাত্ৰী—শ্ৰীযুতা হিৰণ্ময়ী বৰ গোহাঁই।
Mrs. Umakanta Gohain, (নগাঁও)।
বিষয়—আহোম আৰু হিন্দু সমাজ।
পৰীক্ষক—শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা।
শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী।
শ্ৰীযুত হিতেশ্বৰ বৰ বৰুৱা।

আহোম ব্যতিৰিকে অন্য জাতিৰ মানুহে লিখিব লাগিব। এই মেডেলৰ টকা পোৱা হৈছে, আৰু যথা নিয়মে নোটিচ আদি ছপাই ঘোষণা কৰাও হৈছে।

৬। "ঊনবিংশ শতিকাত নগাঁৱত অসমীয়া সাহিত্য জাগৰণৰ বুৰঞ্জী"—২০৲ টকা।
দাতা—শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা (গুৱাহাটী)।
প্ৰকাশক—মৌলবী মহম্মদ চালেহ (নগাঁও)।
পৰীক্ষক—ৰায়চাহাব পদ্মনাথ গোহাঁই বৰুৱা আৰু দাতা।

৭। "অসমত ময়মনচিঙীয়াৰ বসতি"।
দাতা—শ্ৰীযুত হেমকান্ত মহন্ত (নগাঁও)।
প্ৰকাশক—শ্ৰীযুত কমলাকান্ত ভট্টাচাৰ্য্য আৰু ৰায়চাহাব শ্ৰীযুত ভদ্ৰেশ্বৰ বৰুৱা।

পৰীক্ষক—শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ( যোৰহাট ) ।

শ্ৰীযুত পদ্মসিংহ ।

৮। "অসমীয়া সদাগৰসকলৰ জীৱনি সংগ্ৰহ" ।

দাতা—শ্ৰীযুত গিৰীশচন্দ্ৰ বৰুৱা ( নগাঁও ) ।

পুৰস্কাৰ ১০০৲ টকা ।

প্ৰকাশক শ্ৰীযুত বিদ্যাধৰ বৰুৱা উকীল ( নগাঁও ) ।

পৰীক্ষক—শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ( সম্বলপুৰ ) ।

যোৰহাট ।
২—১—২৬

শ্ৰীশৰৎচন্দ্ৰ গোস্বামী
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা, যোৰহাট ।

---

# অষ্টম সাহিত্য সন্মিলনৰ প্ৰস্তাৱ সমূহ ।

## প্ৰথম প্ৰস্তাৱ ।

এই অসম সাহিত্য সন্মিলনে ৰাজমাও মহাৰাণী আলেক-জেণ্ড্ৰিয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে, আৰু মহামান্য সম্ৰাট পৰিয়ালবৈলে সভক্তি সহানুভূতি জ্ঞাপন কৰে ।

সভাপতি ।

## দ্বিতীয় প্ৰস্তাৱ ।

এই সন্মিলনে তলত নাম দিয়া লোকসকলৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে; আৰু তেওঁলোকসকলৰ সন্তপ্ত পৰিয়ালবৈলে সমবেদনা জনায় ।

৺ সিংহদত্ত দেৱ অধিকাৰী ।
৺ গোপালকৃষ্ণ দে,
৺ গোপালচন্দ্ৰ ভূঞা ।
৺ বেথাৰাম শৰ্ম্মা ৰায় বাহাদুৰ ।
৺ ডাক্তৰীয়া সত্যনাথ বৰা ।

সভাপতি ।

## তৃতীয় প্ৰস্তাৱ ।

এই সন্মিলনে শ্ৰীল শ্ৰীশ্ৰীযুক্ত দক্ষিণপাটীয় সত্ৰাধিকাৰ প্ৰভুৰ দান, কাৰ্য্য নিৰ্ব্বাহক সভাই প্ৰস্তুত কৰা দলিলৰ চৰ্ত্তত মান্তি হৈ গ্ৰহণ কৰে । আৰু সন্মিলনৰ অনুৰোধ ৰক্ষা কৰি শ্ৰীশ্ৰীযুক্ত প্ৰভু ঈশ্বৰে এই দানৰ টকা পুৰণি পুথি আৰু সংস্কৃত গ্ৰন্থ প্ৰকাশৰ কাৰণে নিয়োগ কৰিবলৈ অনুমতি দিয়াত, এই সন্মিলনে শ্ৰীশ্ৰীযুক্ত প্ৰভু ঈশ্বৰক সভক্তি ধন্যবাদ জ্ঞাপন কৰে ।

প্ৰস্তাৱক—অধ্যাপক শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা M. A. B. L.
সমৰ্থক—শ্ৰীযুত হিতেশ্বৰ বৰ বৰুৱা ।
অনুমোদক—শ্ৰীযুত হলিৰাম মহন্ত ।

## চতুৰ্থ প্ৰস্তাৱ ।

এই সন্মিলনে কমলাদেৱী শিশু-সাহিত্য ট্ৰাষ্ট ফণ্ডৰ টকা, কাৰ্য্য নিৰ্ব্বাহক সভাই প্ৰস্তুত কৰা চৰ্ত্তত মান্তি হৈ, দাতাক ধন্যবাদ দি, গ্ৰহণ কৰে ।

প্ৰস্তাৱিকা—শ্ৰীযুতা চন্দ্ৰপ্ৰভা শইকীয়া ।
সমৰ্থক—শ্ৰীযুক্ত মহেশচন্দ্ৰ বৰ কটকী ।
অনুমোদক—শ্ৰীযুত বিমলাকান্ত বৰা ।
শ্ৰীযুত কীৰ্ত্তিনাথ দাস ।

## পঞ্চম প্ৰস্তাৱ ।

এই সন্মিলনে শ্ৰীল শ্ৰীশ্ৰীযুক্ত আউনিআটীয় সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ ৫৫০০৲ ( পাঁচ হাজাৰ পাঁচশ ) টকাৰ দান সভক্তি ধন্যবাদেৰে গ্ৰহণ কৰে । এই টকাৰ আয় কি কামত ব্যয় কৰা হ'ব, কাৰ্য্য-নিৰ্ব্বাহক সভাই শাখা আৰু স্বীকৃত সভাবিলাকৰ লগত পৰামৰ্শ কৰি তাক স্থিৰ কৰিব ।

প্ৰস্তাৱক—শ্ৰীযুত শিৱনাথ ভট্টাচাৰ্য্য ।
সমৰ্থক—শ্ৰীযুত দ্বাৰিকানাথ গোস্বামী ।
অনুমোদক—শ্ৰীযুত ধৰ্ম্মকিঙ্কৰ গোস্বামী ।
শ্ৰীযুত দণ্ডীনাথ দত্ত ।

## ষষ্ঠ প্ৰস্তাৱ ।

স্কুলেজৰ অসমীয়া পাঠ্য কিতাপ নিৰ্ব্বাচন কৰোঁতে সাহিত্য সভাৰ যোগত অসমৰ মুখিয়াল সাহিত্যিকসকলক



পৰামৰ্শ কৰিবলৈ এই সন্মিলনে, কলিকতা বিশ্ববিদ্যালয়, ঢাকা বিশ্ববিদ্যালয় বেনাৰচ হিন্দু বিশ্ববিদ্যালয় আৰু অসম শিক্ষা বিভাগক অনুৰোধ কৰে ।

প্ৰস্তাৱক—শ্ৰীযুত ৰমাকান্ত বৰ কাকতী B. L.
সমৰ্থক—শ্ৰীযুত হৰমোহন দাস, B. A. L. T.
অনুমোদক—শ্ৰীযুত যোগ চিং চেত্ৰী B. L.

## সপ্তম প্ৰস্তাৱ ।

এই সন্মিলনে সিদ্ধান্ত কৰে যে ইংৰাজী ১৯২৬ চনৰ ভিতৰত সাহিত্য সভাৰ মুখপত্ৰ, এখন তিনি মহীয়া কাকত প্ৰকাশ হ'ব লাগে । এই অৰ্থে যাৱতীয় কাম কৰিবলৈ কাৰ্য্যনিৰ্ব্বাহক সভাক ভাৰ দিয়া হয় ।

প্ৰস্তাৱক—শ্ৰীযুত পদ্মধৰ চলিহা M. A. B. L.
সমৰ্থক—শ্ৰীযুত ডিম্বেশ্বৰ নেওগ B. Sc.
অনুমোদক—শ্ৰীযুত জলতিৰাম বৰ্ম্মা ভূঞা লহকৰ ।
শ্ৰীযুত কালীদাস খাটনিয়াৰ ।

## অষ্টম প্ৰস্তাৱ ।

টেক্‌ষ্ট বুক কমিটিৰ ( পাঠ্য কিতাপ বছা সভাৰ ) দুজন সভ্য বাছি দিবৰ অধিকাৰ সাহিত্য সভাক দিবলৈ, এই সন্মিলনে গৱৰ্ণমেণ্টক অনুৰোধ জনায় ।

প্ৰস্তাৱক—শ্ৰীযুত আনন্দৰাম ভট্টাচাৰ্য্য ।
সমৰ্থক—শ্ৰীযুত প্ৰফুল্লচন্দ্ৰ গগৈ ।
অনুমোদক—মৌঃ মহম্মদ চালেহ, B. A.

## নৱম প্ৰস্তাৱ ।

গোৱালপাৰা জিলাত যিবিলাক চৰকাৰী সাহায্য পোৱা বা নোপোৱা হাই স্কুল আৰু মজলীয়া ইংৰাজী স্কুল আছে, সেইবিলাক স্কুলৰ অসমীয়া ভিন্ন আন ভাষা ভাষী শিক্ষক-সকলে, অসমীয়া ভাষাত এটা শিক্ষা বিভাগৰ ( Departmental ) পৰীক্ষা পাছ কৰিবৰ নিয়ম কৰিবলৈ, এই সন্মিলনে স্কুলৰ চৰকাৰী আৰু শিক্ষা বিভাগৰ কৰ্ত্তৃপক্ষ-সকলক অনুৰোধ কৰে ।

প্ৰস্তাৱক—ৰায় চাহাব শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা ।
সমৰ্থক—শ্ৰীযুত বেণুধৰ শৰ্ম্মা ।
অনুমোদক—শ্ৰীযুত চন্দ্ৰকান্ত বৰুৱা ।
শ্ৰীযুত মিঠাৰাম গোহাঁই ।

## দশম প্ৰস্তাৱ ।

এই সন্মিলনে সিদ্ধান্ত কৰে যে এতিয়াৰপৰা সাহিত্য সন্মিলনৰ লগতে বুৰঞ্জী বিভাগৰ একোখন সভা বহিব ।

প্ৰস্তাৱক—মৌলবী মফিজুদ্দিন আহম্মদ হাজৰিকা ।
সমৰ্থক—শ্ৰীযুত বিষ্ণুচন্দ্ৰ বৰুৱা M. A. B. L.
অনুমোদক—শ্ৰীযুত মতিৰাম বৰা M. A. B. L.

## একাদশ প্ৰস্তাৱ ।

অসমীয়া সাহিত্যৰ পৃষ্ঠপোষক কোচ ৰজাসকলৰ ৰাজধানী কোচবিহাৰত থকা লাইব্ৰেৰী আৰু আন আন ঠাইত পুৰণি অসমীয়া পুথি বিচাৰিবলৈ এজন উপযুক্ত সাহিত্য সেৱক নিযুক্ত কৰা হওক ।

প্ৰস্তাৱক—শ্ৰীযুত প্ৰতাপচন্দ্ৰ গোস্বামী ।
সমৰ্থক—শ্ৰীযুত বৃন্দাবনচন্দ্ৰ গোস্বামী ।
অনুমোদক—শ্ৰীযুত ৰত্নকান্ত বৰ কাকতী ।
শ্ৰীযুত ৰামেশ্বৰ বৰুৱা ।

## দ্বাদশ প্ৰস্তাৱ ।

এই সন্মিলনে অসম গৱৰ্ণমেণ্টক অনুৰোধ জনায় যে যিমান সম্ভৱ সোনকালে কটন কলেজত যেন অসমীয়া সাহিত্যৰ এজন স্থায়ী অধ্যাপক নিযুক্ত কৰা হয় । ( অৰ্থাৎ অসমীয়া সাহিত্যৰ কাৰণে Chair এখন দিয়া হয় । )

প্ৰস্তাৱক—শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ।
সমৰ্থক—শ্ৰীযুত কেশৱচন্দ্ৰ দাস, B. A. B. T.
অনুমোদক—শ্ৰীযুত ভদ্ৰেশ্বৰ বৰুৱা B. L.
শ্ৰীযুত দীননাথ মেধি B. Sc.

## ত্ৰয়োদশ প্ৰস্তাৱ ।

সম্প্ৰতি ৺ আনন্দৰাম ঢেকিয়াল ফুকন আৰু ৺ ৰায় বাহাদুৰ গুণাভিৰাম বৰুৱাৰ সোঁৱৰণি-ফলি স্থাপন কৰিবৰ অৰ্থে প্ৰথম যত্ন লবলৈ এই সভাই নগাঞা ৰাইজক অনুৰোধ জনায় ।

প্ৰস্তাৱক—শ্ৰীযুত বেণুধৰ ৰাজখোৱা B. A.
সমৰ্থক—শ্ৰীযুত অম্বিকাগিৰি ৰায় চৌধুৰী ।
অনুমোদক—শ্ৰীযুত মিলাদেৱ গোস্বামী ।

## চতুৰ্দ্দশ প্ৰস্তাব ।

ধুবুৰী আদালতত আৰু মেচপাৰা বিজ্নি কোর্ট অৱ্ ওৱার্ডচ্ ষ্টেটত অসমীয়া ভাষা চৰকাৰী ভাষা ( Court Language ) কৰিবলৈ এই সন্মিলনে গৱৰ্ণমেণ্টক অনুৰোধ জনায় ।

প্ৰস্তাৱক—শ্ৰীযুত বিষ্ণুচৰণ বৰা B. L. M. L. C.

সমৰ্থক—শ্ৰীযুত ভুৱনচন্দ্ৰ দত্ত ।

অনুমোদক—মৌঃ আবদুল চামাদ চৌধুৰী ।

শ্ৰীযুত মুক্তানন্দ গোস্বামী ।

---

# কলিতা ফুকনৰ বিদ্ৰোহ ।

( বহু কাল হ'ল, ৰায় চাহাব শ্ৰীযুত পদ্মনাথ বৰুৱাৰ বুৰঞ্জীত কলিতা ফুকনৰ বিদ্ৰোহৰ কথা উল্লেখ থকা পঢ়া মনত পৰে ; কিন্তু এই কলিতা ফুকন জন নো কোন, আৰু তেঁও নো কি কাৰণত আৰু কি ভাৱে বিদ্ৰোহ কৰিছিল তাক আমাৰ মানুহৰ ভিতৰতে অনেকেই একো নাজানে । সেই কাৰণে তাৰ বিষয়ে আজি অলপ কবলৈ আগ বাঢ়িলোঁ । এই আলোচনীৰ সম্পাদক, মোৰ অতি আদৰৰ বন্ধু শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াই প্ৰবন্ধটি সংক্ষেপ কৰিবলৈ অনুৰোধ কৰাত, যত দূৰ সম্ভৱ, তাক সংক্ষেপ কৰা গ'ল । )

এই কলিতা, আদিতে বৰ গোহাঁই ডাঙৰীয়াৰ মেলৰ বিলতীয়া পাইক আছিল , কুলত কলিতা । স্বৰ্গদেৱ লক্ষ্মী সিংহৰ ৰাজত্ব কালত আহোমৰ অন্তৰ্বিপ্লৱৰ সময়ত ( যাক সাধাৰণতে "মোৱামৰীয়া বিদ্ৰোহ" বোলে ) এই কলিতাই ৰজাৰ পক্ষ লৈ, বিপক্ষ দলৰ লগত অনেক যুদ্ধ কৰি ৰজাক আপাহ লগায় ; আৰু সেই আপাহতে ডাঙৰীয়াসকলৰ অনুৰোধত স্বৰ্গদেৱে কলিতাক ফুকন পাতে । চৰুৱা ফুকন আদি অন্যান্য ফুকনবিলাকৰ দৰে তেঁওৰ কোনো নিৰ্দ্দিষ্ট ৰাব ( Portfolio ) নথকাত, তেঁওক কলিতা ফুকন বোলা হৈছিল । কলিতা ফুকন মানুহ গৰাকী অতি চতুৰ আছিল আৰু ক্ৰমে তেওঁ স্বৰ্গদেৱৰ অতি প্ৰিয়পাত্ৰ হৈ উঠে, আৰু সততে তেঁও প্ৰায় স্বৰ্গদেৱৰ লগত চাপৰে থাকিছিল ।

স্বৰ্গদেৱ লক্ষ্মীসিংহ এদিন কাহৰবাত শেন মেলিবলৈ গৈছিল । স্বৰ্গদেৱৰ অলপ পাচতে, বৰুতিয়ালৰ ভদ্ৰসেন বৰ বৰুৱাও সেই শেন মেলা চাবলৈকে যায় । সেই দিনা ৰামনাথ ভঁৰালী বৰুৱাও ঘোঁৰাত উঠি শেন মেলাকে চাবলৈ আহিছিল ; বাটতে বৰ বৰুৱাৰে ভেঁটাভেঁটি হয় । তাতে বৰ বৰুৱাই বৰ অসন্তোষ কৰিলে, বোলে ই মোৰ এসময়ত ঘৰ-বগুৱা আছিল, তাক মই ভঁৰালী বৰুৱা পাতিলোঁ ; সি মোৰ আগত ঘোঁৰাত উঠিব পায়নে ? বৰ বৰুৱাই এই কথা কে, স্বৰ্গদেৱত গোচৰ দিলে । পাচে স্বৰ্গদেৱে বিচাৰ কৰি চাই, ৰামনাথক দোষী পাই, তেঁওৰ আৰু তেঁওৰ ভায়েকৰ দুইৰো পাজি-কটা পুখুৰিৰ পাৰত চকু কঢ়ালে ।

কলিতা ফুকন ৰামনাথ ভঁৰালী বৰুৱাৰ সখি আছিল । সখিৰ অপমানত তেওঁ বৰ মনকষ্ট পালে আৰু সেইদিনাৰে-পৰা তেঁওৰ বৰ বৰুৱালৈ পেটে পেটে নাটনি হ'ল ; তেঁও বৰ বৰুৱাৰ অনিষ্ট কৰিবলৈ ছল বিচাৰিবলৈ ধৰিলে । এদিন বিৰলে তেঁও স্বৰ্গদেৱক ক'লে যে নাতি গোহাঁই দুজনাৰে গোট পাই, বৰ বৰুৱাই স্বৰ্গদেৱৰ দ্ৰোহ আচৰিব খুজিছে । স্বৰ্গদেৱেও তাকে বিশ্বাস কৰি, বৰ বৰুৱা, তেঁওৰ দুই দদায়েক নেওগ ফুকন আৰু বৰা ডেকা আৰু ভায়েক চোলাধৰা ফুকন, এই চাৰিওকে ৰংঘৰৰ ওচৰতে কটালে । এই জনা বৰ বৰুৱাৰ সলনি আদাবৰীয়া সন্দিকৈৰ শিৱৰাম দিহিঙীয়া ফুকনক বৰ বৰুৱা পাতিলে ।

অন্তৰ্বিপ্লৱৰ উৎপাত তেতিয়াও সাম কটা নাই । বিপক্ষ দলৰ ৪০ টামান মগলু মানুহে তেতিয়া মতাইমৰা নামে



ঠাইত কোঠ পাতি আছিল । কলিতা ফুকনৰ পৰামৰ্শ মতে স্বৰ্গদেৱে সিহঁতক ধৰিবলৈ দিহিঙীয়াৰ ন্যায় সোধা ফুকনক সেনাপতি ফুকন পাতি পঠালে । কিন্তু সেনাপতি ফুকনে সিহঁতক ধৰিব নোৱাৰি উলটি আহিল । সেনাপতি ফুকনৰ লগত যোৱা তামুলী লিগিৰা এটাই সেই কথাকে কলিতা ফুকনত বিৰলে লগালে বোলে মৰাণত বৰি হে, সেনাপতি ফুকনে মগলুক নধৰি উলটি আহিল । তাকে শুনি কলিতা ফুকনে "ছা টোকে বাঘটো" কৰি সেই কথা ৰজাত লগালে । স্বৰ্গদেৱেও কলিতা ফুকনকে বিশ্বাস কৰি, সেনাপতি ফুকনক ধৰাই আনি, ন দুৱাৰৰ মুখত হাতী শালত লোৱা লগাই ডিঙৰাত ভৰাই থৈ, চাণ্ডালৰ হাতত কাটিবলৈ দিবলৈ আজ্ঞা কৰিলে । চাণ্ডালেও লোৱা মেলি, তেঁওক কাটিবলৈ নিবলৈ সাজু হৈছিল ; কিন্তু ৰাজমাও দেউতা, পহুমৰীয়া ন গোঁসাইৰ বৰ জন, আৰু শিৱৰাম বৰ বৰুৱাই ৰৰকৈ ধৰাত স্বৰ্গদেৱে তেঁওক প্ৰাণদান দিলে , কিন্তু বিষয়া ভাঙি, কং কং পামলৈ খেদিলে ।

ইতি পূৰ্ব্বে লক্ষ্মীসিংহ স্বৰ্গদেৱে তেঁও শিঙৰি ঘৰ উঠা উৎসৱত, তেঁও নিজে পিন্ধা কাপোৰ এসাজ কলিতা ফুকনক দিছিল । তাৰ পাচত কলিতা ফুকনে দিহিঙৰ মুদঙীয়া বাপৰ জীয়েকক বিয়া কৰাওতে, "গোটেই-গাত-বাখ্‌ৰাম কৰা" সোণৰ গাম খাৰু আৰু মকৰ কুণ্ডল স্বৰ্গদেৱৰ-পৰা বটা ল'লে । এনে সন্মানিত বটা পাই, কলিতা ফুকন একন্দি গন্ধাটোপ যেন হল । ক্ৰমে তেওঁ স্বৰ্গদেৱৰ ওচৰত "অতি প্ৰধান" হৈ পৰিল । ডাঙৰীয়াসকলেও তেঁওলৈ পেটে ভয় কৰি চলে,—আৰু "পৰমেল" লৈ(১) আহোঁতে, সিবিলাক বৈ থাকি কলিতা ফুকনেৰে সম্ভাষণ কৰি হে যায় ।

এনেতে এদিন জয়ন্তাৰপৰা ধনৰাই কটকী আহি পালেহি । বৰ বৰুৱাই কটকী তুলিবলৈ স্বৰ্গদেৱলৈ সুধি পঠালে । পাচে স্বৰ্গদেৱে বোলে ধনৰাই কটকী অতি চতুৰ আৰু মহা ফন্দিয়ক; এতেকে তুমি তেঁওক তুলিব নালাগে,—কলিতা ফুকনেহে তোলাটো ভাল হ'ব । বৰ বৰুৱাই সেই কথা শুনি, কলিতা ফুকনকে ধনৰাই কটকীক তুলিবলৈ ক'লে । কলিতা ফুকনেও বৰ বৰুৱাৰ বহা ঘৰতে, ধনৰাই কটকীক তুলি, কথাবাৰ্ত্তা হে স্বৰ্গদেৱৰ আদেশ মতে, বিদায় দিলে ।

আহোম ৰাজত্ব কালত, ৰাজ্যৰ প্ৰথম বিভাগত ( মৰঙী খোৱা গোহাঁইৰ অধীনৰ প্ৰদেশৰপৰা সদিয়ালৈকে ) আন দেশৰপৰা অহা কটকী তোলা কাৰ্য্যটো বিশেষকৈ বৰ বৰুৱাৰ গাত আছিল । ধনৰাই কটকীক বৰ বৰুৱাক তুলিবলৈ নিদি, ৰাব নাইকিয়া এগৰাকী সাধাৰণ ফুকনক তুলিবলৈ দিয়াত, বৰ বৰুৱা আৰু আন ডাঙৰীয়া বিষয়া-সকল অতি অসন্তুষ্ট হ'ল ; কিন্তু কলিতা ফুকনৰ হ'লে ফুনাই জেউতিহে চৰিল । তেঁও স্বৰ্গদেৱৰ আদৰ পাই, অহঙ্কাৰত অন্ধ হৈ, কাকো তৃণ এডালৰ সমানো গণিতা নকৰা হ'ল । আৰু সঁচাই মিছাই ডাঙৰীয়াসকলৰ বিপক্ষেও নানা কথা স্বৰ্গদেৱত দিনে ৰাতিয়ে লগাবলৈ ধৰিলে । এই কথা কণাকণিকৈ শুনি, কুৰৈগঞা ঘনশ্যাম বুঢ়া গোহাঁই, মৰাণ বৰ পাত্ৰ গোহাঁই, বাইলুঙ বৰ গোহাঁই এই তিনিও জনা গোট খাই, স্বৰ্গদেৱলৈ জনাই পঠালে, বোলে "আমি দেশ ৰাজ্যৰ কথা ক'ব লাগিছে ; স্বৰ্গদেৱক আমি লগ পাব লাগে" । সেই কথা শুনি স্বৰ্গদেৱে বৰ বৰুৱাক ডাঙৰীয়াসকলক মতাই আনিবলৈ ক'লে । বৰ বৰুৱাই মজিন্দাৰক অনাই, কটকী দিয়াই তিনিও জনা ডাঙৰীয়াক অনালত, স্বৰ্গদেৱে সিবিলাকক চাবলৈ নিয়ালে । প্ৰথমতে বৰ গোহাঁই ডাঙৰীয়াই গোচৰ দিলে বোলে স্বৰ্গদেৱৰ আমি পাইকবোৰ এদিনীয়া পাইক নহওঁ ; চুকাফা স্বৰ্গদেৱ নামি অহা কালৰেপৰা আমি স্বৰ্গদেৱৰ ঘৰৰ পাইক । সেই কাৰণে, আমি স্বৰ্গদেৱক আমাৰ মনৰ দুখ নিবেদন কৰিছোঁ । এই কলিতা ফুকনে আমাক অনেক নিন্দা বিতন্দা কৰে; অধিক কি মাৰিবলৈকো মন কৰেহে । বিশেষত, ই মোৰ মেলৰ বিলতীয়া পাইক আছিল , আমাৰ ই নিন্দা কৰিব নাপায় । এই কলিতা মহা বেশ্যা, মদপী , ই স্বৰ্গদেৱক পৰ্শিব নাপায় । তাৰ জাতি কুল নাই , এনে মানুহ স্বৰ্গদেৱৰ লগত থাকিব নাপায় । বৰগোহাঁই ডাঙৰীয়াৰ কথা শুনি, স্বৰ্গদেৱে বোলে—মই কলিতাক নিচিনোঁ, নাজানোঁ । পূৰ্ব্বে

---

(১) ইয়াক "বিষয়া মেল" বুলিও কয়; House of Commons ৰ লগত তিজাৰ পাৰি ।

তোমালোকেই বুলিলা, বোলে কলিতা ভাল মানুহ—আমাৰ হকে মৰাণৰ লগতো যুঁজিছে,—এতেকে ইয়াক ভাল মানুহ পাতিব লাগে। সেই কাৰণেহে মই তাক ফুকন পাতিলোঁ। এতিয়া যদি ডাঙ্গৰীয়াসকলে তাক দুষ্ট বুলিছে, বাৰু মই সেইটো বিচাৰ কৰি চাম ; আৰু যদি দোষ পাওঁ, তাক যথোচিত দণ্ড বিহিম। ডাঙ্গৰীয়া-সকলে বোলে,—স্বৰ্গদেৱে এই কলিতাক চাঙ্গৰপৰা নমাই আমাৰ হাতত দিব লাগে,—নহলে আমাক পাইকইতকে ভাঙ্গি ঘৰলৈ পেলক। স্বৰ্গদেৱে কিছু পৰ নামাতি থাকি, পাচত ক'লে, বোলে ডাঙ্গৰীয়াসকলে যে দবিছা, বাৰু আজিলৈ তোমালোক যোৱাঁহক, কাইলৈ মই এই কথা সুধিম। এই বুলি মজিন্দাৰক তামোল পাণৰ বটা দিব দিলে। (২) মজিন্দাৰে বটা দিয়ালে; ডাঙ্গৰীয়াসকল চাঙ্গৰপৰা বিদায় হৈ নামি আহিল।

চাঙ্গৰপৰা নামি আহি ডাঙ্গৰীয়াসকল বৰ চ'ৰাত ব'লহি আৰু তাৰেপৰা পুনৰ মজিন্দাৰক পঠাই স্বৰ্গ-দেৱলৈ কৈ পঠালে, বোলে আমি আহি বৰ চ'ৰাতে বৈ আছোঁহি, স্বৰ্গদেৱে আমাক কলিতাক দিয়ক। সেই কথা মজিন্দাৰে গৈ স্বৰ্গদেৱত জনালেগৈ। তেনেতে ৰাজমাও দেউতাও তাত আহি স্বৰ্গদেৱক "পূৰ্ব্বাপৰ বুজাই" ক'লে বোলে, বোপাদেও, তিনিজনা ডাঙ্গৰীয়াই যেতিয়া ধৰিছে, কলিতা ফুকনক দিয়াইহে ভাল। আইতাকৰ কথা শুনি, স্বৰ্গদেৱে মজিন্দাৰৰ আগত ডাঙ্গৰীয়াসকললৈ কৈ পঠালে, বোলে, ডাঙ্গৰীয়াসকল আজিলৈ বহালৈকে যাওক, মই কাইলৈ ইয়াৰ এটা বিচাৰ কৰিম ; যদিহে কলিতাৰ গাত দোষ পাওঁ, তাক যথোচিত ৰূপে দণ্ড দিম। মজিন্দাৰে সেই কথা ডাঙ্গৰীয়াসকলক জনালেহি আৰু চাঙ্গৰপৰা বৰ চ'ৰাতে আকৌ তামোল পাণৰ বটা দিয়ালে। ডাঙ্গৰীয়াসকলো তাৰপৰা বিদায় হৈ বহা ঘৰলৈ গ'ল।

ডাঙ্গৰীয়াসকলে যেতিয়া চাঙ্গত স্বৰ্গদেৱৰ লগত কথা বাৰ্ত্তা কয়, কলিতা ফুকন তেতিয়া চাঙ্গতে লুকাই আছিল। ডাঙ্গৰীয়াসকল বৰ চ'ৰাৰপৰা যেতিয়া আপোন আপো[ন] বহা ঘৰলৈ গ'ল, তেতিয়া কলিতা ফুকনে বেশ ছদ্ম ক[ৰি] দবিকা দুৱাৰৰ ভিতৰেপৰা ওলাই মজিন্দাৰে সৈতে ... বৰুৱাৰ পালি ঘৰলৈ আহিল। পাচে বৰ বৰুৱাই কলি[তা] ফুকনক বৰ বৰুৱাৰ বহা ঘৰলৈ পঠাই দিলে। তাতে কলি[তা] ফুকন সাত দিন পলাই আছিল। পাচত এদিন মজিন্দা[ৰে] কলিতা ফুকনক বৰ চ'ৰালৈ মতাই আনি, বৰ বৰু[ৱাৰ] সাক্ষাতে স্বৰ্গদেৱৰ আদেশ শুনালে বোলে, ফুকন তু[মি] আৰু স্বৰ্গদেৱৰ চাঙ্গলৈ যাব নোৱাৰা, এদিন "পৰ... থাকিবা এদিন বহা ঘৰতে থাকিবা। বজাৰ চাঙ্গলৈ যা... নোৱাৰাটো কলিতা ফুকনৰ পক্ষে এটা দণ্ডৰ নিচিনা হে[ল] যদিও, ডাঙ্গৰীয়াসকল কিন্তু তাত সন্তুষ্ট ন'হল। এই ক[থা] গম পাই, কলিতা ফুকনে ডাঙ্গৰীয়াসকলৰ ঠাইত অহা[যা] পৰিলগৈ, কিন্তু সিবিলাকে ক্ষমা নিদিলে। অৱশেষ[ত] কলিতা ফুকনৰ নিমিত্তে স্বৰ্গদেৱে নিজে ডাঙ্গৰীয়া-সকলক মাতিলে বোলে, মই তোমালোকক মাতিছোঁ ... কলিতাক বিষয়া ভাঙ্গি, তাৰ তামোলবাৰীৰ ঘৰলৈ খে[দি] পঠোৱাঁহক, সি উত্তৰ পাৰতে থাককগৈ। বজাই মতা[ৰ] ডাঙ্গৰীয়াসকল তাতে মান্তি হল ; আৰু ১৬২৪ শকৰ ব... মাহত নাও মানুহ দি, দোলাসৰীয়া বৰা ছুটা আ... চাওডাঙ্গৰ বৰা দুটাই সৈতে কলিতা ফুকনক তামোল-বাৰীত থোৱালে।

কলিতা ফুকনে তামোলবাৰীত স্বয়ম্ভে ইফাল সিফা[ল] পৰা অনেক মানুহ গোটাই লৈ, অস্ত্ৰশস্ত্ৰ ধৰাই "স্ব[য়ং] বজা" বুলি ঘোষণা কৰিলে, আৰু কেচামাটি পৰ্ব্বতত এ[টা] কোঠ মাৰি আহোম বজাৰ বিপক্ষে ঠিয় দিবলৈ যোগা[ৰ] কৰিলে। কোনো ভগা বৰুৱা ফুকনৰ ল'ৰা বা বাজৰ... পোৱা মানুহ পলাই গৈ তাত সোমালেগৈ. ইয়াৰপৰা বৰ বৰুৱাৰ টেকেলা গৈ কাকো আনিব নোৱাৰে,— সিবোৰক কলিতা ফুকনে এৰি নিদিয়ে। কলিতা ফুকন[ৰ] এনেবিলাক কাৰ্য্যত ক্ৰমে স্বৰ্গদেৱ নিজেও বৰ অসন্তুষ্ট হল[;] আৰু সেই শকৰে জেঠ মাহত দিহিঙ্গীয়া ফুকন লেধাইকে[,] লাহনৰ ডেকা ফুকনকে, দেওবিলীয়া নেক ফুকনকে, কে'[ৱা] সেনাপতি আৰু বৰ গোহাঁই। লৰি গোহাই, এই সকলৰ ... গা-মানুহে সৈতে কলিতা ফুকনক ধৰি আনিবলৈ পঠালে। সিবিলাকেও বান্দৰ ডেৰা ঘাটে দিহিং পাৰ হ'ল, আৰু মৰঙ্গীখোৱা গোহাঁই আৰু স'লাল গোহাঁই দুয়োজনে লুইতেদি উজাই আহি লগ ললেহি। পাচে সকলোৱে গৈ কলিতা ফুকনক বেৰি ধৰিলে। কলিতা ফুকনৰ লগৰ মানুহ ভাগি পলাল. কলিতা ফুকন আৰু পুতেক দুয়ো গৈ কেচামাটি পৰ্ব্বতৰ কোঠত সোমাল গৈ। পাচে আমাৰ কৌৱৰ সেনাপতিয়ে খেদি গৈ, বাপেক পুতেক দুইকো ধৰিলে। কিন্তু সিহঁতক সাঙ্গুৰি নগৰলৈ আনিব পোৱাতে, বাটতে বাতি চোৰে কাটিলে। কোনোৱে কয় কলিতা "স্বয়ং বজাক" ধৰাই আনি আমাৰ স্বৰ্গদেৱে শালত দিয়াই মাৰিলে ; কিন্তু সেইটো সচা নহয়। কুকুৰা-চোৱা বৰাৰ পুতেক সতৰামলৈ চন্দ্ৰকান্ত সিংহৰ যেনে মৰম, লক্ষ্মীসিংহ স্বৰ্গদেৱৰ মৰম কলিতা ফুকনলৈ তাতকৈ কোনো অংশে হীন নহয়। স্বৰ্গদেৱে কলিতা ফুকনক ধৰি আনিবলৈহে আদেশ কৰিছিল ; মাৰিব কাটিবলৈ একেবাৰে নিষেধ আছিল। কৌৱৰ সেনাপতিয়ে নগৰ পাই যেতিয়া কলিতা ফুকনক বাটত আনোতে বাতি চোৰে কটা কথা স্বৰ্গদেৱত জনায়হি, স্বৰ্গদেৱে তেতিয়া তেওঁক দায় ধৰি জিঞ্জিৰি লোৱা লগাইছিল ; চাৰি মাহৰ মূৰতহে অনেকে বুজুৱা মেলাত সেই লোৱা মেলিবলৈ স্বৰ্গদেৱে আদেশ কৰিছিল।

শ্ৰীহিতেশ্বৰ বৰ বৰুৱা।

(২) বজাৰ চাঙ্গত তামোল পাণৰ বটা দিয়ালেই বিদায় দিছে বুলি জানিব লাগে। মুখেৰে বিদায় দিয়াৰ প্ৰথা নাছিল। তামোল পাণৰ বটা দিলেই, তাত এক মুহূৰ্ত্তো থাকিব নাপায়।



---

# পথিক।

( শিশু-ৰচনা )

নেলাগে উলটি চাব হেৰা বাটৰুৱা
যোৱা তুমি গন্তব্য পথত।
কি হ'ব উলটি চালে, কিনো লাভ তাত ?
হ'বা মাথোঁ বিভোল মায়াত।

সময় পখিলা নিতে উৰিব লাগিছে
অবিৰামে নলৈ জিৰণি।
হাঃ! কন্দা, মানবৰ ঘটিছে সদায়
নাই হায় বিৰাম অকণি।

কত দূৰ আৰু তুমি লাগিব যে যাব
সময়ৰ সোঁতত বাগৰি।
মায়া মোহ আদি কৰি বিঘিনি পথৰ
ছলে জোঁডে আছে বাট ভৰি।

গধুৰ কৰ্ত্তব্য বোজা পৰিছে কাণত
অকলৈ নোৱাৰা ডাঙ্গিব।
নিচেই অকণি তৰ জীৱন-তৰণী
মাজ বাটতেই বুৰি যাব।

তাকে ভাবি নে কি বৈ থমকি থমকি
পিচলৈ চাইছা ঘনাই ;
অকলশৰীয়া তাতে বাট ভালে খিনি
কিয় তুমি ৰোৱা মিছাকৈ ?

কিটো নো ভাবিছা তুমি নিজজাল মনে,
হেৰুৱালা স্থিৰতা মনৰ,
দুঃখ শোক ভাবি মন কৰিছা গধূৰ
কিয় এনে চঞ্চল অন্তৰ ?

আমিওতো আছোঁ ঘূৰি তোমাৰ দৰেই
কৰ্ত্তব্যৰ ডোলত সদায়,
দুখ শোক দুৰ্ব্বলতা সমানে এভাগে
আছে হায় আমাকো মেৰাই।

আৰু কত ঘূৰি পৰি লাগিব যে যাব
জীৱনৰ পথত বগাই।
কত খলা বমা আছে দূৰ দূৰণিত
একো তাৰ লেখ জোখ নাই।

সকলোৰে আছে এটি নিৰূপিত সীমা
সাগৰৰো দেখা যায় পাৰ,
পৰাণ থাকোতে মাথোঁ দেহাৰ মাজত
ই পথৰ নাই অৱসৰ।

তথাপিও যেন এটি বিষাদৰ সুৰ
আছে বাজি তোমাৰ মনত,
কিবা এটি যেন তুমি বুজাব খুজিছা
কিন্তু কথা নুফুটে মুখত।

কিয় তুমি মোৰ ফালে একেঠৰে চাই
চকুনিয়াহ কাঢ়িছা দুখেৰে?
আবেগ ভাৱৰ এটি দৃষ্টি সকাতৰ
উথলি উঠিছে ধীৰে ধীৰে।

বুজিছোঁ মনৰ ভাব চিন্তাৰ কাৰণ
শুনা হেৰা দুৰ্ভগা পথিক,
সংসাৰৰ সকলোটি মাথোঁ দুদিনীয়া
সুখ দুখ সকলো অলীক।

ৰাতিপুৱা ফুলে ফুল নানা বৰণীয়া
দশোদিশ মজাই গোন্ধত,
কিন্তু সেই ফুলে আৰু নিদিয়ে সুবাস
দুপৰীয়া ব'দৰ তাপত।

সকলোৰে একেদৰে নেথায় জীৱন
আহে দুখ সুখৰ পাচত,
তাকে ভাবি নকৰিবা মিছাতে বেজাৰ
ধৈৰ্য্য ধৰা তাপিত মনত।

গৈ থাকা একেবাহে কৰ্ত্তব্য সোঁতত
পিচলৈ নেচাবা ঘুনাই,
নিয়তি কোলাত শুই, কৰ্ত্তব্য শেষত,
পাবা এক বিতোপন ঠাই।

শান্তিৰ শীতল ছায়া বিৰাজিছে তাত
নাই তাত বেজাৰ বিননি,
কৰিছে পোহৰ তাত স্বৰ্গীয় কিৰণে
নাই তাত পাপৰ বান্ধনি।

সদায় বসন্ত ঋতু বিৰাজিছে তাত
শোক দুখ নাই এখনিও,
আনন্দেৰে ভৰা নিতে সি প্ৰেম-নগৰ
সুলুকায় আশা কেতিয়াও।

সংসাৰৰ দুখ তাপ নানান্ যাতনা
সিদেশত নোৱাৰে সোমাব,
বিষম চক্ৰত ঘূৰি হাবাথৰি খাই
চকুপানী নেলাগে টুকিব।

অভিনয় শেষ কৰি জীৱন পটৰ
যাব গ'লে প্ৰানৰূপী বেলি,
সকলো পাহৰি তুমি প্ৰকৃতি-কোলাত
ল'ব পাৰা সন্ধিয়া জিৰণি।

শ্ৰীঅৰবিন্দধৰ বৰুৱা।

---

# শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বাল্য-খেলা।

আমাৰ লৰাছোৱালীবিলাকে লৰি-চাপৰি, জপিয়াই, নাচি-বাগি ফুৰিলে আমি বেয়া পাওঁ। তেনেকৈ ফুৰিলে সিহঁতক আমি অতপালি কৰাহে বোলোঁ। আৰু দুষ্ট, টটাটিজা, নিলাজ, ধূৰ্ত্ত আদি অধাইত অধাইত নামবোৰ দিওঁ। সিঁহতে আমাৰ নিচিনাকৈ মনে মনে বহি থাকিলেহে আমি ভাল পাওঁ। কিন্তু স্বাস্থ্যৱান লৰা-ছোৱালী বিলাকে তেনেকৈ হাত ভৰি সাবটি, মনে মনে ব... থাকিবলৈ ভাল নেপায়। সিহঁতে হাঁহি-মাতি নাচি-বাগি ছিঙি-ভাঙি এটা নহয় এটা কিবা কৰিয়েই ফুৰে... তেনেকৈ ফুৰাটো লৰা-ছোৱালীৰ ভালৰহে লক্ষণ...



যিবিলাক লৰা-ছোৱালীয়ে সদায় নমতা নোলোলাকৈ আমন্ জিমন্‌কৈ ফুৰে, সেইবিলাক লৰা-ছোৱালীৰ সচৰাচৰতে কিবা আন্তৰিক ৰোগ আছে বুলিহে জনা উচিত।

শ্ৰীৰামচন্দ্ৰ, শ্ৰীকৃষ্ণ আদি কৰি যিসকল মহাপুৰুষক আমি ঈশ্বৰৰ অৱতাৰ বুলি পূজা কৰোঁ, সেই সকলৰো লৰা-কাল অনেক ৰং ধেমালিৰে ভৰা। সেই দৰে আমাৰ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ লৰা-কালতো নানান্ ৰং-তামচাৰ কথা পোৱা যায়।

শঙ্কৰদেৱৰ সৰু কালৰ প্ৰধান লগৰীয়া আছিল ৰামৰাম আৰু কেতাই। ৰামৰাম ভূঞা বংশৰ পুৰোহিতৰ ল'ৰা, তেওঁ চিৰজীৱন শঙ্কৰদেৱৰ লগতে থাকিছিল। কেতাই বুঢ়াখাৰ পুতেক। বুঢ়াখাই শঙ্কৰদেৱৰ পেহীয়েক অৰুণীক বিয়া কৰাইছিল। এওঁবিলাকো ভূঞা, আৰু ক্ষমতাশালী গৃহস্থ আছিল। চন্দৰী আৰু মাধৱী নামে দুজনী ধায়ে শঙ্কৰদেৱৰ আল্‌পৈচান ধৰিছিল। আৰু প্ৰজা নামে লগুৱা এজনে তেওঁক কান্ধতকৈ লৈ ফুৰাইছিল।

শঙ্কৰদেৱে সৰুতে ইখৰ সিখৰকৈ ফুৰিব পৰা হ'লতে, অ'ৰ বস্তুটো আনি ত'ত থয় ত'ৰ বস্তুটো নি অ'ত থয়. এই দৰে যিহকে আগত পায়, তাকে ভাঙি পাতি যি ইচ্ছা তাকে কৰি ফুৰিছিল। কাৰবাৰ চোতালত পৰাচি-পাচি পালে, তাৰ ওপৰতে উঠি জপিয়ায়; কেতিয়াবা আকৌ গৰুৰ নেগুৰত ধৰি ওলমি যায়। চন্দৰী ধাইমাকেহে গৈ লৈ আহেগৈ।

৺ৰামচৰণ ঠাকুৰ ৰচিত শঙ্কৰ চৰিত পুথিত এইদৰে দিয়া আছে:—

"ঋৰা কুম্ভা বেলা বাটি হাতে পাৱে যত।
পাইলে ধৰি তাহাক আফালি কৰে হত॥
মহা কৌতুহলে যাই ফুৰে ঘৰে ঘৰে।
পৰাচিক তুলি পাইলে উঠয় উপৰে॥
চতলত ফুৰন্তে গৰুৰ দৰে লাকে।
ওলমিয়া যাৱয় ভৰিৰে মাটি সাকে॥
শঙ্কৰক আনয় গৰুক কোবাই খেদে।
লবয় কোলাত চন্দ্ৰীয়ে যাইবে নেদে॥"

আৰু কেতিয়াবা মনে মনে গোসাঁইঘৰত সোমাই দেৱীৰ মূৰ্ত্তিবোৰ ভাঙি-চিঙি খানবান কৰি পেলায়হিগৈ। তাত কোনোবাই দেখা পালে ভয়ত মাৰে বুলি ওলাই নাহি ঠেহ্ পাতি বৈ থাকে।

এইদৰে তেওঁ দিনক দিনে বাটে পথে ফুৰিব পৰা হ'লত, বাটলৈ ওলাই গৈ লগৰীয়াবিলাকেৰে ধূলিৰে ঘৰ সাজি, বালিৰ ভাত ৰান্ধি, ৰং ধেমালি কৰি ফুৰে। আৰু ইটোৱে সিটোক সিটোৱে ইটোক বালি ভাত মুখত ঘঁহি দি ৰং কৰি কিৰিলি পাৰি হাঁহে।

"শঙ্কৰৰ পাততে দিলন্ত আনি আগে।
আনো বালকক পাচে দিলা মহাভাগে॥
বসিলন্ত ৰামৰাম শঙ্কৰৰ পাশে।
ধূস্তুৰিত ঘঁহি বালি মহাৰঙ্গে হাসে॥"

—৺ৰামচৰণ।

ওচৰেদি বাটত কোনোবা মানুহ গ'লে, মানুহবিলাকক দলিয়ায় আৰু মানুহবিলাকেও লৰাছোৱালীৰ ধেমালি বুজিব পাৰি একো ন'কৈ গুচি যায়।

"ফুৰন্ত উমলি মাৰে গাৱে দলি
বালকৰ দেখাই ভাৱ।
মাৰে মাৰে বুলি ৰঙ্গে হাত তুলি
কাতি কৰে কেহো যাৱ॥"

—৺ৰামচৰণ।

শঙ্কৰে এদিনাখন উমলি থাকোতে, ভেকুৰী নামে ল'ৰা এটাৰ কাপোৰ এখন ফালিলে। সি "ফটা কাপোৰ ভালকৈ দে" বুলি শঙ্কৰক ধৰিলত, দুইৰো জোঁটাপুটি লাগি, ভেকুৰীৰ আকৌ হাত এখনো ভাঙিল। ভেকুৰীয়ে কান্দি কান্দি গৈ বাপেক হৰিক গোচৰ দিলেগৈ। হৰিয়েও পুতেকক লৈ কুসুম্বৰৰ ওচৰলৈ গ'ল, পাচে কুসুমে "দুষ্ট লৰা কিনো কৰিম" বুলি হৰিক বঢ়াই বুজাই পঠাই দিলে।

"মনদুখে হৰি মাতিলন্ত কুসুমক।
পূৰ্ব্বাপৰ কথা কৈলা দেখায়া পুত্ৰক॥
বুলিলন্ত ভূঞা ইটো কথা দুই ভাল।
কি কৰিবো কাক মই অবোধ ছাৱাল॥"

—৺ৰামচৰণ।

তাৰ পাচত শঙ্কৰদেৱৰ ভায়েক ৰনগঞ্জা গিৰীৰ জন্ম হয়। ৰনগঞ্জা গিৰী দিনক দিনে ডাঙৰ হৈ আহিল।

শঙ্কৰে বনগঞ্জা গিৰীক উমলিবলৈ লগৰীয়া পাই আৰু ভাল পালে। তেওঁ কুকুৰ-মেকুৰী পোৱালিবোৰ লৈ উমলিবলৈ বৰ ভাল পাইছিল; আৰু সিহঁতক বৰ মৰমো কৰিছিল। তেওঁলোকৰ ঘৰত এজনী কুকুৰ আছিল। তাইৰ দুটা পোৱালি হ'ল। পোৱালি কেইটাক তেওঁ ঘৰ সাজি দিছিল আৰু সিহঁতে ৰাতি জাৰত দুখ পায় বুলি গাত কাপোৰ পিন্ধাই দিয়ে।

"সক ছাৱ দুটি সিটো পৰম সুন্দৰ।
ভাল মতে বাসা সাজি থলন্ত শঙ্কৰ ॥
জাৰে শীতে ৰাতে দুখ পাৱে বুলি আতি।
বস্ত্ৰ ওৰাই থোৱন্ত বাসাত তাক ৰাতি ॥"

—৺ৰামচৰণ।

শঙ্কৰদেৱে এদিন লগৰীয়াবিলাকেৰে উমলিবলৈ গৈ এডোখৰ হাবিৰ ওচৰত ম'ৰা চৰাই এটা দেখি, তাক খেদি নি ধৰি আনিলৈগৈ। তাৰ পাখি কাঢ়ি এৰি দি লৰাবোৰেৰে আকৌ লৰুৱাই নি ধৰেগৈ। এনেকৈ খেমালি কৰি থাকোঁতে ম'ৰাটো মৰা যেন হ'ল; শঙ্কৰে তেতিয়া তাক মুখত ফু ৰাই ফু ৰাই জীয়াই উকৰাই দিলে। কিন্তু ম'ৰা চৰাইটো ববকৈ উৰি যাব নোৱাৰা দেখি শঙ্কৰদেৱে লৰি গৈ আকৌ তাক ঠোঁটে ঠেঙে জপটিয়াই ধৰি লৈ আহিলগৈ। ম'ৰাটো তেতিয়া উশাহ নেপাই মৰি গল।

"চপ্ চপ্ কৰি পাচে দিলেক উৰাৰ।
বেগে যাইবে নপাৰে পাখাৰ ভৰে গাৰ ॥
শঙ্কৰে লৰৰি খেদি গেলা আৰোবাৰ।
ঝাম্প দিয়া ছুয়ো ঠেঙ্গে ধৰিলন্ত তাৰ ॥
পখা ঝপাই ঠোঁটত ধৰিলা মুঠি কৰি।
বায়ু নিৰোধিয়া সিটো প্ৰাণে গেলা মৰি" ॥

—৺ৰামচৰণ।

শঙ্কৰদেৱে কেতিয়াবা খেমালিতে বায়ু নিৰোধ কৰি গাৰ অঙ্গ প্ৰত্যঙ্গ ফিন্দাই দিছিল। এনে কৰাত গাৰ ধাক-মনিবোৰ ছিগি গৈছিল। সেইবোৰ ওচৰত থকা লৰাবোৰে বুটলি লৈ "কুসুম্বৰ আগত কৈ দিওঁগৈ" বুলি লৈ যায়। শঙ্কৰে তেতিয়া সিহঁতক খুজি নেপালে কাঢ়ি লৈ জোৰা দি আকৌ পিন্ধি আতাইতকৈ আগেয়ে গৈ ঘৰ ওলায়গৈ।

"টাৰ থাক যত খুজিয়া সমস্ত
এবে কেনে নিয়া কাঢ়ি।
সবাকে দেখাই শঙ্কৰ গোসাঞি
লৰৰ মাৰয় ভিড়ি ॥
মনি থাক টাৰ পিন্ধিয়া শঙ্কৰ।
হাতক নেচাৰি যাই।
শিশু সবে দেখি নয়ন নিৰোধি
স্তব্ধ দিয়া থাকে চাই" ॥

—৺ৰামচৰণ।

শঙ্কদেৱে ববকৈ সাঁতুৰিব পাৰিছিল। তেওঁ লগ[ৰ] যোৱা লৰাবোৰে গা ধুবলে সিহঁতকো টানি নি পানী[ত] জুবুৰিয়াই ধৰেগৈ। এদিন তেওঁ খিলা কাড় খেলি ... গা ধুবলৈ গৈছিল। কিছুমান লৰাই সাতুৰিব নেজানি[] গা নোধোৱাকৈ বামত উঠি আছিল। শঙ্কৰে সিহঁ[ত] সাঁকোৱালি ধৰি নি পানীত জুবুৰিয়াই ধৰিলেগৈ। পাচ[ত] আকৌ আনি বামত তুলি থ'লেহি। এনেকৈ কৰোঁ[তে] কেইবাটাও লৰাই পানী খাই আধা মৰা হৈছিল।

"দুই চাৰি জনকো শঙ্কৰে ঝপাই ধৰি।
জলৰ ভিতৰে নেই আস্কোৱাল কৰি ॥
আটায় পাৰয় অতি মৰোঁ মৰোঁ বুলি।
থৰে আৰো বাৰ আনি কাথৰত তুলি ॥
পানী খায়া কতোজনে কৰে ঠেলা ঠেলি।
হেন দেখি শঙ্কৰে হাসয় কৰি কেলি ॥
ৰামৰামে বুলিলন্ত শঙ্কৰক চাই।
মনুষ্যৰ বধক তোমাৰ শঙ্কা নাই" ॥

—৺ৰামচৰণ।

শঙ্কৰে পানীত ডুব মাৰি বহুত তললৈকে যা[ব] পাৰিছিল। তেওঁলোকে এদিন গা ধুই বামত ব'হ[ি] থাকোঁতে ঘাটত থকা মূঢ়াগছ এডালৰ ওচৰত এ[টা] চিতল মাছে কিচা মৰা দেখি, মাছটো কোনোবাই ধ[ৰি] আনিব পাৰিবনে সোধা-সুধি কৰিলে। শেষত কোনে[ও] সাহ নকৰাত ৰামৰামে ক'লে—

"ৰামৰাম বালকে কহিলা শুনি পাচে।
মুখা হাতে ধৰিবাক শক্তি কাৰ আছে" ॥



এই কথা শুনি শঙ্কৰদেৱৰ কঁকালত কাপোৰ বান্ধি ওলাল:—

"শঙ্কৰে বোলন্ত মোৰ বাক্য শুনিয়োক।
মৎস্য ধৰোঁ তুমিসবে কিবা দিবা মোক" ॥

তাৰ পাচত শঙ্কৰে বুৰ মাৰি গৈ কিছু পৰৰ মূৰত মাছটো ধৰি আনিলেগৈ। মাছটো ইমান ডাঙৰ আছিল যে তাক দুজনে সাঙি কাৰহে নিব পাৰিছিল।

"একডাল বাঁহ আনি বান্ধিলন্ত সাঙ্গি।
ৰামৰাম কেটায়ে গলন্ত কান্ধে দাঙ্গি ॥
মাটি লুটি যাই তাৰ ফান্দ দীৰ্ঘ ছন্দ।
আগে পাচে যাই শিশু কৰিয়া আনন্দ" ॥

—৺ৰামচৰণ।

আৰু এদিন শঙ্কৰদেৱে লগৰীয়াবিলাকেৰে নদীৰ পাৰলৈ ফুৰিবলৈ গৈ পাৰতে বহি নানান কথা পাতি আছিল। এনেতে নদীত কেইটামান শিহু ওলোৱা দেখি, সকলোৱে আগৰ দৰে শঙ্কৰক এটা শিহু ধৰি আনিবলৈ খাটিলে। শঙ্কৰেও সিহঁতৰ কথামতে গৈ নদীত ডুব মাৰিলে। সেই বাৰ শঙ্কৰে পানীৰ তলত বহুত পৰ আছিল। লগৰীয়াবোৰে শঙ্কৰৰ কিবা হ'ল বুলি ভাবি কান্দিবলৈ ধৰিলে। আৰু প্ৰধান লগৰীয়া ৰামৰাম আৰু কেতাইৰ মুখ শুকাই গ'ল।—

"বনগঞ্জা বোলে আমি ঘৰে গুচি যাওঁ।
ইসব কথাক বুঢ়ীআইত কহি চাওঁ ॥
কিছো কিছো কান্দয় মনত কৰি দুখ।
ৰামৰাম কেতাইৰ শুকাই গৈল মুখ ॥
আনো শিশুসকলৰ মুখে পানী নাই।
আছে সবে বসি শঙ্কৰকে বাট চাই ॥
কৰন্ত বিষাদ অতি গালে দিয়া হাত।
ওঠ কণ্ঠ শুকাইল মুখত নাহি মাত" ॥

ইফালে:—

"শঙ্কৰে যে পাইলন্ত মাটিৰ গধা শুৰি।
আৰু ধৰিলন্ত শুসক জলত খুজি গুড়ি ॥
কান্ধে ধৰি জাবিচাবি হাতে ওলাইলন্ত।
দেখি সবে বিক্ষ দিয়া আনন্দে নাচন্ত" ॥

"শঙ্কৰক মাতে ৰঙ্গে দিয়া হাত বাৱ।
বজ্ৰাৱয় চাপৰি উল্লাসি গেলা গাৱ" ॥

—৺ৰামচৰণ।

শঙ্কদেৱে ইমান সাঁতুৰিব পাৰিছিল যে, তেওঁ এবাৰ ভাদ মহীয়া ভৰা ব্ৰহ্মপুত্ৰ নদীত সাঁতুৰি ইপাৰ সিপাৰ হৈছিল। এদিন তেওঁ লগৰীয়বিলাকেৰে সেতে নদীত সাঁতুৰিবলৈ গ'ল আৰু কোনে ব্ৰহ্মপুত্ৰ ইপাৰ সিপাৰ হ'ব পাৰে চাবৰ মনেৰে লগত নাও লৈ সাঁতুৰি খেৱা মেলিলে।

"শুনা শুক পুত্ৰ ৰাম কৰোঁ আসা এক কাম
সাঁতুৰি সিপাৰে সবে যাওঁ।
দুই নাৱ দুই পাশে ৰায়া যাওঁ দুই কাষে
পাৰ হৈবে পাৰে কোনে চাওঁ ॥
সবে যদি পানী খাই আত কিছো লজ্জা নাই
ঝাম্প দিয়া উঠিব নাৱত।
হেন বাক্য শুনিলন্ত ততকালে উঠিলন্ত
ৰামৰাম আদি কৰি যত ॥"

কিছু দূৰ গৈ আনবিলাক লৰা নাৱত উঠিল; কেৱল ৰামৰাম আৰু শঙ্কৰদেৱে সিপাৰ পালেগৈ। সিপাৰৰ পৰা ৰামৰামো নাৱত উঠিহে নদী পাৰ হ'ল, কিন্তু শঙ্কৰদেৱে আকৌ সাঁতুৰি ইপাৰলৈ আহিল। ব্ৰহ্মপুত্ৰৰ ইমান কোবেও তেওঁক অলপো ভটিয়াই নিব নোৱাৰিলে।

"শুক পুত্ৰ ৰামৰাম জিৰাইলন্ত পাই বাম
পাৰ ভৈলা নৌকাত চৰিয়া।
শঙ্কৰে কাথৰ পায়া পুহু আইলা সাঁতুৰিয়া
অপ্ৰয়াসে চাপিল আসিয়া ॥
যেহি ঘাটে নামিলন্ত সেহি ঘাটে চাপিলন্ত
এক পাৱ ন্যুনাধিক নাই।
নভৈল উজান ভাটি দেখিয়া বালক যাঠী
স্তব্ধ দিয়া বসি আছে চাই" ॥

শঙ্কৰদেৱৰ পোন্ধৰ দিনীয়া বয়সতেই মাতৃ সত্য-সন্ধ্যা আইৰ পৰলোক হয়। তাৰ পাচত তেওঁৰ বয়স প্ৰায় ৫। ৬ বছৰ হওঁতেই আকৌ পিতৃদেৱ কুসুম্বৰেও ইহলোক পৰিত্যাগ কৰিলে।

* বনগঞ্জা গিৰীৰে সেতে দুয়ো ভায়েক বুঢ়ী-আই খেৰসূতীৰ আপদালতে ডাঙৰ দীঘল হ'ল। তেতিয়াও শঙ্কৰ দেৱৰ ৰং-ধেমালি কমক ছাৰি একাচি চৰিছিলহে। তেওঁ দিনৰে দিনটো খেলা-ধেমালি কৰিয়েই কটাইছিল। দৈত্যাৰি ঠাকুৰ ৰচিত শঙ্কৰ-চৰিতত এইদৰে বৰ্ণোৱা আছে :-

"কুসুমৰ মাতৃ শঙ্কৰৰ বুঢ়ী-আই।
তেহে তুলিলন্ত বৰ ভৈলা দুই ভাই॥
ফুৰন্ত উমলি শিশুগণ লৈয়া সঙ্গে।
নানা ক্ৰীড়া কৰি কতো ফুৰা মন ৰঙ্গে॥"
ফল ফুল টোকোৰা খেলান্ত কতো বেলা।
বিলা খেৰি খেলা কতো কতো ভাণ্টা খেলা॥
কতো ভাকু-লুকা কতো লৰৰা-লৰৰি।
কতো হৰিধ্বনি কৰি বজান্ত চাপৰি॥
কতো বেলা শিশুগণ সমে হুয়া শাৰী।
বনে বনে বটা চৰাই ফুৰন্ত বিচাৰি॥
আন শিশুগণে বটা গোটেকো নপান্ত।
দুই চাৰি আনন্দতে শঙ্কৰে ধৰন্ত॥
বটা মেলি দিয়া পাচে গৃহত আসন্ত।
কতো শিশুগণ সমে শৃগাল খেদন্ত॥"

এইদৰে শঙ্কদেৱে ৰাতিয়ে দিনে খেলি ফুৰোঁতে কেতিয়াবা খাবলৈকো পাহৰিছিল। বুঢ়ীমাকেহে বিচাৰি আনেগৈ। আৰু কেতিয়াবা আন লৰাৰে দন্দ্ লাগি বুঢ়ীমাকৰ ভয়ত ঘৰলৈকে নেচাপিছিল। বাহিৰে বাহিৰেই পলাই ফুৰে—

"ৰাতি দিন ফুৰে অতি খেলা লীলা কৰি।
আনো দোষে লোকৰ বালক মাৰে ধৰি॥
হেন দেখি বুঢ়ীআই মনে কৰে দুখ।
ইহাৰ নিমিত্তে মোৰ কিছু নাই সুখ॥
অবচনকাৰী শিশু কোন বুদ্ধি কৰোঁ।
আজি আৰে আৰু মই কেন মতে ধৰোঁ॥
হেন জানি শঙ্কৰে নাসন্ত ঘৰে পাচে।
খিপৰক লাগি বুঢ়ী বাট চাই আছে॥
নাসন্ত শঙ্কৰদেৱ মাৰিবাক ডৰে।
বিচাৰিবে মনে বুঢ়ী গৈলা অনন্তৰে"॥

"মনে মনে যাই বলি সতী লাসে লাসে।
বসিছা শঙ্কৰ শিশু সমস্তৰ পাশে॥
থাম্প দিয়া যাই হাতে ধৰিলন্ত বুঢ়ী।
দেখি শঙ্কৰৰ যেন ধাতু গৈলা উৰি॥
হাতক এৰাইয়া বেগে দিলেক লৰ।
খেদয় পাচত বুঢ়ী কৰি টৰবৰ"॥

পাচত ভায়েক বনগঞ্জা গিৰীয়েহে বিচাৰি বঢ়াই বুজাই লৈ আহেগৈ।

শঙ্কৰক লৰত কোনেও নোৱাৰিছিল; আন কি তেওঁ লৰি গৈ বনৰ পহুকো ধৰি আনিব পাৰিছিল। এদিন গাৱঁৰ মানুহবিলাকে বিলত মাছ মাৰিবলৈ গৈছিল। তাকে দেখি লগৰীয়াবিলাকেৰে শঙ্কৰো সিহঁতৰ পাছে পাছে গল। সিহঁতে গৈ বিলৰ ওচৰ পাওঁতেই এটা হৰিণা পহু দেখা পালে। শঙ্কৰে তাক ধৰি আনিবলৈ মন কৰি পাচে পাচে কিছু দূৰ খেদি গৈ ধৰি আনিলেগৈ। তাৰ পাচত নিৰ্জু পহুটোলৈ মৰম লাগি তাৰ কোনো অনিষ্ট নকৰি এৰি দি ৰং চালে। কিন্তু পহুটোৱে এৰণ পাই ভয়ত উধাতু খাই লৰ দিওঁতে অলপ দূৰতে গৈ পৰি মৰিল।

"খেদক পশুক কৰি উকমুক
নপাৰয় কেহো লাগ।
শঙ্কৰে দেখিয়া তাক খেদি নিয়া
ভেটিলেক গৈয়া আগ॥
ধৰিলা গলত যেহেন পলোত
মৎস্যক কৰিলা বন্দী।
ধৰিলা হেৰাই শঙ্কৰ গোসাঁঞি
পলাইবাৰ নাই সন্ধি॥
চাপিলন্ত কোল কৰি জোকা-জোক
ডেকা গিৰি বুলি বুলি।
কৰে লোকে ৰোল বেৰি চাৰি কোল
নাচে সবে হাত তুলি॥
হেন মতে আছে কত বেলি পাচে
মৃগগোট এৰি দিল।
দেখি আছে চাই মৃগ পলাই যাই
বনত পৰি মৰিল॥"

—৺ৰামচৰণ।



শঙ্কৰদেৱক লৰত যেনেকৈ কোনেও নোৱাৰিছিল, বলতো তেনেকৈ তেওঁ বৰ বলী আছিল। এদিন তেওঁ লগৰীয়াবিলাকেৰে জাৰণিৰ মাজৰ বাট এটাইদি ফুৰিবলৈ যাওঁতে বাটৰ ওচৰতে এটা ভালুক শুই থকা পাই, হাতীত উঠাদি জাপ মাৰি তাৰ ডিঙিত উঠিল। ভালুকেও সাৰ পাই উঠি হুকৃহুকাবলৈ ধৰিলে। লগৰ লৰাবিলাকে ভয়ত গছত উঠিলগৈ। শঙ্কৰে কিন্তু ভালুকক কাণে মূৰে জপটিয়াই ধৰি হেঁচি পুটকি তাক লুটিয়াই পেলাই দিলে; অলপ সময় থাকি ভালুকৰো জীৱ গ'ল। ইয়াৰ পাচত সকলো উভতি গ'ল।

"মৰিল ভালুক গোট শঙ্কৰৰ পায়া চোট
সবাৰ হৰিষ ভৈল চিত্ত।
শঙ্কৰে গুৰুক মাতি সাদৰ কৰিলা আতি
ঘৰে গৈল কৰি আনন্দিত"॥

শঙ্কৰদেৱৰ বল-বুদ্ধিৰ দৰে সাহো কম নাছিল। এদিন ৰাতি তেওঁলোকৰ ঘৰত এটা সাপ সোমাইছিল। খেৰসূতী আৰু চন্দ্ৰীৰ দেখা পাই চুলিৰ আগে জীৱ গ'ল। দুয়ো ভয়ত চিঞৰিবলৈ ধৰিলে। শঙ্কৰে চিঞৰ বাখৰ শুনি লৰি আহি ওচৰ পালেহি; আৰু আগত সাপটো দেখি তাক তেওঁ অকণো ভয় নকৰাকৈ খাপ মাৰি নেজত ধৰিলে আৰু একে চোঁচাই টানি বাজ পোৱালেহি। বাজত মূৰৰ ওপৰেদি ঘূৰাই দূৰলৈ দলি মাৰি পেলাই দিলে সাপৰো মাটিত পৰা মাত্ৰে জীৱ গল।

শঙ্কৰদেৱে প্ৰায় ১২।১৩ বছৰ বয়সলৈকে ৰং ধেমালি কৰিয়েই কটাইছিল। খেৰসূতীয়ে তেওঁৰ তেনে গতি মতি দেখি মনে মনে বৰ দুঃখ কৰে। এদিন শঙ্কৰদেৱে ভাত খাই থাকোঁতে খেৰসূতীয়ে ওচৰতে বহি তেওঁক বৰকৈ বুজালে। শঙ্কৰেও নেমাতি মনে মনে থাকি সেই দিনৰপৰা পঢ়াশালিলৈ যাবলৈ ধৰিলে।

"গৃহক আসিয়া পাচে ভোজন কৰন্ত।
সেহি সময়ত তান্ক গোসানী মাতন্ত॥
শুনৰে টামন তই উমলি ফুৰস।
এতমান ভলি আসি একো নপঢস"॥

"হেন শুনি শঙ্কৰ পঢ়িবে নিতে যান্ত।
ককালি পৰ্য্যন্তে কলা সবে পঢ়িলন্ত॥
পঢ়িলন্ত আনো যত পঢ়িবে লাগয়।
সন্ধি সংজ্ঞা সকলো সাধিলা মহাশয়"॥

—দৈত্যাৰি।

তেওঁৰ ডাঙৰলৈকে উমলি ফুৰা অভ্যাস হোৱাৰ গতিকে পঢ়াশালিৰ ভিতৰত সোমাই থাকি ভাল নেলাগিছিল। সেই কাৰণে এদিন তেওঁ ঘৰৰপৰা কপ এটকাৰে সেতে কাপোৰ এখন লুকুৱাই নি অধ্যাপকক ভেঁটী দি বিদায় লৈ উমলিবলৈ গ'ল। অধ্যাপকে কিন্তু কাপোৰ টকা নিজে নেৰাখি, খেৰসূতী বুঢ়ী আইৰ হাতত দিলেগৈ। বুঢ়ীমাকে শঙ্কৰৰ দুষ্টালি বুজ পাই, তেওঁ আহি ঘৰ পালতে অধ্যাপকক দিবলৈনো ধন কাপোৰ ক'ৰ পাইছিল বুলি সুধিলে; উত্তৰত শঙ্কৰে ক'লে—

"শঙ্কৰে বোলন্ত টকা বস্ত্ৰ কত পাইবো।
কোনে কৰৈ আমি তাৰ মান্নক কৰিবো"॥

তেতিয়া খেৰসূতীয়ে হাহি পেলাই শঙ্কৰৰ আগত টকা আৰু কাপোৰ উলিয়াই দিলে। শঙ্কৰে লাজত তল মূৰ কৰিলে, আৰু বুঢ়ীমাকক ফাকি দিয়াৰ বাবে অনুতাপ ভুগিলে। সেই দিনাৰেপৰা তেওঁ খেলা ধেমালিৰ ফালে পিঠি দি একানপতীয়া হৈ পঢ়া শুনাত লাগি গ'ল। তেওঁৰ জীৱনৰ প্ৰবল সোঁতে অন্য গতি ধৰিলে। নিজৰ চেষ্টা আৰু পৰিশ্ৰমৰ ফলত অলপ দিনৰ ভিতৰতে এগৰাকী সুবিজ্ঞ পণ্ডিত হৈ উঠিল।

"সেইদিন ধৰি উমলিবেক নযান্ত।
পৰম যতনে গুৰু * গৃহত পঢ়ন্ত॥
বাৰেক দেখাই দিলে এতেকে পাৰন্ত।
অতি অনায়াসে গুৰু তাহক পঢ়ান্ত॥
পঢ়িলন্ত নিৰন্তৰে শাস্ত্ৰ সমস্তয়।
অপ্ৰমাদী পণ্ডিত ভৈলন্ত মহাশয়॥"

ইয়াৰ পাচত তেওঁ গীতা, ভাগৱত আদি হিন্দুৰ শাস্ত্ৰচয় আলোচনা কৰি অন্তত সকলো শাস্ত্ৰৰে মূল একমেৱা-

* ৺ৰামচৰণ ঠাকুৰ ৰচিত শঙ্কৰ-চৰিত মতে।

* মহেন্দ্ৰ কন্দলী শ্ৰীশঙ্কৰদেৱৰ শিক্ষা গুৰু আছিল।

দ্বিতীয়ম্ বিষ্ণুক পাই তেওঁৰ বসতে মজি বৈষ্ণৱ ধৰ্ম্মৰ ভক্তি-পন্থ প্ৰচাৰ কৰিলে। শঙ্কৰদেৱৰ বল শক্তি তেতিয়াও অটুট আছিল। তেওঁ প্ৰায় ২০ বছৰ মান বয়সত এদিন এটা হাবিয়লীয়া বাটেদি ফুৰিবলৈ গৈছিল। এনেতে হাবিত থকা বনৰীয়া ম'হ এটাই দেখা পাই খেদি আহিল। সি আগেয়ে সেই বাটেদি যোৱা ৯ টা মানুহ মাৰিছিল। শঙ্কৰেও তাক দেখি নিৰুপায় হৈ যুজিবলৈকে ঠিক কৰি কঁকালত কাপোৰ বান্ধি সাজু হ'ল। ম'হ আহি ওচৰ পালতে খাপ মাৰি তাৰ শিঙত ধৰিলে, আৰু অলপ সময়তে তাক হেঁচি নি খাৰ মোটোকা-খুৱাই খালত পেলাই দিলে। ম'হটোৰেও ভয়ত প্ৰাণৰ আতঙ্ক মানি কিছু সময় পৰি থাকি চেতন অহা মাত্ৰে গিৰিসাই উঠি লৰি পলাল।

> "খালে পৰি ধৰফৰ কৰে অতিশয়।
> ভয় হয়া চাৰিও চৰণ আছাৰয় ॥
> উঠি মন মৃত্ৰ ত্যজি শঙ্কৰ দেৱক।
> দেখিয়া পলায় আৰু নচাৱে পাচক ॥
> খালে খালে মহা ভয়ে লৰৰি পলায়।
> বঙ্গ মনে শঙ্কৰে আছন্ত তাকে চাই" ॥

তেওঁৰ এনে বলৰ আৰু অনেক প্ৰমাণ পোৱা যায়। ডেকা কালতে আৰু এদিন কিছুমান কছাৰীয়ে তেওঁক ধৰিবলৈ খৰ বেৰা দি আগুৰি আছিল। তাতো শঙ্কৰদেৱে আন কোনো উপায় নেদেখি বেগেৰে ওলাই আহিল; আৰু বলেৰে দুৱাৰ মুখত থকা বলী বগুৱা কছাৰী দুটাক বগৰাই পেলাই দিহতৰ ওপৰেদিয়েই গচকি মাৰি গুচি গল। তেওঁ ডেকা কালত বৰ্ব্বি গৈ হাবিৰপৰা আৰু এটা প্ৰ... ধৰি অনা বুলি ৺ৰামচৰণ ঠাকুৰ ৰচিত শঙ্কৰ চৰিত্ৰ... উল্লেখ আছে। *

শঙ্কৰদেৱৰ সকবেপৰাই বল-বুদ্ধি, সাহ-পিত সকলো... কালেই অঙ্কুৰ আছিল। গতিকে ইমান ডাঙৰ এজন মহাপুৰুষ হৈ উঠাটো তেওঁৰ পক্ষে সিমান অসম্ভৱ নাছিল। তেওঁ নিজৰ অধ্যৱসায় আৰু পৰিশ্ৰমৰ বলত শাৰীৰিক মানসিক আৰু আধ্যাত্মিক তিনিও শক্তিৰে উৎকৰ্ষ সা... সুস্থ সবল দেহেৰে ছকুৰিবছৰীয়া পৰমায়ু লাভ কৰিছিল। তেওঁ বৃদ্ধ অৱস্থাতো অসমৰ ইমূৰৰপৰা বঙ্গ-বিহাৰৰ সিমূ... লৈকে বোজ কাঢ়ি নিজ ধৰ্ম্ম প্ৰচাৰ কৰি ফুৰিব পাৰিছিল।

আমাৰ সকলো বিলাকেই মহাপুৰুষ শঙ্কৰদেৱৰ নিচিনা হ'ব নোৱাৰিব পাৰে, কিন্তু তেওঁৰ নিচিনা বল, বুদ্ধি, সাহ-পিত যে সকলোৰে আছে সেইটো ঠিক। নাই মা... সেইবিলাকৰ পৰিমিত অনুশীলন।

আমাৰ লৰা-ছোৱালীবিলাকে নিয়মীয়া অনুশীলনৰ... সুবিধা নেপায়েই, সিহঁতে নিজে কিবা এটা কৰিব খুজিলে... আমাৰ সুবিজ্ঞ অভিভাৱকসকলে বাঘ, শিয়াল ভূত প্ৰে... আদি নেদেখা নুশুনা কিছুমান ভয়লগা কথাকৈ ব... দিয়ে। ফলত লৰা-ছোৱালীৰ কুমলীয়া হিয়াত ভয় চো... বাহ লয়; আৰু সি দিনক দিনে বল-বুদ্ধি সাহ ধ... আটাইখিনি সাৰ বস্তুকে চুৰ কৰি নিয়ে। তেনে হ... সিহঁত ভৱিষ্যৎ উন্নতি পথত ঘূণীয়া হৈ পৰে।

শ্ৰীযামিনীচন্দ্ৰ দা...

* ঘটনাবোৰ ক্ৰমান্বয়ে শঙ্কৰদেৱৰ লৰাকালৰপৰা ডেকাকাললৈকে ঘটা বুলি ধৰা হৈছে। ৺ ৰামচৰণ ঠাকুৰ ৰচিত শঙ্কৰ চৰিত্ৰত ঘটনা... লগত যি বয়সৰ কথা পোৱা যায় সেইবিলাক সময়ত তেনে ঘটনা ঘটাই অসম্ভৱ। (যেনে:—শঙ্কৰ দেৱৰ ৫ বছৰ বয়সত পানীৰ... মাৰি চিতল মাছ এটা ধৰি আনিছিল।) সেই কাৰণে ঘটনাৰ লগত নিৰ্দ্দিষ্ট বয়স দিব পৰা ন'গল। বোধ কৰোঁ গ্ৰন্থকাৰে শঙ্কৰদেৱৰ... পুৰুষৰ অলৌকিকত্ব দেখুৱাবৰ মনেৰেই তেনে সময় নিৰ্দ্ধাৰণ কৰিছিল।

# স্বৰ লিপি।

ৰচনা—শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা; স্বৰলিপি—শ্ৰীযুত কীৰ্ত্তিনাথ বৰদলৈ।

## ঝিঁঝিঁট্ খাম্বাজ—একতালা।

দিয়া দেবি পোহৰ সুন্দৰ।
(আহা) বীণাপানি, আহা কমলিনি
বোৱা মধুৰ বীণা মনোহৰ ॥
(লোৱা) ভক্তি-লোতক ধাৰ,
হৃদয় আসন চৰণ সেৱন
প্ৰীতি-ফুল উপহাৰ;
(কৰা) কৃপা বিতৰণ কৃপাময়ি
দিয়া দিয়া হিয়া পোহৰাই,
(আহা) বাগ্‌বাদিনি, তম হাৰিণি
হৰা হৰা তম তনয়ৰ ॥


### সঙ্কেত:—

হসন্ত চিন্ দিয়া সুৰবিলাকক উদাৰা, ৰেফ্ দিয়া বিলাকক তাৰা আৰু আনবিলাকক মুদাৰা বুলি জানিব লাগে। বৰ বন্ধনী { } থাকিলে দোহোৰা আৰু দুই কুট ॥ থাকিলে অস্থায়ী বা অন্তৰাৰ অন্ত বুজায়। ঋ গ ম ধ আৰু নিৰ কোমল বুজাবলৈ ৰো গো মী দো আৰু নো লিখা হৈছে।

## অস্থায়ী

| ৩ | | | ০ | | | ১ | | | ২ | | | | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| সা | ঋ | | গ | গ | | গ | গ | ম | ঋ | গ | ম | প | প |
| দি | য়া | | দে | বি | | পো | হ | ৰ | সু | ০ | ০ | ন্ | দৰ্ |
| ৩ | | | ০ | | | ১ | | | ২ | | | | |
| প | ধ | ধ | ধ | ধ | ধ | প | ধ | ধ | ধ | নো | ধ | | |
| আ | হা | বী | ণা | পা | ণি | আ | হা | ক | ম | লি | নি | | |
| ৩ | | | ০ | | | ১ | | | ২ | | | | |
| প | ধ | প | ম | গ | ম | ঋ | গ | ঋ | ঋ | | | | |
| বো | ৱা | ম | ধুৰ্ | বী | ণা | ম | ০ | নো | হৰ্ | | | | |

## অন্তৰা




# আমাৰ খেতি আৰু খেতিয়ক।

( পত্ৰিকাৰ কাৰণে বঙ্গ ভাষাত লিখা ; শ্ৰীযুত কদ্ৰকান্ত গোস্বামীৰ দ্বাৰা অসমীয়ালৈ তৰ্জ্জমা । )

"খেতি" আৰু "খেতিয়ক" কথা দুটা আমাৰ শিক্ষিত সম্প্ৰদায়ে যি ভাবে আলোচনা কৰে, তাত স্বভাৱতে ঘৃণা আৰু উপেক্ষাৰ ভাব প্ৰকাশিত হৈ পৰে। মাজে সময়ে আমি আলোচনীত খেতিৰ বিষয় প্ৰবন্ধ দেখিবলৈ পাওঁ; কিন্তু তাতো ব্যক্তিগত মতৰ বাহিৰে আন একো নাই। ইয়ালৈ শিক্ষিত সমাজৰ দৃষ্টি বৰকৈ নেটানে। ইয়াৰ বাহিৰেও আমাৰ ভাষাত কৃষি সাহিত্যৰ বৰ অভাৱ, এই বিষয়ত আমি নিতান্ত দুখীয়া। সাহিত্যত খেতি আৰু খেতিয়কৰ বিষয় গৱেষণা কৰাটো অনেকে আৱশ্যক বোধ নকৰে। খেতি আৰু খেতিয়ক সম্পৰ্কে শিক্ষিত সম্প্ৰদায়ৰ অজ্ঞানতাই বোধ হয় ইয়াৰ মাই কাৰণ।

আমাৰ কৃষি সাহিত্যৰ যেনে দুৰৱস্থা, খেতি আৰু খেতিয়কৰ অৱস্থাও তেনেকুৱাই। বৰ্ত্তমান যে দেশত এটা অতৃপ্তি আৰু অশান্তিৰ সৃষ্টি হৈছে, তাৰ মূলত অন্নাভাৱৰ এটি ভীষণ হাহাকাৰ গোটেই দেশ জুৰি দেখা যায়। বোধ হয় এই হাহাকাৰৰ প্ৰতিকাৰৰ নিমিত্তেই দেশ কাল পাত্ৰ চাই আজি লৰ্ড আৰ্‌ৱইন্ ( Irwin ) ভাৰতৰ ভাগ্য বিধাতা ৰূপে অৱতাৰ হৈছে। আজি কালি অন্ন সমস্যা সম্বন্ধে ভাৰত জুৰি যি আন্দোলন চলিছে, তাৰেপৰা আমি আমাৰ বহু দূৰৈৰ গাওঁ-ভুঁইৰ ভিতৰৰ অৱস্থা জানিব আৰু ভাবিব পাৰোঁ। দেশৰ খেতিয়কৰ অৱস্থা যে দিনে দিনে হীন হৈ পৰিছে এই বিষয়ে বোধ হয় কাৰো অকণো সন্দেহ নাই।

ভাৰতত খেতি আৰু খেতিয়ক নতুন নহয়, অতি পুৰণা কালৰে আদৰৰ বস্তু। বৈদিক যুগত আৰ্য্যসকলে হাল বাই প্ৰচুৰ শস্য উৎপন্ন কৰিছিল। তৈত্তিৰিয় উপনিষদত আছে—"অন্নং ব্ৰহ্মেতি ব্যজানাত। অন্নাদ্ধ্যেৱ খল্বিমানি ভূতানি জায়ন্তে। অন্নেন জাতানি জীৱন্তি। অন্নং বহু কুৰ্ব্বীত॥ তদ্ব্ৰতম্" ॥ ইত্যাদি। ইয়াৰপৰাই বুজা যায় যে বৈদিক যুগত আৰ্য্যসকল কৃষিপৰায়ণ আছিল আৰু কৃষি কৰ্ম্মক জীৱনৰ ধৰ্ম্ম বুলি গ্ৰহণ কৰিছিল। বিশেষকৈ আৰ্য্য শব্দৰ উৎপত্তি বা ধাতুৰপৰা ইয়াৰ অৰ্থ কৰ্ষণ কৰা বা চহোৱা। মাটি চহাবলৈ গৰুৰ আৱশ্যক আৰু এই কাৰণেই গো-পালন আৰু কৰ্ষণ এই দুটা তেওঁলোকৰ প্ৰধান কাৰ্য্য আছিল।

পূৰ্ব্ব কালত কৃষি কৰ্ম্ম যে এটা সম্মানজনক ব্যৱসায় আছিল এই কথা আমি ৰামায়ণ আৰু মহাভাৰতত ঠনাই ঠনাই উল্লেখ কৰা দেখিবলৈ পাওঁ। পৰমাৰ্থতত্ত্ববিদ্ ৰাজৰ্ষি জনকে নাঙ্গলেৰে হাল বাওঁতে, সীৰলুত সীতাক পালে। সেই কাৰণে আজি কালিও তিৰোতা মানুহে গায় "সীৰলুতে জন্ম হ'ল নাম থ'লে সীতা"। আকৌ নাৰদ-যুধিষ্ঠিৰ-সংবাদত দেখা যায় যে ত্ৰিকালজ্ঞ ঋষিয়ে যুধিষ্ঠিৰৰ কুশল বাৰ্ত্তা সোধোঁতে, ৰাজ্যত গো-পালন আৰু কৃষিকৰ্ম্ম চৰিত্ৰবান লোকৰ দ্বাৰা সুবিধামতে চলিছেনে নাই এই প্ৰশ্ন কৰিছিল। ইয়াৰপৰা বুজা যায় যে তেতিয়া হাল, গৰু এটা গৌৰৱৰ বিষয় আছিল।

* মহামতি মনুৱে চাৰি জাতিৰ সকলোকে স্বকৰ্ম্মত নিযুক্ত থাকিও গো-পালন আৰু হাল বোৱা কাম উচ্চ নীচ সকলো জাতিৰে কৰ্ত্তব্য বুলি নিৰ্দ্ধাৰিত কৰিছে। আকৌ স্বকৰ্ম্মৰ ভিতৰত কৃষি বাণিজ্য ইত্যাদিক শ্ৰেষ্ঠ ব্যৱসায় আৰু দাস্যবৃত্তি বা চাকৰিক শ্ব-বৃত্তি, অৰ্থাৎ কুকুৰ বৃত্তি বুলি বৰ্জ্জন কৰিবলৈ আদেশ কৰিছে। যেনে,—

"সেৱা শ্ববৃত্তি ৰাখ্যাতা তস্মাত্তাং পৰিবৰ্জ্জয়েৎ" ॥

বৰ্ত্তমান আমাৰ শিক্ষিত সম্প্ৰদায়ে সেই স্বধৰ্ম্মৰ লগত কৃষি কৰ্ম্মৰ সলনি চাকৰি বৃত্তি বা দাস্য বৃত্তিকেই কৰ্ত্তব্য বুলি গ্ৰহণ কৰিছে।

যোৱা অৰ্দ্ধ শতিকাৰ ভিতৰত দেশৰ যি পৰিবৰ্ত্তন ঘটিছে তাক বৰ্ত্তমান অৱস্থা চাই সহজে অনুমান কৰিব নোৱাৰি। আগৰ কালত অন্নকষ্ট বা দুৰ্ভিক্ষ বুলি কোনো কথা নাছিল। খেতিয়কৰ ভঁৰালত ধান আৰু গোহালিত গৰু আছিল, সেইবাবে অধিকাংশ খেতিয়কেই সুখ

শান্তিৰে জীৱন যাপন কৰিছিল । খেতিৰ উৎপন্ন সকলো বস্তুৰ সলনিত নিতৌ লগা সকলো দ্ৰব্য অনায়াসে পাইছিল । সেই সময়ত সকলো খেতিয়কে ঘৰত নিত্য প্ৰয়োজনীয় ফল, মূল উৎপন্ন কৰিছিল । তেতিয়া খেতিয়কৰ মাজত গাৱঁলীয়া বাইজৰ নিচিনা মাৰ আছিল । আৰু সকলোৱে মিলি গাৱঁৰ মূখাল লোকসকলৰ পৰামৰ্শমতে কাম কৰিছিল । যি কোনো মেল মৈদাম আছিল তাক নিজেই গুধিছিল আৰু নিয়মিত ৰাজকৰ শোধাই সুখ শান্তিৰে বাস কৰিছিল ।

কালৰ গতিত আমাৰ ঘোৰ পৰিবৰ্ত্তন ঘটিছে । ইংৰাজী বিস্তাৰ লগে লগে আমি চিৰ প্ৰচলিত কৃষি কৰ্ম্মলৈ পিঠি দিছো আৰু তাৰ ফলত চাকৰি বৃত্তি ধৰিছো । গাৱঁত এতিয়াও অনেক খেতিয়ক আছে যিবিলাকে চাকৰিৰ কথা শুনিলে হাহেঁ আৰু এই দাস্ত বৃত্তিৰ ৰহস্য বুজিব নোৱাৰে । যেই হওক বৰ্ত্তমান কৃষি আৰু কৃষকৰ অৱনতি আমাৰ চকুৰ ওপৰত জল্-জল্, পট্-পট্ । এই অৱনতিৰ অনেক কাৰণ আছে । ইয়াত কেইটিমান কাৰণৰ সম্বন্ধে কিছু কোৱা গৈছে মাথোন ।

১ । কৃষি কৰ্ম্মত শিক্ষিত সম্প্ৰদায়ৰ অশ্ৰদ্ধা:—ইংৰাজী শিক্ষাৰ গুণত "চহা" শব্দটো অশ্ৰাব্য গালিত পৰিণত হৈছে । আন কি, যিবিলাকে বংশানুক্ৰমে চাহ আবাদ কৰিছিল আৰু নিজে নাঙ্গলৰ খুটিত নধৰিলেও পথাৰলৈ গৈ ধন ভাঙ্গি বগুৰা খটাই খেতিৰ কাৰবাৰ চলাইছিল, তেওঁলোকৰ সতিসন্ততিয়েও বৰ্ত্তমান ইংৰাজী কিতাপৰ দুপাত লুটিয়াই বাবু হৈ হাতত প্ৰশংসাপত্ৰ লৈ চৰকাৰী বা বেচৰকাৰী অফিচত ঘূৰি ফুৰিছে । তাৰ ফলত খেতিয়কবিলাকৰ মাজতো আজি কালি বগুৰা খটাবৰ বা আধি দি খেতি কৰোৱাৰ ৰীতি আৰম্ভ হৈছে ।

বৰ্ত্তমান চৰকাৰী কৃষি বিভাগত যিবিলাক শিক্ষানবিচ্ (Apprentice) লোৱা হয়, তেওঁলোকৰ অধিকাংশই অলপ ইংৰাজী জনা খেতিয়কৰ ল'ৰা । এওঁলোকৰ ভিতৰত কোনোৱে কোনোৱে আকৌ মেট্ৰিকুলেচন Matriculation পৰ্য্যন্ত পাচ কৰিছে । এওঁলোকে নিজকে খেতিয়কৰ লৰা বুলি চিনাকি দিবলৈ লাজ পায় । ৩০৲ ৫০৲ টকা দৰমহাত কৃষি প্ৰদৰ্শক ( Agricultural Demonstrator ) হোৱাই এওঁ-লোকৰ জীৱনৰ একমাত্ৰ লক্ষ । এইবোৰ শিক্ষিত খেতিয়কৰ লৰাই চৰকাৰী কৃষিবিভাগত হাতে কলমে খেতিৰ কাম শিকি নিজে উন্নত প্ৰণালীত খেতিৰ কাম কৰিব পাৰিলেই শিক্ষাৰ উদ্দেশ্য সফল হয় । সামান্য চাকৰিৰ লোভ এৰি আমাৰ ডেকাসকলে যাতে কৃষি ব্যৱসায়ত ( Agricultural business ) ধৰে তাৰ নিমিত্তে সকলোৱে উৎসাহ দিয়া উচিত ।

২ । কৃষি শিক্ষাৰ অভাৱ :—বৰ্ত্তমান দূৰৈৰ গাৱঁলীয়া খেতিয়কৰ লৰা-ছোৱালীৰ শিক্ষাৰ কোনো বিশেষ বন্দোবস্ত নাই । যিবিলাক গাৱঁলীয়া পঢ়াশালি আছে তাত এনেকুৱা কোনো শিক্ষা দিয়া নহয়, যাৰপৰা খেতিয়কৰ লৰা-ছোৱালীয়ে জাতি ব্যৱসায়েৰে উন্নতি লাভ কৰিব পাৰে । এইবিলাক পঢ়াশালিত যাতে প্ৰকৃতি-পাঠ (nature study training) দিয়াৰ ব্যৱস্থা হয়, তাৰ নিমিত্তে কৰ্ত্তৃপক্ষৰ বিশেষ দৃষ্টি থকা উচিত । চহৰৰ স্কুল কলেজ শতকৰা ১০ ভাগ তথাকথিত ভদ্ৰলোকৰ লৰাৰ নিমিত্তে ; অথচ বাকী ৯০ ভাগৰ ( যিবিলাকক গাৱঁলীয়া চহা বুলি জনা যায় ) গাঁৱৰ পঢ়াশালিয়েই একমাত্ৰ কেন্দ্ৰ । কিন্তু দুখৰ বিষয় এই পঢ়াশালিবিলাকৰ সংখ্যা ইমান কম যে অনেক গাৱঁত ৩ । ৪ মাইলৰ মাজত এনেকুৱা এখন পঢ়াশালি দেখা নেযায় । বৰ্ত্তমান মাকিন, জাপান, জাৰমেনি, প্ৰভৃতি দেশত খেতিয়কবিলাকৰ মাজত খেতিৰ কথা প্ৰচাৰ হোৱাৰ গুণেই খেতিৰ ইমান উন্নতি হৈছে । খেতিয়কবিলাকৰ মাজত যাতে খেতিৰ কথা বিশেষ ভাবে প্ৰচাৰ হয় আৰু কৃষিবিজ্ঞান সম্বন্ধে আলোচনা হয় তাৰ নিমিত্তে সদাশয় গৱৰ্ণমেণ্টে আৰু লোকেলবৰ্ডে বিশেষ যত্ন লোৱা উচিত । বৰ্ত্তমান যি কৃষি বিভাগ আছে তাৰ কৃষিপৰিদৰ্শক ( Inspector ) আৰু প্ৰদৰ্শক ( Demonstrator ) আদিৰ দ্বাৰা এই কাৰ্য্য সম্পূৰ্ণৰূপে সুসিদ্ধ নহয় । বাস্তবিক শিক্ষাৰ অভাৱেই খেতি আৰু খেতিয়কৰ এটা প্ৰধান বিঘিনি ।

গৰুৰ শোচনীয় অৱস্থা :—পূৰ্ব্বে গৰু চৰোৱা ঠাইৰ অভাৱ নাছিল । প্ৰতি গাৱঁতে অনেক পতিত মাটি আছিল আৰু গৰুবিলাকেও যথেষ্ট ঘাঁহ খাবলৈ পাইছিল । বৰ্ত্তমান লোকসংখ্যা বৃদ্ধিৰ লগে লগে সেইবিলাক গৰু চৰোৱা মাটিৰ আবাদ হোৱাত, গৰুৰ ঘাঁহৰ বৰ অভাৱ হৈছে ।



আগেয়ে পথাৰৰ পৰা ঘৰলৈ উভতি আহিলে সিইতক খেৰ, খলিহৈ ( Oil cake ) ভাতৰ মাৰ আৰু পানী দিয়া হৈছিল ; কিন্তু আজি কালি খেতিয়কবিলাক সেই বিষয়ত উদাসীন হোৱাত, গৰু কণীয়া হৈ পৰিছে । আকৌ এইবোৰ কণীয়া গৰুৰ নানা প্ৰকাৰ ব্যাধি হৈ বছৰে বছৰে শই শই মৰিব লাগিছে । এনেকুৱা স্থলত খেতিয়ক-বিলাকে গৰুৱে খাবৰ নিমিত্তে ঘাঁহ উৎপন্ন কৰা উচিত । ইয়াৰ বাহিৰেও কেঁচা ঘাহ পাত যাতে "চাইলো" ( Silo ) কৰি ৰখা যায় তাৰ বন্দবস্ত কৰাও নিতান্ত আৱশ্যক ।

আজি কালি গৰুৰ চিকিৎসাৰ নিমিত্তে গৱৰ্ণমেণ্টে যি ব্যৱস্থা কৰিছে তাত বহু দূৰৈৰ গাৱঁত থকা খেতিয়কবিলাকৰ ভাল সুবিধা হোৱা নাই । অসম কৃষি বিভাগে অতি সোন-কালে এটি "গো-শালা" আৰু "গো-জনন" ঘৰ গুৱাহাটীত স্থাপন কৰিব । যেতিয়ালৈকে খেতিয়কবিলাকে উৎকৃষ্ট ষাঁড় গৰুৰ পোৱালী, ভাল গৰু জন্মোৱা কাৰ্য্য আৰু গৰুৰ খাদ্যৰ বন্দবস্ত কৰিব নোৱাৰিব, সেই পৰ্য্যন্ত গৰুৰ উন্নতি বিধান এক প্ৰকাৰ অসম্ভৱ বুলিব লাগে ।

৪ । মাটি চাহ কৰাৰ উৎকৃষ্ট যন্ত্ৰাদিৰ অভাৱ :— আমাৰ দেশত পূৰ্ব্বে যেনে খেতিৰ সজুলিৰ ব্যৱহাৰ হৈছিল এতিয়াও প্ৰায়ে তেনেই আছে । এই বিষয়ে বিশেষ সা-সলনি দেখা নেযায় । যি নাঙ্গল বৰ্ত্তমান ব্যৱহাৰত চলি আছে, তাৰে মাটি বৰকৈ লৰচৰ নহয়, সেই কাৰণে ইয়াৰে ভালকৈ মাটি চাহ কৰা একেবাৰে অসম্ভৱ । ক্ৰমাগতে একে বিধ শস্যৰ নিমিত্তেই চাহ কৰা মাটিৰ কিছু তলত মাটি ইমান টান হৈ থাকে, যে তালৈ গছৰ শিপা বা পানী নোসোমায় । সেই গুণে শস্যৰ ফল কম হয় । বৰ্ত্তমান বিংশ শতিকাত যিবিলাক উন্নত প্ৰণালীৰ খেতিৰ সজুলি পোৱা যায়, সেইবিলাক ব্যৱহাৰ কৰিলে খেতিয়কৰ শস্যৰ গোট বেচি ধৰিব আৰু হাল বোৱাৰ অভাৱত যিবিলাক মাটি পৰি থাকে তাকো চহাব পৰা যাব । এই বিষয়ে "কৃষি-সমবায়" সমিতিয়ে সাহায্য নকৰিলে কৃষকৰ এই অভাৱ মোচন নহয় । ইয়াৰ বাহিৰেও, মাটিৰ উন্নতি কৰিবলৈ হ'লে, পাল পাতি ( Rotation ) সকলো শস্যৰে চাহ কৰা আৱশ্যক । অসমৰ অধিকাংশ মাটিতে এটি মাথোন শস্য হয় ; অধিকাংশ ঠাইতে বাৰিষা ধানৰ বাহিৰে আন একো উৎপন্ন নহয় । ইয়াত খেতিয়কবিলাকক জাৰ কালি মটৰমাহ, মাটিমাহ, ঘেঁহুধান, যৱ-ধান, তিল, সৰিয়হ ইত্যাদি শস্য উৎপন্ন কৰিবলৈ উৎসাহ দিয়া উচিত । এই বিষয়ে কৃষি বিভাগে যত্ন কৰিছে ।

৫ । "কৃষি সমবায়" সমিতি :—আমাৰ খেতি-খোলা জল বায়ুৰ ওপৰত নিৰ্ভৰ কৰে । প্ৰতি বছৰে কোনো কোনো ঠাইত অনাবৃষ্টি অতিবৃষ্টি বা বান পানীয়ে শস্য নষ্ট কৰা দেখা যায় । সেই গুণে বহুত খেতিয়কে পেটে ভাতেই খাব নোৱাৰে । এই নিমিত্তে মহাজনৰপৰা টকা ধাৰ কৰে আৰু সেই ধাৰৰ সুতত বাদে আচলকে অনেকেই পৰিশোধ কৰিব নোৱাৰে । অৱশেষত ঘৰ-বাৰী ধাৰৰ বাবে নীলাম হৈ যায় । আৰু দুখীয়া নিৰাশ্ৰয় হৈ খেতিৰ বগুৰাৰ কাম কৰি অতি কষ্টেৰে কাল কটায় । আজিকালি খেতিয়ক-বিলাকৰ মাজত যি "সমবায়" সমিতি গঠিত হৈছে দূৰৈৰ গাওঁ ভুঁইলৈকে ইয়াৰ বিস্তৃতি হোৱা আৱশ্যক আৰু খেতিয়কবিলাকে যেন ইয়াৰপৰা প্ৰকৃত সাহায্য পায় সেই বিষয়ে কৰ্ত্তৃপক্ষৰ দৃষ্টি থকা আৱশ্যক ।

৬ । খেতিৰ বস্তুৰ অযথা ৰপ্তানিঃ—বৰ্ত্তমান দেশৰ খোৱা বস্তুৰ অভাৱৰ এটি কাৰণ খেতিৰ বস্তুৰ অযথা ৰপ্তানি । শস্য উৎপন্ন হোৱা মাত্ৰেই সি ৰেলগাড়ী, জাহাজ আৰু নাৱেৰে অন্য ঠাইলৈ ৰপ্তানি হৈ যায় । যি খেতিয়কে ধাৰৰ নিমিত্তে জাৰকালি ১॥০ । ২৲ মোন হিচাবে ধান বেচে, সেই খেতিয়কেই আকৌ জহকালি পেটৰ ভোকত ৩৲ । ৪৲ দৰত সেই ধান কিনে । এইদৰে অনেক খেতিয়ক ধাৰ আৰু পেটৰ ভোকত সৰ্ব্বস্বান্ত হয় । ইয়াৰ প্ৰতিকাৰ কৰিবলৈ হ'লে, প্ৰতি মহকুমাত কৃষি সমিতি স্থাপন কৰি খেতিয়কৰ কিনা বেচাৰ সহায় কৰিব লাগিব আৰু অৱাৰত যাতে ৰপ্তানি নহয়, সেই বিষয়েও চকু ৰাখিব লাগিব । কৃষি সমিতিৰ দ্বাৰা গৱৰ্ণমেণ্টৰ সহায়েৰে প্ৰত্যেক মহকুমাত এটি ধানৰ ভৰাঁল স্থাপন কৰিব পাৰিলে, এই অযথা ৰপ্তানি বন্ধ হ'ব । এই বিষয়ত গৱৰ্ণমেণ্টৰ সহায় একান্ত প্ৰাৰ্থনীয় ।

৭ । কৃষকৰ স্বাস্থ্যঃ—গাৱঁত বসন্ত, কলেৰা, মেলেৰিয়া আৰু ক'লা জ্বৰে শই শই খেতিয়কৰ প্ৰাণ নাশ কৰিব লাগিছে । চাৰিও ফালে খোৱা পানীৰ অভাৱ । এই

পানীৰ অভাৱ হুগুচালে এইবিলাক সংক্ৰামক ব্যাধিৰ হাতৰপৰা তেওঁলোকক ৰক্ষা কৰা একেবাৰেই অসম্ভৱ। পূৰ্ব্বে যিবিলাক বিল আছিল সেইবিলাকৰ সৰহ ভাগেই শুকাই গৈছে। গাৱেঁ গাৱেঁ সেইবিলাক বিলৰ পুনঃ সংস্কাৰ আৰু "ইন্দাৰা" (artificial well) আৰু পুখুৰী খনা একান্ত প্ৰয়োজন। এই বিষয়ত লোকেলবোৰ্ড আৰু স্বাস্থ্য বিভাগৰ বিশেষ দৃষ্টিৰ আৱশ্যক।

গাৱঁৰ মানুহে চিকিৎসা আৰু ঔষধ এক প্ৰকাৰ নিচিনাৰ নিচিনাই। ইয়াৰ প্ৰতিকাৰ একান্ত আৱশ্যক। ইয়াৰ বাহিৰেও স্বাস্থ্যৰ কথা গাৱেঁ গাৱেঁ প্ৰচাৰ কৰি খেতিয়ক-সকলক নজনালে তেওঁবিলাকৰ স্বাস্থ্যৰ উন্নতিৰ আশা নাই। সম্প্ৰতি Bengal Social Service Leagueএ যি কাম কৰিছে সি এই দেশত চলা উচিত আৰু গবৰ্ণমেণ্টৰ সাহায্যও বিশেষ আৱশ্যক।

খেতিয়েই দেশৰ বল, খেতিয়েই দেশৰ জীৱন আৰু খেতিয়কেই দেশৰ মেৰুদণ্ড। এই কথা আমি কিতাপত পঢ়িছোঁ। কিন্তু বাস্তৱিক আমি এই খেতিয়কবিলাকৰ নিমিত্তে যে কিবা কৰিব লাগে তাক এবাৰো ভাবি নেচাওঁ। অনেকে ভাবে যে নিৰক্ষৰ খেতিয়কবিলা[ক] খেতি-খোলা কৰিব নেজানে, ইহঁতৰ নিমিত্তে আ[ৰু] আকৌ কি কৰিব লাগে। এই কথা সঁচা নহ[য়]। আমাৰ খেতিয়কে এতিয়া যি উপায়েৰে মাটি চা[ষ] ... তাতকৈ উন্নত প্ৰণালীৰ উপায়, আছে; আৰু ... উন্নত প্ৰণালীৰ উপায় সিহঁতক শিক্ষা দিয়াই কৃষি বিভ[াগৰ] উদ্দেশ্য। বৰ্ত্তমান গবৰ্ণমেণ্টে ইয়াত যথা সাধ্য ... কৰিছে। এতিয়া শিক্ষিত সম্প্ৰদায়ে নিজৰ কৰ্ত্তব্য ... কৰি খেতি আৰু খেতিয়ক সম্প্ৰদায়ৰ উন্নতিৰ বিধান ... বিলে দেশৰ প্ৰকৃত উন্নতি অসম্ভৱ। পাশ্চাত্য দে[শৰ] ধনীবিলাকে যথেষ্ট অৰ্থ সাহায্য কৰি খেতি আৰু খে[তি]য়কৰ উন্নতি বিধান কৰে। আমাৰ একান্ত অ... দেশৰ ধনীসকলে এই বিষয়ে স্বাৰ্থত্যাগ কৰি অৰ্থ সা[হায্যৰ] দ্বাৰা কৃষি বিদ্যালয়, কৃষি সমবায় সমিতি আৰু ... ভৰাঁল স্থাপন কৰি কৃষকৰ আৰু দেশৰ হিত সাধন কৰো[ক]।

শ্ৰীস্বৰ্ণকুমাৰ মি...

---

# হোঁকা।

শ্ৰেষ্ঠ বৃক্ষ নাৰিকল, কি সুন্দৰ তাৰ ফল
কত যত্নে ৰাখিছে ঈশ্বৰে।
কঠিন বাকলি কৰি খোলাক ৰাখিছে বেৰি
আবৰিছে শাহক খোলাৰে।
ফুলক আবৰি ধৰি থৈছে পানীৰে বেৰি
কিনো যত্ন কৰি আছে হৰি।
সুস্বাদৰ ফল যেনে যতনে ৰাখিছে তেনে
ভালক ৰাখিছে ভাল কৰি।
ইয়াৰে নো কৰে কত জৰি হোঁকা না না মত
মানুহৰ কিনো বুদ্ধি নাই।
ভিতৰৰ শাহ খুলি কি সুন্দৰ হোঁকা-কলি
কৰিছে যতনে চোৱাঁ ভাই।
ৰূপেৰে বান্ধিছে আৰু কৰি তাত না না কা[ম]
আদৰ কৰিছে তাক কত।
ধন্য ধন্য নাৰিকল জনম সাৰ্থক হ[’ল]
ৰহি সদা থাকে "বৈঠকত"।
হোঁকাৰ বৰ্নালে সুখ হোঁকাই ম[নৰ]...
কয় কৰি শুনা সম্বোধন।
কি কাৰণে বোলা সুখী মোৰ দৰে ...
শুনা মোৰ দুখ-বিৱৰণ।
অগনি ভৰণ যাৰ হয় কত সুখ ...
অগনিয়ে দহিছে অন্তৰ।
তাপতে অন্তৰ মোৰ হ’ল কৃষ্ণ ...
শুদ্ধ জল ৰক্ত সম ধৰ।



আৰু মোৰ মনোদুখ না না জাতে দিয়ে মুখ
প্ৰকাশ কৰিম মই কাত।
কলিতা কৰ্ত্ত সুৰী সকলোৱে বেৰি ধৰি
খায় হোঁকা নেখায় ৰন্ধা ভাত।
একেটা হোঁকাতে খায় সমূলি আশঙ্কা নাই
লেতেৰা মুখতো নাই ঘৃণা।
লাগিছে মুখৰ লাল মনোদুখে কত কাল
সহি আছোঁ মনৰ বেদনা।
এজন গৰাকী হয় বহু জনে সেৱা লয়
শত জন সেৱোঁ দিন দিন।
টনা-টনি কৰে তাতে দেখি মোৰ বুকু ফাটে
ই সুখত লাগি আছে ঘিণ।

শ্ৰীধৰ্ম্মকিঙ্কৰ গোস্বামী।

---

# সমাজ ধৰ্ম্ম আৰু আমাৰ সামাজিক প্ৰথা।

জুইৰ ফিৰিঙতিৰ দৰে আমাৰ জীৱন অনন্ত আত্মাৰ বিকাশ মাত্ৰ; আৰু অৱশেষত সেই অনন্ত আত্মা বা পৰমাত্মাত লীন হোৱাই আমাৰ জীৱনৰ লক্ষ। কুমাৰণীয়ে যেই সেই পোক এটাক ধৰি আনি নিজৰ বাহত যতনেৰে সুমাই থয়। সেই পোকেই মোট, সলাই এদিন কুমা-ৰণীৰ আকৃতিৰে বাহৰপৰা ওলায়। এই দৃষ্টান্তকে লৈ আমাৰ জীৱনৰ লক্ষ সাধন কৰিবৰ অৰ্থে সেই অনন্ত আত্মা বা পৰমাত্মাৰ উপাসনা কাৰ্য্যত মন পুতি লাগি যোৱা আৱশ্যক। গীতাত ভগৱান শ্ৰীকৃষ্ণই কৈছে, "যান্তি মদ্‌যাজিনোঽপি মাম্"—যি তেওঁৰ উপাসনা কৰে সি তেওঁত লয় পায়। তেৱেঁই অনাদি অনন্ত পৰমাত্মা। উপনিষদতো "সৰ্ব্বং খল্বিদং ব্ৰহ্ম তজ্জলানিতি শান্ত উপাসীত" কথাত ব্ৰহ্ম কিম্বা পৰমাত্মাৰ উপাসনা কৰাৰ বিধি পোৱা যায়। এই উপাসনা কাৰ্য্যেই আমাৰ কথিত ধৰ্ম্ম (religion), আৰু সাধাৰণতে এনেকুৱা উপাসনা কাৰ্য্যত মন দিয়া মানুহবিলাকক ধাৰ্ম্মিক বোলা হয়।

"ধৰ্ম্ম" শব্দটো কাণত পৰিলে ধাৰ্ম্মিকৰ অন্তৰত ধৰ্ম্ম-ভাৱৰ আবেগ হয়, দস্যুয়ে নৰহত্যাৰ নিচিনা মহাপাতকৰ পাতনিতো ধৰ্ম্মৰ ডাক শুনি অলপ স্তম্ভিত হয়; বলীৰ আক্ৰমনত নিপীড়িত হৈ বলহীন জনে ধৰ্ম্মৰ কৱচ বুকত বান্ধি শত্ৰুৰ লগত যুজিবলৈ আগ বাঢ়ে; ধৰ্ম্মৰ ৰাজদণ্ড হাতত লৈ ৰজাই সসাগৰা ধৰিত্ৰীৰ ওপৰেদি শান্তিৰ পবিত্ৰ ধাৰ বোৱায়; আৰু জীৱনত নানা প্ৰকাৰে কষ্ট ভোগ কৰাৰ পিচত পৰশ্ৰীকাতৰ হিংসুক জনেও ধৰ্ম্মতৰীৰ আশ্ৰয় লৈ জীৱন সমুদ্ৰ পাৰ হ’বলৈ ওলায়। এনেকুৱা চিত্তাকৰ্ষক ধৰ্ম্মৰ অনুষ্ঠান কাৰ্য্যত প্ৰবৃত্ত হৈ সফল কাম ন’হলে মানৱ জীৱনৰ সাৰ্থকতা সম্পাদন নহয়। জীৱনৰ সাৰ্থকতা সম্পাদনেই মনুষ্য জীৱনৰ এক মাত্ৰ উদ্দেশ্য।

সাধাৰণতে ধৰ্ম্ম বুলিলে মানুহৰ ধাৰণা একলীয়া হৈ যায়, আৰু মনত ঐশ্বৰিক ভাব ওপজে। সকৰেপৰা এই ৰূপ ধাৰণা অন্তৰত প্ৰতিপালিত হোৱাৰ কাৰণে, আৰু এনেকুৱা ভাৱৰ প্ৰাধান্য বিশিষ্ট পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজত ডাঙৰ দীঘল হৈ উঠাৰ বাবে, আমি হঠাৎ অন্যৰূপে ভাবিবলৈ অক্ষম। কিন্তু, জ্ঞানৰ সূক্ষ্ম দৃষ্টিৰে চালে দেখা যায় ধৰ্ম্ম এটা মূল পদাৰ্থ (element) নহয়; ই মাত্ৰ ঈশ্বৰ উপাসনাকেই সুবুজায়। ধৰ্ম্ম কেইটামান মূল পদাৰ্থৰ সমষ্টিহে মাত্ৰ। ফঁহিয়াই দেখুৱালে চকুত পৰিব যে, ইয়াৰ ভিতৰত তিনিটা মূল পদাৰ্থ আছে:—

(১) কৰ্ম্ম, (২) জ্ঞান, আৰু (৩) উপাসনা (religion)।

জপলাৰ আটাইতকৈ ওখ খাপত উঠিব লাগিলে তাৰ তলৰ খাপবোৰৰ সাহায্য নোলোৱাকৈ নোৱাৰি, ইয়াক সকলোৱে স্বীকাৰ কৰিব। তলৰ খাপবোৰ পাৰ হৈ

যোৱাৰ সময়তো জখলাৰ মূৰতহে মানুহৰ লক্ষ থাকে। কিন্তু, কোনো কাম শেষ নকৰাকৈয়ে বা লৰালৰিকৈ তাৰ সামৰণি পেলাই শেষ ফল অপেক্ষা কৰাটো মানুহৰ স্বভাৱ। খনিত সোণ পোৱা যায়; কিন্তু খনিৰপৰা সোণ উলিয়াবৰ নিমিত্তে যিবোৰ প্ৰাথমিক কাৰ্য্য সম্পাদনৰ আৱশ্যক তাক নকৰাকৈয়ে মাথোন আমি সোণ পাব লাগে ইয়াকেহে ভাবোঁ। গতিকে ফল পোৱাৰ আগতে, অৰ্থাৎ কাৰ্য্যৰ শেষ ডোখৰত যিখিনি কৰ্ত্তব্য তাতেহে আমাৰ বেচিকৈ ভাব থাকে। কাৰ্য্যৰ আৰম্ভনৰপৰা কৰিবলগীয়া কামবোৰৰ বিষয় আমি প্ৰায়ে নাভাবোঁ বা নিচেই কমকৈ ভাবোঁ। আত্মাৰ মুক্তি অৰ্থাৎ মোক্ষলাভেই ধৰ্ম্ম সোপানৰ অভিলষিত ফল; আৰু সোপানৰ উপাসনাৰ খাপত ভৰি দিলেহে তাক পোৱা যায়। এই কাৰণেই আমি ধৰ্ম্মৰ অৰ্থ সাধাৰণতে ঈশ্বৰ উপাসনাত আবদ্ধ কৰি থওঁ। ইয়াৰ তলৰ খাপ কৰ্ম্ম আৰু জ্ঞানত ভৰি নিদিলে যে আমাৰ সকলো প্ৰয়াস নিষ্ফল তাক আমি ভাবিবলৈ চেষ্টা নকৰোঁ।

কৰ্ম্ম ধৰ্ম্ম সোপানৰ আটাইতকৈ তলৰ খাপ। কৰ্ম্মই মানুহৰ ধৰ্ম্ম ( duty ); ই মানুহৰ অপকৰ্ম্ম জনিত পাপৰ হুতাশন। বেদান্তৰ মতে আত্মা স্বভাৱতে শুদ্ধ, মাত্ৰ অজ্ঞানতা আৰু অপকৰ্ম্মৰ ফলত ই স্বাভাৱিক অৱস্থাৰ পৰা নামে। যেতিয়া কৰ্ম্ম কিম্বা কাৰ্য্যৰ ফলত আত্মাৰ পাপ আৰু অপকৰ্ম্মৰ চেকাবোৰ উঠি যায় তেতিয়া আত্মা পুনৰ পূৰ্ব্বৰ অৱস্থাত উঠেগৈ। সেই বাবেই কৰ্ম্মতৎপৰ হোৱা মানুহৰ প্ৰথম কাৰ্য্য। কৰ্ম্মতৎপৰ হ'ব নোৱাৰিলে মনুষ্যধৰ্ম্ম ৰক্ষা নপৰে। কৰ্ম্মভ্ৰষ্ট মানুহ মানুহ নামৰ অযোগ্য; আৰু তাৰ কেতিয়াও উদ্গতি নহয়। পৰ জন্মতো মানুহতকৈ তলৰ শ্ৰেণীতহে তাৰ জন্ম হয়।

কৰ্ম্মৰ অনুষ্ঠান হলে জ্ঞান আপোনা আপুনিয়েই আহি লগ লয়। তাক আয়ত্ত কৰিবলৈ তেতিয়া আৰু সিমান কষ্ট নহয়। জ্ঞান লাভ হ'লেই মানুহৰ স্বভাৱতে ধৰ্ম্মভাৱত ( Religion ) ৰতি হয়। সেয়ে হ'লে মানুহে ধৰ্ম্ম সোপানৰ আটাইতকৈ ওখ খাপত উঠিব পাৰেগৈ।

ধৰ্ম্ম বস্তুটো কি তাক মহাভাৰতত ভীষ্মদেৱে যুধিষ্ঠিৰৰ আগত ব্যাখ্যা কৰিছিল :—

"ধাৰণাদ্ধৰ্ম্মমিত্যাহুৰ্ধৰ্ম্মেন বিধৃতাঃ প্ৰজাঃ।
যৎ স্যাদ্ধাৰণসংযুক্তং স ধৰ্ম্ম ইতি নিশ্চয়ঃ" ॥

ইয়াৰ মৰ্ম্ম এই যে, মানুহবিলাকক ধৰি ৰাখিব অৰ্থাৎ একেলগে বান্ধ খুৱাই ৰাখিব পৰা বস্তুৱেই ধৰ্ম্ম। আকৌ মহাভাৰততে শ্ৰীকৃষ্ণই অৰ্জ্জুনক কৈছিল :—

"সংস্যাদহিংসা সংযুক্তং স ধৰ্ম্ম ইতি নিশ্চয়ঃ।
অহিংসাৰ্থায় ভূতানাং ধৰ্ম্ম প্ৰবচনং কৃতম্ ॥
ধাৰণাদ্ধৰ্ম্মমিত্যাহু ধৰ্ম্মো ধাৰয়তে প্ৰজাঃ।
যৎ স্যাদ্ধাৰণসংযুক্তং স ধৰ্ম্ম ইতি নিশ্চয়ঃ" ॥

অৰ্থাৎ যাতে প্ৰাণীবিলাকৰ প্ৰতি হিংসা আচৰা নহয় তাৰ বাবেই ধৰ্ম্মৰ লক্ষণ নিৰ্দ্দেশ কৰা হৈছে। ধৰ্ম্মে প্ৰজাবিলাকক ৰক্ষা কৰে; এই ৰক্ষা কৰা শক্তি আছে বুলিয়েই ইয়াৰ নাম ধৰ্ম্ম। ধৰ্ম্মই পৃথিৱীৰ সকলো মানুহকে ব্যাপি আছে। দেখাত পৃথিৱীৰ মানুহবোৰ কাৰো লগত কাৰো সম্পৰ্ক নোহোৱাকৈ চলি গৈছে; কিন্তু দৃঢ়কৈ গমি চালে দেখা যায়, পৃথিৱীৰ আটাইবোৰ মানুহক এটা মাত্ৰ ভাবে বান্ধ খুৱাই ৰাখিছে। এই ভাবটোৱেই ধৰ্ম্ম। ধৰ্ম্ম ভাবত বান্ধ খাই কিছুমান ব্যক্তিয়ে এক সমষ্টি হয়; এনেকুৱা ক্ষুদ্ৰ সমষ্টি কিছুমান এক বৃহৎ সমষ্টিৰ অন্তৰ্ভুক্ত হয়; আকৌ এই বৃহৎ সমষ্টি কিছুমান মিলিয়েই এক অতি বৃহৎ সমষ্টি হৈ পৰে। এইদৰে পৃথিৱীৰ সকলোবোৰ মানুহৰ ভিতৰত এক ভাবৰ আধিপত্যই বিস্তৃতি লাভ কৰে। জৰীৰ গাঁথিৰ ভিতৰত থকা বস্তুবিলাকৰ দৰে সেই ভাবটোৰ কাৰণে সকলো মানুহ এৰা এৰি হ'ব নোৱাৰা হৈ থাকে। অলপতে হৈ যোৱা ইউৰোপৰ মহা যুদ্ধৰ সময়ত এই ধৰ্ম্ম ৰক্ষা কৰিবৰ নিমিত্তে পৃথিৱীৰ জাতিসঙ্ঘই কেনেকুৱা কাম কৰিছিল তাক সকলোৱে জানে। এই ধৰ্ম্ম বজায় ৰাখিবৰ নিমিত্তেই বৰ্ত্তমানৰ সভ্য জাতিবিলাকৰ মাজত International Law বা আন্তৰ্জাতিক আইনৰ সৃষ্টি হৈছে।

সমাজ ওপৰত উল্লিখিত সমষ্টিবোৰৰ ভিতৰৰ এটা সৰু সমষ্টি। ইয়াৰ একেবাৰেই অপগুনীয় ভাগটোৱেই হৈছে এক ব্যক্তি ( individual )—অৰ্থাৎ মানুহ। মানুহক সঙ্গ লাগে; কাৰো সহায় নোলোৱাকৈ মানুহে অকলে অকলে সংসাৰত চলিব নোৱাৰে। গতিকে যিবোৰ মানুহৰ



ওচৰ সম্বন্ধ আৰু প্ৰায় সদায় সুবিধামতে আৱশ্যকৰ সময়ত লগ লাগি পৰস্পৰৰ মনৰ ভাব পৰস্পৰক জনাব পাৰে তেনেকুৱা মানুহবোৰে এক এক সমাজ পাতি থাকে। সমাজৰ গঠন যিমানে ডাঙৰ হৈ যায় সিমানে তাৰ অন্তৰ্ভুক্ত ব্যক্তিবোৰৰ ভিতৰৰ সম্বন্ধও কমি যায়। এইদৰে কামৰূপৰ সমাজ, হিন্দুসমাজ, শিক্ষক সমাজ, ভাৰতীয় সমাজ ইত্যাদি নানা প্ৰকাৰে সমাজৰ নাম হ'ব পাৰে।

সংসাৰী মানুহবিলাক সমাজত লিপ্ত। ব্যক্তি আৰু সমাজৰ এনেকুৱা সম্বন্ধ যে ইটোৱে আনটোৰ ওপৰত নিৰ্ভৰ কৰে। কোনো কোনো সময়ত ব্যক্তি সমাজৰ মুখাপেক্ষী, আৰু কোনো কোনো সময়ত সমাজ ব্যক্তিৰ মুখাপেক্ষী হয়। এইদৰে পৰস্পৰৰ সহায়ত সমষ্টিৰ অন্তৰ্ভুক্ত সকলোৱে সমানে সমানে গৈ থাকি চৰম লক্ষত উপস্থিত হয় বুলিয়েই এনেকুৱা সমষ্টিৰ নাম সমাজ হৈছে। এয়ে "সমাজ" শব্দৰ ব্যুৎপত্তিগত অৰ্থ।

সমাজত চলিব লাগিলে অকল নিজৰ বিষয় কিম্বা নিজৰ সুখ স্বাচ্ছন্দ্যৰ বিষয় ভাবি কাম কৰিলে নহয়। যি স্থলত ব্যক্তি আৰু সমাজৰ নেৰা-নেপেৰা সম্বন্ধ দেখা গৈছে, সেই স্থলত, দুয়ো মিলনৈলে চকু ৰাখি কাম কৰিব লাগে। নহ'লে ব্যক্তি আৰু সমাজ দুয়ো সমানে সমানে কেতিয়াও যাব নোৱাৰে। আন পক্ষে, সিহঁত দুয়োটাই অকলে অকলে বা এৰা এৰি হৈ সংসাৰত যাব নোৱাৰে। এই খিনিতেই স্পষ্টকৈ দেখা যায়, সংসাৰী মানুহবোৰ বাস্তৱিকতে এক বান্ধনিৰে বান্ধ খাই আছে। এই বান্ধনিয়েই ধৰ্ম্ম; আৰু সমাজ এই ধৰ্ম্ম অনুশীলনৰ ঠাই।

কোনো বিষয়ৰ অনুশীলনৰ সময়ত যেয়ে যিমানে জটিলতাৰ মাজেদি যাব পাৰে সেয়ে সিমানে সেই বিষয়ত সিদ্ধি লাভ কৰিব পাৰে। শেষত সেই বিষয়ত তেওঁৰ মনত আৰু কোনো সন্দেহ বা অক্ষমতাৰ কাৰণ নাথাকে।

হিন্দু ধৰ্ম্মৰ চাৰিও আশ্ৰমৰ ভিতৰত গাৰ্হস্থ্য আশ্ৰম শ্ৰেষ্ঠ। সংসাৰী অৰ্থাৎ গৃহস্থী মানুহবোৰক লৈয়ে যে সমাজ গঠিত তাক আগতে উল্লেখ কৰা হৈছে। এতেকে সমাজ শব্দেৰে গাৰ্হস্থ্যাশ্ৰমক বুজাবলৈ গ'লে বৰ বেচি ভুল নহ'ব। সংসাৰ, গাৰ্হস্থ্যাশ্ৰম বা সমাজত সকলো আৱশ্যকীয় জটিলতাই আছে। সেই কাৰণে সমাজকেই ধৰ্ম্মৰ অনুশীলনৰ উপযোগী ক্ষেত্ৰ বাছি লোৱা হৈছে। সংসাৰ কিম্বা সমাজেই ধৰ্ম্মৰ হাট; ইয়াত বেহোৱাৰ কল-কৌশল যেয়ে জানিছে, সেয়ে মনুষ্য জীৱনৰ চৰম লক্ষত উপস্থিত হ'ব পাৰিছে,—সেয়ে নৰজন্মৰ সাৰ্থকতা লাভ কৰিছে, তাৰহে মনুষ্য ধৰ্ম্ম সাধন হৈছে। সমাজৰ লগে লগে অৰ্থাৎ সমাজৰ সহায়তাতহে এই ধৰ্ম্মৰ সাধন হয়; গতিকে ইয়াৰ নাম সমাজ ধৰ্ম্ম।

সমাজ ধৰ্ম্মৰ অনুশীলন সম্পৰ্কে অলপ আলোচনাৰ আৱশ্যক। প্ৰথমতে কৰ্ম্ম কি চোৱা যাওক।

এই জটিলতাপূৰ্ণ সংসাৰত কৰ্ম্ম কিদৰে আচৰিব লাগে, তাক ভগৱানে শ্ৰীকৃষ্ণৰূপে অৱতীৰ্ণ হৈ মহাভাৰতত কাৰ্য্যেৰে দেখুৱাই গৈছে। মহাভাৰত কৰ্ম্মৰ অনুষ্ঠানৰ এক অনুপম আদৰ্শ। গীতাত ভগৱান শ্ৰীকৃষ্ণই অৰ্জ্জুনক উপদেশ দিছিল :—

"নিয়তং কুৰু কৰ্ম্ম ত্বং কৰ্ম্মজ্যায়োহ্যকৰ্ম্মণঃ।
শৰীৰযাত্ৰাপি চ তে ন প্ৰসিধ্যেদকৰ্ম্মণঃ" ॥

কিন্তু আমি দেখিবই লাগিছোঁ সংসাৰী কি উদাসীন সকলো মানুহে সদায় কোনো এটা নহয় এটা কামত নিযুক্ত আছেই। আন কি, পশু পক্ষী কীট পতঙ্গেও কোনো এটা কাম লৈ লৰি ফুৰিছে। তেন্তে সকলোৱেই তো কামত লিপ্ত আছে, কামৰপৰা হাত সাৰে কেনেকৈ ? কৰ্ম্ম নানা প্ৰকাৰৰ ;—দস্যুৱে আনৰ প্ৰাণ বিনাশ কৰিও নিজৰ জীৱন ৰক্ষা কৰিছে, বলীয়ে মদগৰ্ব্বিত মত্ত হৈ নিঃকীন জনক হিংসি নিজৰ স্বাৰ্থসিদ্ধি কৰে; ধনবলত অধীৰ হৈ দুখীয়াৰ ওপৰত নানা অত্যাচাৰ কৰিও ধনবান জনে অন্তৰত সুখ অনুভৱ কৰে। কিন্তু, আমাৰ এই প্ৰবন্ধৰ কৰ্ম্মই এনেকুৱা কামবোৰক অন্তৰ্ভুক্ত কৰি লোৱা নাই, এইবোৰ বা এনে বিধৰ কামবোৰ কৰ্ম্মৰ বহিৰ্ভূত। এইবোৰক অপকৰ্ম্মৰ শাৰীত থোৱা হয়। গীতাৰ কৰ্ম্ম শব্দে কৰ্ত্তব্য কামকহে ( action prescribed as duty ) বুজাইছে; ইয়াৰ বাহিৰে আন প্ৰকাৰৰ কামবোৰক অকৰ্ম্ম বিকৰ্ম্ম প্ৰভৃতি শ্ৰেণীত থোৱা হৈছে।—গীতাত সিবিলাকৰো ব্যাখ্যা আছে।

এতিয়া কৰ্ম্ম শব্দৰ অৰ্থ ফটফটীয়া হৈ পৰিল। যিবোৰ কাম আচৰিলে নিজৰ আৰু তাৰ লগতে সমাজ

বা দেশৰ মঙ্গল হয়, আৰু যিবোৰ কাম কৰিবলৈ পণ্ডিত-সকলে উপদেশ দি গৈছে সেইবোৰেই কৰ্ম্ম; এই কৰ্ম্মই ধৰ্ম্মৰ অঙ্গ। মহৰ্ষি যাজ্ঞবল্ক্যই কৈছে:—

"অহিংসা সত্যমস্তেয়ং শৌচমিন্দ্ৰিয় নিগ্ৰহঃ।
দানং দমো দয়া ক্ষান্তি সৰ্বেষাং ধৰ্ম্মসাধনম্"॥

অৰ্থাৎ হিংসা নকৰা, সত্যত থকা, চুৰ নকৰা, পবিত্ৰতা সাধন কৰা, ইন্দ্ৰিয়ক বশ কৰা, আৰু দান, সংযম, দয়া ক্ষমা প্ৰভৃতিয়েই ধৰ্ম্মৰ অনুষ্ঠান। মুঠ কথা ওপৰত কোৱা মতে অহিংসা, অস্তেয়, সত্য শৌচ, ইন্দ্ৰিয়জয়, দান, দয়া আৰু ক্ষমাৰ অনুশীলনৰ ফলত আত্মাৰ শোধন হয়। এয়ে কৰ্ম্ম; ইয়াৰ ফলত আত্মাৰ উন্নতি। আন পক্ষে, অহিংসা, সত্য, অস্তেয়, শৌচ, ইন্দ্ৰিয় জয়, দান দম, দয়া আৰু ক্ষমাৰ বিপৰীত ধৰ্ম্ম অৰ্থাৎ গুণবোৰেই পাপ; সেইবোৰ মানুহৰ ৰিপু; সেইবোৰে আত্মাক কলুষিত কৰে আৰু তললৈ নমায়। তাৰ বাবেই পৰজন্মত সেই আত্মাৰ তলৰ শ্ৰেণীত জন্ম হয়।

সংসাৰখন জটিলতাপূৰ্ণ বুলি আগতে কোৱা হৈছে। এই জটিলতাবোৰ ভেদ কৰি বাট উলিয়াই যোৱা বৰ কষ্টসাধ্য। ইয়াত খোজে পতি প্ৰলোভন, খোজে পতি বাধা, খোজে পতি বিঘিনি। এইবোৰেই মানুহক অস্থিৰ কৰে, এইবোৰেই মানুহক বিমোৰত পেলায় আৰু এই-বোৰৰ বাবেই মানুহ লক্ষ্যৰপৰা পিছলে। Bunyan অৰ Pilgrim's Progress অত Christian অৰ অৱস্থা দেখিলেই বুজিব পাৰি, এই ৰিপুবোৰ কেনেকুৱা ভয়লগা, মানুহক কেনেকুৱা সঙ্কটত নি সিহঁতে পেলাব পাৰে। এনেকুৱা জটিলতাবোৰ ভেদ কৰি যি মানুহ যাব পাৰিছে প্ৰকৃততে তেওঁহে পবিত্ৰাত্মা। ধৰ্ম্মৰ অনুশীলন কৰি সংসাৰৰ অগ্নি পৰীক্ষাত তেৱেঁইহে আচলতে উত্তীৰ্ণ হ'ব পাৰিছে। হিংসা অসত্য আদি ৰিপুবোৰ তেওঁৰ হাতত পৰাজিত; সেইবোৰৰ প্ৰলোভন তেওঁৰ হাতত ব্যৰ্থ। তেওঁ তেতিয়া এনেকুৱা এক অৱস্থাত উঠেগৈ য'ৰপৰা হিংসা অহিংসা সত্য অসত্য, ক্ৰোধ অক্ৰোধ সকলোকে সমান দেখে। হিংসা বা অহিংসা, সত্য বা অসত্য, ক্ৰোধ বা অক্ৰোধ কোনোটোৱেই তেওঁক সেই অৱস্থাৰপৰা টলাব নোৱাৰে। তেওঁৰ এই অৱস্থাটোৰ নাম সজ্ঞান বা চেতন অৱস্থা,—অৰ্থাৎ কৰ্ম্মৰ অনুশীলন কৰি তেওঁ জ্ঞান বা চৈতন্য লাভ কৰিলে।

চমুকৈ কবলৈ গ'লে এইবোৰেই জীৱনৰ ব্ৰত। এই ব্ৰত সাধন যাৰ হোৱা নাই, ঈশ্বৰ বা পৰমাত্মালাভ তাৰ জীৱনত নহয়। তাৰ চকুত সংসাৰৰ প্ৰাণীৰ ভিতৰত ভেদজ্ঞান থুওচে। সি কাকো ভাল পাব নোৱাৰে, কাৰো ওপৰত সি বিশ্বাস থাপিব নোৱাৰে। সেই মানুহৰ প্ৰেম নহয়, ফলত তাৰ জীৱন অথলে যায়। ইংৰাজ কবি Coleridge এ কৈছে:—

"He prayeth best who loveth best
All things both great and small."

অৰ্থাৎ ভগৱানৰ সৃষ্টিৰ সমপ্ৰাণীবোৰৰ প্ৰতি ওপজা প্ৰেমেই তেওঁৰ উপাসনাৰ কাম কৰে। পাচী ধৰ্ম শাস্ত্ৰতো এনেকুৱা মতকেই পোৱা যায়।

বাহিৰত ধাৰ্ম্মিক বোলোৱা মানুহ কেতবিলাক আমাৰ সমাজত আছে। তেওঁবিলাকে নিজক ধাৰ্ম্মিক বুলি পৰিচয় দিবৰ নিমিত্তে কিছুমান কৰ্ম্ম আচৰে; সেইবোৰ তেওঁবিলাকৰ বাহিক ধৰ্ম্মাড়ম্বৰ,—অন্তৰত হ'লে পৰৰ অনিষ্ট সাধন কৰিও নিজৰ উদৰ পূৰ্ত্তি কৰাৰ ভাৱকেহে দিনে ৰাতিয়ে জপ কৰে। এইবোৰ মানুহ সমাজ বান্ধনিৰপৰা মুৰ পোলোকা মাৰি ওলাই অহা ব্যক্তি। এইবিধ মানুহৰ পৰা সমাজে একো আশা কৰিব নোৱাৰে। এইবিধ মানুহ সমাজৰ ধূলি-মাকটি। ধূলি-মাকটিৰপৰা যেনেকৈ কোনো মহৎ অনিষ্ট হ'ব নোৱাৰে, অথচ মনৰ স্বচ্ছন্দতা নষ্ট হয়, এইবোৰেও তেনেকৈ সমাজ বা সংসাৰৰ সুখ শান্তি নষ্ট কৰে।

এতিয়া জ্ঞানৰ বিষয়ে কিছু আলোচনা কৰা যাওক। কৰ্ম্মৰ অনুশীলন কৰি আহোঁতে মানুহৰ জ্ঞান লাভ হয়। এই জ্ঞানেই মানুহক ধৰ্ম্মৰ সোপানৰ আৰু এখাপ ওপৰলৈ তুলি দিয়ে। এই জ্ঞান লাভৰ উদ্দেশ্যেই কৰ্ম্মৰ অনুষ্ঠান আগতে আচৰিব লাগে। বেদান্ত সূত্ৰৰ "বিহিতত্বাচ্চাশ্ৰম কৰ্ম্মাপি" কথাৰে জ্ঞান লাভৰ নিমিত্তে কৰ্ম্ম আচৰিবৰ ব্যৱস্থা দিছে। কাৰণ অভিজ্ঞতাৰপৰাই জ্ঞান, আৰু কৰ্ম্মৰপৰাই অভিজ্ঞতা জন্মে। যি এই জ্ঞান লাভ কৰিব পাৰিছে তেওঁ জ্ঞানী বা উচিত পুৰুষ। ওপৰতে উল্লেখ কৰা হৈছে যে, জ্ঞানী পুৰুষৰ ভেদ জ্ঞান নাই, তেওঁৰ চকুত, তেওঁৰ বিবেচনাত সকলো সমান। আনন্দেও তেওঁক বলীয়া কৰিব নোৱাৰে আৰু বিষাদতো তেওঁ অধীৰ নহয়। এই অৱস্থাত তেওঁৰ মন এনেকুৱা হয়, যে তেওঁ সমাজৰ কল্যাণৰ নিমিত্তে নিজৰ অস্তিত্বকে পাহৰে। তেতিয়া তেওঁ বিশ্বপ্ৰেমিক। বিশ্বপ্ৰেমৰ শেষ অৱস্থাই ভগৱৎ-প্ৰেম। ঈশ্বৰ বা পৰমাত্মাৰ উপাসনা ভগৱৎ প্ৰেমৰ পিচ লগা। ইয়াৰ পিচৰ অৱস্থাই নিৰ্ব্বাণ বা লয়। ঈশ্বৰ উপাসনাৰ কাৰণে জ্ঞানৰ কোনো বিশেষ অনুশীলনৰ আৱশ্যক নাই। উপাসনা শব্দে ওচৰত বহা বা ওচৰ পোৱা বুজায়। কোনো এটা বস্তুৰ ওচৰলৈ যাব লাগিলে সেই বস্তুটোক আগেয়ে ভালকৈ জনা আৱশ্যক। বস্তুটোৰপৰা ইষ্ট অনিষ্ট কি হ'ব পাৰে তাক নজনাকৈ কোনো এটা বস্তুৰ ওচৰলৈ যাবলৈ কেৱে সাহ নকৰে। বস্তুটোৰ এনেকুৱা পৰিচয়কে "তত্ত্ব" বোলে। ঈশ্বৰ উপাসনাৰ আন এটা নাম "তত্ত্বজ্ঞান"। তত্ত্ব জ্ঞান লাভ হ'লেই আত্মাৰ মুক্তি—আত্মাৰ আৰু পুনৰ জন্ম নহয়; আত্মা তেতিয়া পৰমাত্মা বা পৰম ব্ৰহ্মৰ লগত এক হৈ যায়।

কৰ্ম্মৰ অনুশীলনৰ নিমিত্তে কাৰো সহায় নালাগে; নিজে নিজে কাম কৰি গ'লেই হয়। কিন্তু ঈশ্বৰ উপাসনাৰ সময়ত এজনৰ আশ্ৰয় ল'ব লাগে। তত্ত্বজ্ঞানৰ বিপৰীতে অবিদ্যা বা মায়া কিম্বা মোহ অৰ্থাৎ অজ্ঞানতা। অজ্ঞানতাৰপৰাই ভ্ৰান্তি। জৰী এডালক সাপ বুলি উচাপ খাই উঠাত যি অজ্ঞানতা প্ৰকাশ পায় সি কল্পনা-ভূত অজ্ঞানতা। মহৰীয়ে কলমটো কাণত থৈ বিচাৰি ফুৰোঁতে এই একে অজ্ঞানতাই প্ৰকাশ পায়। সিংহৰ পোৱালী এটাই ভেৰাৰ জাকত মিলি নিজক ভেৰা ভাবিছে; তেতিয়া তাক নি পানীৰ ওচৰত উপস্থিত কৰিলে পানীত নিজৰ ছাটো দেখি বুজিব পাৰিব যে তাৰ আকৃতি ভেৰাৰ নিচিনা নহয়। তেতিয়াহে সি বুজিব যে সি ভেৰা নহয়, সিংহশিশুহে। এই অজ্ঞানতা বস্তুটোৰ স্বৰূপ নজনাৰ ফল। এইবোৰেই ভ্ৰম। এই ভ্ৰম দূৰ কৰিবৰ নিমিত্তে সদ্গুৰুৰ আশ্ৰয় লাগে। সদ্গুৰুৰ সঙ্গলাভৰ ফলত আত্মাৰ স্বৰূপ বুজিব পৰা যায়। তেতিয়া যি সুখ যি আনন্দ উপস্থিত হয় সি প্ৰকৃত পবিত্ৰ আৰু সনাতন।

ধৰ্ম্মৰ এই অঙ্গটো বৰ আধ্যাত্মিক। ইয়াত সফল-কাম হ'বৰ নিমিত্তে অশেষ জ্ঞান, অশেষ যত্ন আৰু অশেষ পৰিশ্ৰম লাগে। শঙ্কৰাচাৰ্য্যই বেদান্ত ভাষ্যত লিখিছে "বিধিবদধীত বেদ বেদাঙ্গ ত্বেনাপাততোধিগতাখিল বেদাৰ্থঃ অস্মিন্ জন্মনি জন্মান্তৰে বা কাম নিষিদ্ধ বৰ্জন পুৰঃসৰ নিত্য নৈমিত্তিক প্ৰায়শ্চিত্তোপাসনানুষ্ঠানেন নিৰ্গত নিখিল কল্মষতয়া নিতান্ত নিৰ্ম্মলস্বান্তঃ সাধন চতুষ্টয় সম্পন্ন প্ৰমাতা অধিকাৰী"। অৰ্থাৎ অধ্যয়ন বিধি অনুসাৰে বেদবেদান্ত পঢ়ি যি বেদৰ অৰ্থ বুজিব পাৰিছে, ইহ জীৱনত বা অন্য জন্মত যি স্বৰ্গাদিজনক যজ্ঞ বা দান আদি কাম্য কৰ্ম্ম সমাপন কৰিছে, যি নৰকাদিজনক ব্ৰহ্মহত্যাদি নিষিদ্ধ কামবোৰ পৰিত্যাগ কৰিছে আৰু যি নিত্য নৈমিত্তিক প্ৰায়শ্চিত্ত আৰু ব্ৰহ্ম বিষয়ক উপাসনা প্ৰভৃতিৰ অনুষ্ঠানৰ দ্বাৰা নিষ্পাপ আৰু নিতান্ত নিৰ্ম্মলচিত্ত হৈ শম দমাদিৰ সাধন কৰি ভ্ৰান্তি দূৰ কৰিব পাৰিছে, তেৱেঁইহে ব্ৰহ্মজ্ঞান লাভ কৰিবৰ প্ৰকৃত অধিকাৰী।

এই বিষয়ৰ আলোচনা বৰ জটিল আৰু গূঢ়। এই বিষয়ত নানা পণ্ডিতৰ নানা মত দেখা যায়। কিন্তু সুখৰ বিষয় মতৰ অমিল থাকিলেও, শেষত সকলোৱে গৈ এক মীমাংসাত উপনীত হৈছে। এই প্ৰবন্ধ ব্ৰহ্মতত্ত্ব বা পৰমাত্ম-তত্ত্ব আলোচনাৰ কাৰণে নহয়, গতিকে এতিয়া আমি আমাৰ উদ্দেশ্যলৈ ঘূৰোঁ।

ওপৰত দেখুৱাৰ নিচিনাকৈ কৰ্ম্ম, জ্ঞান আৰু উপাসনা বা ব্ৰহ্মতত্ত্ব মানুহৰ ধৰ্ম্মৰ তিনটা বেলেগ বেলেগ অঙ্গ। ওপৰত ইয়াকো আমি দেখিছোঁ যে, জগতৰ মানুহবোৰ দুই শ্ৰেণীত বিভক্ত। এক শ্ৰেণীৰ মানুহে বিষয় অৰ্থাৎ সংসাৰৰ লগত সম্বন্ধ ৰাখি চলিছে। সংসাৰেই তেওঁ-বিলাকৰ লীলাভূমি, আৰু সমাজ তেওঁবিলাকৰ কৰ্ম্মানু-শীলনৰ স্থান। আন বিধ মানুহৰ সংসাৰৰ প্ৰতি অলপো আস্থা নাই, তেওঁবিলাক উদাসীন। তেওঁবিলাক সন্ন্যাসী বাবাজী নামে পৰিচিত। এই বিধৰ মানুহ কিছুমান আকৌ সংসাৰত থাকিও সংসাৰত নিৰ্লিপ্ত। উদাসীন-বিলাকে জীৱনৰ আদি ছোৱাত সমাজত থাকি সমাজৰ লগত কৰ্ম্মৰ অনুশীলন কৰি শেষত সংসাৰৰপৰা বাজ হয়। কৰ্ম্মৰ অনুশীলনৰ লগে লগে যি জ্ঞান হয় সেয়ে

এওঁবিলাকক এই অৱস্থালৈ আনে।

সংসাৰী মানুহক লৈয়েই সমাজ। আৰু এয়ে কৰ্ম্ম আৰু জ্ঞানৰ অনুশীলনৰ ঠাই। গতিকে সমাজত থাকি কৰ্ম্ম আৰু জ্ঞানৰ অনুশীলন একান্ত কৰ্ত্তব্য। এয়ে সমাজৰ ধৰ্ম্ম বা duty; ইয়াকে সমাজ-ধৰ্ম্ম বোলা হৈছে। এই ধৰ্ম্ম সকলো সভ্য সমাজতে, সকলো সভ্য জাতিৰ ভিতৰতে অভিন্ন দেখা যায়।

ধৰ্ম্মৰ তৃতীয় অঙ্গ, ঈশ্বৰ উপাসনা সম্বন্ধে যদিও সভ্য জাতিবিলাকৰ ভিতৰত মতৰ কিছু পাৰ্থক্য আছে, তথাপি শেষ মীমাংসা সকলো সভ্য জাতি আৰু সকলো সম্প্ৰদায়ৰে একেটাই,—উপাসনা পদ্ধতিহে মাত্ৰ ভিন্ ভিন্। এই কাৰণৰপৰাই পুৰাতত্ত্ববিদসকলে স্থিৰ কৰে যে অতি পূৰ্ব্বে কোনো একালত পৃথিবীৰ সকলো সভ্য জাতিৰ মানুহেই একে ঠাইতে একে সমাজত আছিল। সেই কাৰণেই পণ্ডিতসকলে কয় যে মূলত সকলো ধৰ্ম্ম একে। গতিকে আনৰ ধৰ্ম্মক বেয়া বুলিব বা নিন্দা কৰিব নাপায়, তাকে কৰিলে নিজৰ ইষ্ট দেৱতা কষ্ট হয়।

সমাজ ধৰ্ম্ম সকলো জাতিৰ বা সকলো সমাজৰ একে হলেও, কোনো কোনো বিষয়ত সমাজবোৰৰ অমিল দেখা যায়। অহিংসা, সত্য অস্তেয়, শৌচ, ইন্দ্ৰিয়জয়, দান দম, দয়া, ক্ষমা প্ৰভৃতিক সমাজ ধৰ্ম্ম হিচাবে সকলো সমাজতে দেখিবলৈ পোৱা যায়। এইবোৰৰ নাম যম, এইবোৰ সকলো সমাজতে অৱশ্যে পালনীয়। গতিকে এইখিনিত সকলো সমাজৰ মিল আছে। তাৰ বাহিৰে যিবোৰ বিষয়ত অমিল দেখা যায়, সেইবোৰৰ অনুষ্ঠানত কিবা গৰমিল হ'লে তাৰপৰা সমাজ-ধৰ্ম্মৰ বিশেষ কোনো হানি নহয়। গতিকে এনেবিধৰ কৰ্ম্মৰ অনুষ্ঠান কোনো কোনো সমাজত দেখা যায়, আৰু কোনো কোনো সমাজত দেখা নাযায়। এইবোৰক নিয়ম বা দেশাচাৰ বোলে। এইবোৰৰেই আন এটা নাম সামাজিক প্ৰথা।

ভালকৈ চালে দেখা যায়, প্ৰায় কোনো সমাজৰ সামাজিক প্ৰথা আন কোনো সমাজৰ লগত নিমিলে; — নিমিলিবৰ অৱশ্যে কাৰণো আছে। যিবোৰক যম বোলা হৈছে সেইবোৰ বেদ-বাক্য। সেইবোৰ সকলো দেশতে সকলো সময়তে সকলো পাত্ৰতে প্ৰযোজ্য। সেইবোৰ সকলো অৱস্থাতে সত্য আৰু সনাতন। কাজেই সেইবোৰৰ ওপৰ[illegible] সমাজৰ কোনো হাত নাই, সেইবোৰৰপৰা লাভালা[illegible] বিষয় নাভাবি সমাজে মাত্ৰ সেইবোৰৰ অভ্যাস কৰি [illegible] লাগে। নিয়মবোৰ হ'লে তেনেকুৱা নহয়, সেইবোৰ সম[illegible] জৰ হাতৰ মুঠিত। সমাজে আৱশ্যক বুজি সেইবো[illegible] গঢ়ি লয় আৰু অনাৱশ্যকৰ সময়ত উঠাই দিয়ে। সমাজ[illegible] সুবিধা বা কোনো লাভৰ আগন্তুক দেখিলে সমাজে নিয়[illegible] সাজি লয়, আৰু কোনো নিয়মৰপৰা অনিষ্ট ঘটা দেখিলে[illegible] তাৰ উচ্ছেদ সাধন কৰে। এয়ে ভিন্ ভিন্ সমাজ[illegible] সামাজিক প্ৰথাৰ বিভিন্নতাৰ মূল কাৰণ।

মুঠ কথা সামাজিক প্ৰথা সমাজ ধৰ্ম্মৰ অঙ্গ নোহোৱা[illegible] সকলো সমাজতে যে ই একে হ'ব তাক আশা কৰি[illegible] নোৱাৰি। গৰম দেশৰ মানুহৰ পিন্ধন-উৰণৰ প্ৰথা ঠে[illegible] দেশৰ মানুহবিলাকেৰে সৈতে একে হ'ব নোৱাৰে; বনি[illegible] সমাজত প্ৰচলিত প্ৰথা কৃষক সমাজত চলোৱা টান[illegible] মুছলমান বা খৃষ্টিয়ান সমাজত চলিত প্ৰথাই হিন্দু সমাজ[illegible] ঠাই নাপায়। এইবোৰেই সামাজিক প্ৰথাৰ অমিল[illegible] ঘাই কাৰণ।

সামাজিক প্ৰথাৰ গঢ় পিত আৰু ভাগন হি[illegible] সমাজৰ হাতত যেতিয়া, সমাজৰ নেতাসকল, কোনো প্ৰ[illegible] সমাজত সুমুৱাই লোৱা নাইবা কোনো প্ৰথা উঠা[illegible] দিয়াত, বৰ বিবেচক হ'ব লাগে। কাৰণ তেনেকুৱা কা[illegible] সমাজত পৰিবৰ্ত্তন ঘটায়।

সামাজিক প্ৰথাৰ মাজেদিয়ে কোনো সমাজ বা জাতি[illegible] বিশেষত্ব আনৰ চকুত পৰে। সেই প্ৰথা আনৰ চকু[illegible] ভাল হ'লে, সেই সমাজ বা জাতিক আনে উচ্চ আস[illegible] দিয়ে; আৰু সেই প্ৰথা বেয়া হ'লে সমাজ বা জাতি[illegible] দুৰ্নাম। সমাজৰ সুনাম দুৰ্নামৰ ভাগী নেতাসকল[illegible] কাৰণ সমাজ সংস্কাৰ তেওঁবিলাকৰ হাতত—তেওঁবিলাকে[illegible] সমাজৰ গুৰিয়াল।

সকলো দেশতে সকলো জাতিৰ ভিতৰতে সমাজ[illegible] দুই শ্ৰেণীত ভাগ কৰা দেখা যায়:—(১) নগৰ [illegible] কোনো মুখপাত ঠাইৰ মানুহেৰে গঠিত সমাজ, (২[illegible] গাওঁ বা নগৰৰপৰা দূৰৈত থকা মানুহেৰে গঠিত সমাজ[illegible] এই দুই বিধৰ আগৰ বিধ সমাজ কিছু উন্নত, আৰু পিছ[illegible]



বিধ কিছু অনুন্নত। কোনো সমাজত কিবা নতুন সামাজিক প্ৰথাৰ সৃষ্টি হ'লে সি আগেয়ে নগৰ বা মুখপাত ঠাইৰ সমাজৰ চকুত পৰে, আৰু সি নকল কৰিব লগীয়া হ'লে গাৱঁলীয়া সমাজতকৈ নগৰীয়া সমাজে আগেয়ে তাক নকল কৰিবৰ সুবিধা পায়। তদুপৰি নগৰ বা মুখপাত ঠাইৰ মানুহবিলাকে নানা সমাজৰ মানুহ দেখিবলৈ আৰু সিবিলাকৰ লগত চলা ফিৰা কৰিবলৈ সুযোগ পায়। সেই সূচলতে নগৰৰ সমাজৰ মানুহে আন উচ্চ সমাজৰ উন্নত প্ৰথাৰ অনুসৰণ কৰিব পাৰে। এইবোৰ কাৰণতে নগৰৰ সমাজ গাৱঁৰ সমাজতকৈ উন্নত।

সি যি হওক, আমাৰ এই দুই সমাজৰ প্ৰথা কিছুমান সমালোচনা কৰি নগৰীয়া সমাজে গাৱঁলীয়া সমাজক আৰু গাৱঁলীয়া সমাজে নগৰীয়া সমাজক হাঁহে বা নিন্দা কৰে, কিন্তু সেইবোৰ প্ৰথাৰ মূলত কি আছিল তাক ভাবি নাচায়। এইদৰে হাঁহা বা নিন্দা কৰা কোনো সমাজৰে উচিত নহয়। কোনো এক সমাজৰ, কোনো এটা প্ৰথা আন এক সমাজৰ চকুত বেয়া হ'ব পাৰে, কিন্তু সেই বুলি সেই সমাজে তাক পোনতে হাঁহি উৰাই দিব নালাগে। তাৰ নো মূল কাৰণ কি তাক দকৈ ভাবি চাব লাগে, আৰু ঠিক এই বিষয়ত নিজৰ সমাজৰ প্ৰথাটোৰ লগত ইয়াক বিজাই চাব লাগে। এইদৰে কাম কৰিলে নিজৰ সমাজৰ কিছুমান কুপ্ৰথা দূৰ কৰিব পাৰি আৰু তাৰ ঠাইত আন সমাজৰ কিছুমান সুপ্ৰথাৰ প্ৰচলন কৰিব পাৰি। তাকে নকৰিলে সমাজৰ উন্নতি সাধন কৰিব নোৱাৰি। অনুন্নত সমাজতো কোনো বিষয়ৰ ভাল প্ৰথা থাকিব পাৰে, অনুকৰণীয় হ'লে তাকো উন্নত সমাজে গ্ৰহণ কৰা নিন্দনীয় নহয়।

সামাজিক প্ৰথাবিলাকৰ ভিতৰতো এনেকুৱা কিছুমান আছে, যিবোৰ বহুত সমাজত একে ঠাচত দেখিব পোৱা যায়। এক সম্প্ৰদায় বা কোনো এক বিশেষ ঠাইৰ নগৰীয়া কি গাৱঁলীয়া সকলো মানুহৰ ভিতৰত এনেকুৱা প্ৰথাৰ চলন থাকে। এইবোৰক জাতীয় সামাজিক প্ৰথা বোলা হয়। এনেকুৱা প্ৰথাবোৰ ৰক্ষা কৰিবৰ নিমিত্তে এক জাতিৰ অন্তৰ্ভুক্ত সকলো সমাজৰ চেষ্টা থাকে; কাৰণ এই প্ৰথাই জাতীয়ত্ব বা জাতিৰ পৰিচয়। অসমীয়া সমাজত বিহু-উৎসৱ অসমীয়াৰ জাতীয় প্ৰথা। ৰঙালিৰ বিহুৰ সময়ত গৰু ধুৱাই, বিহুবান কাপোৰ পিন্ধি নতুন জোৰাঁয়েকক "নেওতা" দি ৰঙালি বিহু পালন কৰা প্ৰথাটো অসমীয়া জাতিৰ বিশেষত্ব। সেইদৰে মাঘৰ বিহুত মেজী পুৰি পিঠা-পনা আদি খোৱাও অসমীয়া সমাজৰ এক সুন্দৰ প্ৰথা। এইবোৰ প্ৰথাৰ মূলতো একোটা একোটা গূঢ় অৰ্থ আছে। এনেকুৱাকৈ ভাতৃ দ্বিতীয়া, জামাই ষষ্ঠী প্ৰভৃতি বঙ্গালী সমাজৰ জাতীয় প্ৰথা। এইদৰে সকলো সমাজতে স্বকীয়া স্বকীয়া জাতীয় সামাজিক প্ৰথা আছে।

যিবোৰ প্ৰথা জাতীয় নহয়, সেইবোৰ বেচি ব্যাপক নহয়। সি মাত্ৰ জাতিৰ অন্তৰ্ভুক্ত সৰু সৰু সমাজকহে বান্ধি ৰাখিব পাৰে। কিন্তু, জাতীয় সামাজিক প্ৰথাবোৰে গোটেই জাতিটোৰ মানুহকে বান্ধ খুৱাই থয়। এইখিনিত সমাজ ধৰ্ম্মৰ লগত সামাজিক প্ৰথাৰ মিল দেখিবলৈ পোৱা যায়। সমাজ ধৰ্ম্মৰ নিচিনাকৈ সামাজিক প্ৰথাৰো বান্ধ খুৱাই থ'ব পৰা শক্তি আছে,—মাত্ৰ পাৰ্থক্য এই খিনিত যে, সামাজিক প্ৰথাই সমাজ ধৰ্ম্মৰ নিচিনাকৈ বিভিন্ন জাতিক বান্ধি ৰাখিব নোৱাৰে। সমাজ ধৰ্ম্মৰ বান্ধনিৰ বল সামাজিক প্ৰথাৰ বান্ধনিৰ বলতকৈ কম। মুঠ কথা, সামাজিক প্ৰথাক সমাজ ধৰ্ম্মৰ সহকাৰী বা Subsidiary বুলিব পৰা যায়। সামাজিক প্ৰথাৰ বান্ধনিৰ ওপৰত সমাজ ধৰ্ম্মৰ বান্ধনি পাতিবৰ সুবিধা হয়। এই উদ্দেশ্যেই সামাজিক প্ৰথাৰ সৃষ্টি।

এতিয়া দেখা গ'ল, সামাজিক প্ৰথাবোৰ যদিও ধৰ্ম্মৰ কোনো অঙ্গ নহয়, তথাপি মূলত ধৰ্ম্মানুষ্ঠানত সহায় পাবৰ উদ্দেশ্যেই সমাজত এইবোৰৰ অৱতাৰণা। গতিকে সমাজত ধৰ্ম্ম যেনেকুৱা অৱশ্য পালনীয়, সামাজিক প্ৰথা তেনেকুৱা নহয় বুলি ভবাটো ভুল। অৱশ্যে সমাজৰ কিবা কুপ্ৰথা থাকিলে পালন কৰাৰ পূৰ্ব্বে তাক সংস্কাৰ কৰিবৰ চেষ্টা কৰিব লাগে।

কিছুমান দৃষ্টান্ত আগত ধৰি গাৱঁলীয়া সমাজৰ প্ৰায় ভাগ মানুহকে কোৱা শুনা যায় যে, পাশ্চাত্য শিক্ষাই মানুহৰ ধৰ্ম্ম ভাব নাইকিয়া কৰে। এই অভিযোগত সমাজৰ এটা ভুল থাকে। গাৱঁৰ সমাজে, স্বাভাৱিকে

অধ্যয়ত হোৱাত, অনেক সময়ত সামাজিক প্ৰথাবোৰকে ধৰ্ম্ম বুলি মানে আৰু ব্যাখ্যা কৰে। কিন্তু, সামাজিক প্ৰথাৰ লঙ্ঘনৰ পৰা যে ধৰ্ম্মৰ বিশেষ কোনো হানি নহয় তাক ওপৰত কোৱা হৈছে। সমাজৰ অভিযুক্ত ব্যক্তি-বোৰৰো ভুল এই যে, পাশ্চাত্য শিক্ষাৰ বতাহত তেওঁ-বিলাকে সামাজিক প্ৰথাবোৰ সমূলি উৰাই দিব খোজে। তাৰ মূলত কি আছে তেওঁবিলাকে এবাৰো ভাবি নাচায়। এই বিষয়ত কাৰ কি কৰ্ত্তব্য তাক আগেয়ে উল্লেখ কৰা হৈছে। এইমতে যদি আমাৰ সমাজত কাম হয়, তেন্তে আমাৰ সমাজ-ধৰ্ম্ম আৰু সামাজিক প্ৰথা উভয়ৰে উৎকৰ্ষ সাধন কৰা হ'ব।

শ্ৰীচিন্তাহৰণ পাটগিৰি।

---

## ৰূপৰ পোহাৰী।

ভাবিছনে ইকি
ৰূপৰ পোহাৰী
তোৰমান কোনো নাই,
সংসাৰৰ যত
ভোগৰ বাসনা
তোতেই মাখোন পায় ?
বিনন্দ বিলাহ
সৃষ্টিৰ মাজত
তয়ে তৃষিতৰ জল,
ৰূপৰ চমকে
ভুলাই জগত
নিবিনে কি ৰসাতল ?
কপট চাকোনে
ঢকা তোৰ হিয়া
মায়াৰ সাজেৰে সজা,
তয়ে সৌন্দৰ্য্যৰ ৰাণী
তোৰ প্ৰিয়জন মহাৰজা !
প্ৰেম পাৰিজাত
বিহীন নন্দন
মউচাক মধুহীন,
সতীত্ব ৰতন
বিহীন যৌবন—
চোৰা সৰপৰ চিন।
কটাক্ষ তীখাল
শৰৰ ছাটিত
নিবিদৰে হিয়াখনি,
পৱিত্ৰ লাজুকী
ভাৱ পদুমৰ
গৰুতেহে যায় পমি !
মৰীচিকা জলে
তৃষ্ণা নপলায়,
গঙ্গাজল এৰি
বোকা পানী খায়,
সাগৰ শুকায়,
অগনি নুকায়,
তোৰে ৰূপকে চাই।
দেখিছনে তই
সেই তেজ, যিহে
যমকো লগালে তথা ?
স্বৰগ তৰাৰে টোপা খহ যেন
তোৰে তুলনাত বঁধা।
সিভোগে কি স্বৰ্গ পাতে
যি ভোগে নৰক মাতে ?

শ্ৰীকন্দ্ৰকান্ত গোস্বামী।

## পাগলীৰ কথা

মই পাগলী। মোক তোমালোকে পাগলী বুলি কত জোকোৱা; কত লাঞ্ছনা কৰা! কিন্তু মোৰ দুখৰ কথা তোমালোকে শুনা। মোৰ প্ৰাণৰ যন্ত্ৰণা তোমালোকে অনুভৱ কৰিব নোৱাৰা। মই তোমালোকৰ ওচৰত আশ্ৰয় বিচৰা নাই। তোমালোকৰ সহানুভূতিও মোক নালাগে। মোক তোমালোকৰ একো নালাগে—এটা হমুনিয়াহ যে, তাকো নালাগে। অলপ দয়াৰো প্ৰাৰ্থী নহওঁ। মোৰ কথা শুনিবৰ ইচ্ছা হ'লে শুনা, শুনিবৰ ইচ্ছা নহ'লে আঁতৰি যোৱা।

মই দুখীয়াৰ ঘৰৰ জীয়াৰী। মোৰ আই-বোপাই ভাই-ককাই, ভাই-ভনী সকলো আছে। তথাপি মোৰ কোনো নাই। মোৰ যেতিয়া ১৩ বছৰ, আই-বোপায়ে ধৰ বেপাহেৰে মোক এজন ধনী সন্তানৰ হাতত সমৰ্পণ কৰি নিজকে ধন্য বুলি মানিছিল। এনে ঘৰত পৰি আজি মই পথৰ ভিখাৰীণী। ভাত এমুঠিৰ নিমিত্তে হাহাকাৰ কৰিব লগীয়া হৈছে। গা ঢাকিবলৈ এডোখৰ বস্ত্ৰ নাপাওঁ। মানুহে মোক পাগলী বোলে।

মোৰ শহুৰৰ কি নাছিল! ধনে বস্তুৱে মাটিয়ে বাৰীয়ে চহকী আছিল। গাওঁখনৰ ভিতৰত তেওঁৰদৰে চহকী আন কোনো নাছিল। তেওঁৰ একমাত্ৰ পুত্ৰ ধনেশ্বৰ বৰুৱাৰ লগত কিবা কুক্ষণত মোৰ বিয়া হ'ল। শুনিবলৈ পাইছিলোঁ তেওঁলোক হেনো প্ৰকৃততে বৰুৱা নাছিল; ধনৰ বলতহে বৰুৱা উপাধি ল'লে। মোৰ শহুৰ সুতলৈ টকা দিয়া মহাজন; মানুহে তেওঁক সদাগৰ বোলে; আৰু গৰুৰ দোক সৰুৱাবলৈ প্ৰথমতে তেওঁৰ নামহে মানুহৰ মনত পৰে। টানত পৰি যদি কোনোবাই তেওঁৰপৰা কুৰি টকা ধাৰ কৰে, তেওঁৰ সেই ধাৰ আৰু কেতিয়াও শোধ নেযায়। কুৰি টকাৰ পোৱালী জগি বাঢ়ি যায় আৰু সকলো জনৰ ভেটি মাটি তেওঁৰ গৰাকত পৰে। মুঠতে তেওঁ এনে প্ৰকৃতিৰ মানুহ আছিল যে ওচৰৰ গাওঁ দুখনৰ সকলোৱে তেওঁক ভয় আৰু ঘিণ কৰিছিল।

শহুৰৰ ইচ্ছা যে, মোৰ স্বামীক গাৱৰ পঢ়াশালিত পঢ়াই নিজৰ ব্যৱসায়ত লগাই দিয়ে। হাতৰ আখৰ কেইটা ভাল হ'লে আৰু হিচাব পত্ৰ ৰাখিব পাৰিলেই তেওঁ ল'ৰাৰ পক্ষে যথেষ্ট বুলি ভাবিছিল। সেই দেখি তাকে তেওঁ কৰিলে। ষোল বছৰ বয়সৰপৰা তেওঁ পিতাকৰ সহায় সাৰথি হ'ল। পিতৃৰ শিক্ষাৰ গুণত অলপ দিনৰ ভিতৰতে বাপেক চাই পোৱালী হ'ল, তেওঁৰ অত্যাচাৰ মানুহে সহিব নোৱাৰা হ'ল। তেওঁ বৰ নিষ্ঠুৰ আছিল। কুৰি বছৰ বয়সতে মোক বিয়া কৰায়; বিয়াৰ পাচত শুনিবলৈ পালোঁ যে মোৰ শাহু হেনো খোৱা পিন্ধাৰ কষ্ট সহিব নোৱাৰি, অকালতে স্বৰ্গধামলৈ গ'ল।

মোক বিয়া কৰি নিয়াৰ পাচত কিছু দিনলৈ মই একোকে বুজি পোৱা নাছিলোঁ। যেতিয়া কোনো মানুহ আহি স্বামী আৰু শহুৰৰ আগত কান্দিকাটি কাবৌ-কোকালি কৰি তেওঁক বাটৰ মগনীয়াৰ নকৰিবলৈ কয়হি তেতিয়া মই একো বুজি নোপোৱাকৈ চাই থাকোঁ। কিন্তু কিছু দিনৰ পাচত লাহে লাহে সকলো বুজিব পাৰিলোঁ। স্বামীক ভৰি হাতে ধৰি বহুত কাকুতি কৰিলোঁ; কিন্তু যেতিয়া দেখিলোঁ যে মোৰ কথাৰ একো গুটি নধৰিলে তেতিয়া ক'ব নোৱাৰোঁ কিয় মোৰ মনত এটা বৰ ভয় সোমাল। মই বুজিব পাৰিলোঁ যে ঈশ্বৰে এই অত্যাচাৰৰ শাস্তি নিদি নেৰে। এনে দৰে বাৰ বছৰ গ'ল। এই বাৰ বছৰত কিমান দুখ কষ্ট যে পালোঁ, তাক এই মুখেৰে কৈ অন্ত কৰিব নোৱাৰোঁ। এই কালৰ ভিতৰত মোৰ তিনটি সন্তান জন্ম হয়, দুটি ল'ৰা আৰু এটি ছোৱালী। ঈশ্বৰৰ ইচ্ছাত তিনিওটি মোৰ কোলা শুদা কৰি গুচি গ'ল। তাঁহাত আছিল শুভ্ৰ শিশু; সিহঁতে তো কষ্ট পোৱা অযুগুত।

সেই দিনাৰ কথা মোৰ বেচ মনত আছে। আবেলি চাৰিমান বাজিছে। পুহ মাহ জাৰো অতি বেচি। বুঢ়ী বামুণী এগৰাকী আহি আমাৰ ঘৰৰ চোতালত থিয় দিলেহি। গাত কেৱল মেখেলাখন আৰু ফটা খনীয়া কাপোৰ এখন। বুঢ়ী মানুহ জাৰত ঠক্ ঠক্ কৰি কঁপিবলৈ ধৰিছে। শহুৰ সেই সময়ত ঘৰৰ বাৰণ্ডাত

আবামি চকিৎসনত বহি আছিল। আমাৰ ঘৰটো চাবি চলীয়া আৰু আগ ফালে এটা বাৰণ্ডা। বুঢ়ীক দেখি শহুৰে সুধিলে, "টকা আনিছনে ?" বুঢ়ীয়ে ক'লে "নাই অনা, মোৰ থাবলৈ নাই, মই টকা কৰ'পৰা দিম ? আপুনি কৰ্দমা কৰি মাটি ভেঁটি সকলো ল'লে। এতিয়া কেৱল অনুগ্ৰহ কৰি ঘৰটোত আমাক থাকিবলৈ দিয়ক। ঘৰৰপৰা উলিয়াই দিলে আমিনো ক'লৈ যাম ?"

"এনে হ'ব নোৱাৰে। মই এই বোৰ কথা শুনিব খোজা নাই; টকা দি পাৰ ঘৰ মোকোলাই ল নহলে কাইলৈ টেকেলা আহি মাৰ জীয়েৰক ঘৰৰপৰা উলিয়াই দিব।" বুঢ়ীৰ এটি পোন্ধৰ বছৰীয়া বিধবা ছোৱালী আছিল। কত যে ক'লে, কত যে কান্দিলে ! কিন্তু শহুৰৰ সেই একেষাৰ নিঠুৰ কথা "ঘৰৰপৰা কাইলৈ ওলাই যাব লাগিব।" পাচত মাতৃতুল্যা বুঢ়ীয়ে শহুৰৰ ভৰিত ধৰি কান্দিবলৈ ধৰিলে। কিন্তু তাতো তেওঁৰ মন অলপো স্থকুমলিন। বুঢ়ীক ভৰিৰে ঠেলা মাৰি দি ভিতৰলৈ আহিবলৈ থিয় হ'ল। তেতিয়াহে দেখিলোঁ বুঢ়ীৰ তেজ ! অত্যাচাৰ অপমানৰ ঘঁহনিত জাজ্জল্যমান হৈ উঠা প্ৰাণৰ দাহ ! বুঢ়ীৰ মুখ ৰঙা পৰিল। গোটেই গাটো কঁপিবলৈ ধৰিলে। তেওঁৰ মুখৰপৰা ওলাল "ঈশ্বৰে এই অন্যায় অত্যাচাৰ দেখিব।" এই কেইআষাৰ কথা; কিন্তু সি কি ভীষণ গৰ্জ্জনৰ দৰে মোৰ মনত আছে ! বঢ়িয়াকৈ আছে। ৰাতি ভাত খোৱাৰ পাচত বুঢ়ীক ৰক্ষা কৰিবলৈ স্বামীক বহুত খাটিলোঁ, কিন্তু একো নহ'ল। তেওঁ কলে যে বুঢ়ীৰ ধন আছে ইচ্ছা কৰিহে দিয়া নাই। তাৰ পাচত, তাৰ পাচত কি হ'ল শুনিবা ? পাচ দিনা শুনিলোঁ যে মাক জীয়েকৰ ... ছুটা আমি পানী খোৱা পুখুৰীটোত ওপঙ্গি ফুৰিছে। ... পুখুৰীটোৰে মাক জীয়েকৰ সকলো দুখ মাৰ নিয়ালে- মই নোৱাৰিলোঁ।

ইয়াৰ পাচত কি হ'ল শুনা। পুখুৰীত মৰা ... ছটা পৰি থকা কথা শুনি শহুৰে আৱামি চকিৎস... পৰা উচাপ খাই উঠিব খোজোতেই পৰিল আৰু প... শহুৰৰ পক্ষাঘাত ৰোগ হল। সেই ৰোগত অলৰ অ... হৈ বহু দিন নিকাৰ ভুঞ্জি এদিন তেওঁ টকা কৰি এৰি ... গ'ল—স্বৰ্গলৈনে নৰকলৈ মই ক'ব নোৱাৰোঁ; তোমালোক... ভাবি চোৱা। ধন বস্তু সকলো ইয়াতে পৰি থাকিল... মোৰ স্বামীৰ কথা সুধিছা ? অশিক্ষিত ডেকা ... সন্তানৰ যি হয় তেওঁৰো সেয়ে হ'ল। নানা কুক্ৰিয়া... ধন বস্তু টকা কৰি উৰি যাবলৈ ধৰিলে, এতিয়া নান... বিধ কুৎচিৎ ব্যাধিৰে পূৰ্ণ হৈ কৰ'বাৰ হাস্পিটালত প... আছে। আৰু মই, মোকতো দেখিছাই পাগলী।— জোকোৰাঁ, জোকোৰাঁ তোমালোকে পাৰা মানে মো... লাঞ্ছনা কৰা, অপমান কৰা। কি জানি মোৰ ব... বিধবা বামুণীক কৰা অপমানৰ শোধ এই দৰেই হ... কিন্তু খবৰদাৰ, মোক পুতৌ নকৰিবা, মৰম নকৰিব... ঈশ্বৰে তোমালোকক ধ্বংস কৰিব।

শ্ৰীজেহিৰুদ্দিন আহ্মদ্।

---

# শলাগ।

অসম সাহিত্য সভাৰ সভ্যসকলে আৰু আমাৰ পাঠকসকলে শুনি সন্তোষ পাব যে সাহিত্য সভাই অসম গৱৰ্ণমেণ্টৰপৰা ভালেখিনি সাহায্য পাইছে। প্ৰথমে সভাৰ অফিচ্ ঘৰ সাজিবৰ কাৰণে যোৰহাট নগৰৰ ভিতৰত আলিৰ দাতিত কেউ ফালে চৰ্কাৰী অফিচৰ মাজত, গৱৰ্ণমেণ্টে সভাক এডোখৰ সুন্দৰ আৰু মূল্যবান মাটি দিয়ে। ... মাটিতে, ৰায় বা ... দুৰ ৰাধাকান্ত সন্দিকৈ ডাঙ্গৰীয়াৰ দা... টকাৰে "চন্দ্ৰকান্ত সন্দিকৈ হল" নামেৰে বিতোপন ... ঘৰ সজাই, তাতে সভাৰ অফিচ্ স্থাপন কৰা হ'... তাৰ পাচত সেই মাটি তাকৰ বুলি আবেদন কৰা... গৱৰ্ণমেণ্টে তাৰ খাতে, সভাক আকৌ এডোখৰ মাটি দিছে। এয়ে সেয়ে গোটি খাই, চন্দ্ৰকান্ত হলৰ চৌহদ্দত এতিয়া তিনি বিঘাতকৈ সৰহ মাটি হ'ল। প্ৰকাণ্ড সভা পাতি চন্দ্ৰকান্ত সন্দিকৈ হল খোলা হ'ব। আৰু এই কাৰ্য্য গৱৰ্ণৰ বাহাদুৰে নিজে আহি কৰিবলৈ অনুগ্ৰহ কৰি সন্মত হৈছে।

তাৰ উপৰি, সাহিত্যৰ উন্নতিৰ অৰ্থে খৰচ কৰিবলৈ ১৯২৫।২৬ চনৰপৰা গৱৰ্ণমেণ্টে সভাক বছৰি ১০০০৲ টকাকৈ দান দিছে আৰু ১৯২৬।২৭ চনৰ কাৰণে বেলেগে আৰু ২০০০৲ দিছে। মুঠতে আজিলৈকে সাহিত্য সভাই গৱৰ্ণমেণ্টৰপৰা ৪০০০৲ টকা দান পাইছে। সাহিত্য সভাই এই দানৰ নিশ্চয় সদ্ব্যৱহাৰ কৰিব। তদুপৰি আবেদন-নিবেদনবিলাকৰ গৱৰ্ণমেণ্টে সদায় সুমীমাংসা কৰি আহিছে।

ৰঙা-ঘৰৰ এই দৰে শুভ দৃষ্টি আকৰ্ষণ কৰিব পৰাটো সকলো অনুষ্ঠানৰে সৌভাগ্যৰ কথা। গৱৰ্ণমেণ্টে এইদৰে শুৰি ধৰিলে সভাই অচিৰতে অসমীয়া সাহিত্যৰ আশাতীত ৰূপে উন্নতি সাধন কৰিব পাৰিব। সভাই উপযুক্ত মতে কাম কৰি দেখুৱাব পাৰিলে, গৱৰ্ণমেণ্টৰপৰা যে সদায় বিবিধ প্ৰকাৰৰ নথৈ সাহায্য পোৱা হ'ব তাত আমাৰ অকণো সন্দেহ নাই। অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে, ধন খৰচ কৰিবলৈ আৰু সৰ্ব্বপ্ৰকাৰে সাহায্য কৰিবলৈ অসম দেশৰ গৱৰ্ণমেণ্ট বং মনেৰে আগ নবঢ়িবৰ আমি কোনো কাৰণ কল্পনা কৰিব নোৱাৰোঁ। এতিয়ালৈকে যি যি সাহায্য পোৱা হৈছে সেই সকলোখিনিৰ বাবে অসম সাহিত্য সভাৰ হৈ, আমি অসম গৱৰ্ণমেণ্টক আন্তৰিক শলাগ জনাইছোঁ।

ল'কেল্ ব'ৰ্ড আৰু মিউনিচিপেলিটীৰপৰা সভাই তলত লিখা মতে অৰ্থ সাহায্য পাইছে :—

| | | | |
|---|---|---|---|
| উত্তৰ লক্ষীমপুৰ ল'কেল্‌বোৰ্ড | | | ২৫৲ |
| শিৱসাগৰ | " | " | ১০০৲ |
| যোৰহাট | " | " | ১০০৲ |
| নগাঁও | " | " | ১০০৲ |
| তেজপুৰ | " | " | ১০০৲ |
| মঙ্গলদৈ | " | " | ৫০৲ |
| বৰপেটা | " | " | ৫০৲ |
| গুৱালপাৰ | " | " | ৫০৲ |
| যোৰহাট মিউনিচিপেলীটি | | | ১০০৲ |

এওঁলোককো আমি সাহিত্য সভাৰ শলাগ জনাইছোঁ আৰু অন্ততঃ এই দানকে বছৰি বছৰি দিয়াৰ বিধান কৰিবলৈ খাটিছোঁ। ইয়াত নাম নথকা কেইখন ল'কেল্ ব'ৰ্ড আৰু যোৰহাটৰ বাহিৰে আন আন মিউনিচিপেলীটিৰো আমি শীঘ্ৰে এইদৰেই শলাগ ল'বলৈ পাম বুলি আশা কৰিছোঁ।

সাহিত্য সভা ৰাইজৰ অনুষ্ঠান। সেইবাবে ই গৱৰ্ণমেণ্ট আৰু ৰাইজৰপৰা সদায় সকলো প্ৰকাৰৰ সাহায্য আকাঙ্ক্ষা কৰাটো সম্পূৰ্ণ স্বাভাৱিক।

---

# লাগতিয়াল কথা।

মুক্তাৰ বেমাৰ——মুক্তাবিলাক বোলে সজীৱ বস্তু। মানুহৰ দৰে মাজে সময়ে মুক্তাৰো বেমাৰ হয়। মানুহৰ গাত যেনেকৈ তেজ আৰু তাত এবিধ কীটাণু আছে, মুক্তাতো সেই দৰে এবিধ ৰস আৰু তাত কীটাণু থাকে। তেজৰ কীটাণুৱে যেনেকৈ ৰোগৰ বীজবিলাকক নষ্ট কৰে, মুক্তাৰ ৰসৰ কীটাণুৱেও সেই দৰে প্ৰথম অৱস্থাত মুক্তাৰ বেমাৰ গুচাবলৈ যত্ন কৰে; পাচত নোৱাৰিলে, বেমাৰ বাঢ়ি গৈ, মুক্তা মলীন আৰু নিষ্প্ৰভ হৈ পৰে। মুক্তাৰ বৰণ অলপ বেয়া হোৱা দেখিলেই তাৰ কিবা বেমাৰ হৈছে বুলি জানিব লাগে। তেতিয়া স্পিৰিটেৰে ভালকৈ ধুলে ৰোগৰ বীজাণু মৰি মুক্তাৰ বৰণ আকৌ ভাল হ'ব পাৰে। মুক্তাৰ অনেক প্ৰকাৰৰ

বেমাৰ আছে। কোনো কোনো বেমাৰত কিছু দিন সাগৰত পেলাই থ'লে তেনে৷ মুকুতা আকৌ আগৰ দৰে ভাল হয়। পাৰাই মুকুতাৰ বৰ অনিষ্ট কৰে; পাৰা ব্যৱহাৰ কৰা মানুহৰ গাত থাকিলে, মুকুতা লাহে লাহে বেমাৰে ধৰি মলীন হৈ যায়।

বাঁহৰ ফুল——আমাৰ মানুহৰ ধাৰণা আছে যে বাঁহ গছত কেতিয়াও ফুল নধৰে; আৰু কোনো জোপা বাঁহ যদি কেতিয়াবা ফুলে তেনেহ'লে গৃহস্থৰ পক্ষে সি এটা মহা উৎপাত। প্ৰকৃততে পঞ্চাশ বছৰৰ অন্তৰে একোবাৰকৈ বাঁহ গছত ফুল ধৰে। সেই দেখি এজোপা বাঁহ ফুলাৰ ফুলা প্ৰায় মানুহেই দেখিবলৈ নেপায়। এই কাৰণতে, কেতিয়াবা কোনো জোপা বাঁহ ফুলা দেখি মানুহে কিবা এটা উৎপাত বুলি ভাবে।

পোৰাৰ দৰব——ময়দা গুৰি চেচা পানীৰে গুলি চন্দনৰ নিচিনা কৰি, পোৰা ঠাইত ডাঠকৈ লিপি দিলে গুণ পোৱা যায়। ইয়াৰপৰা ভক্ ভকনি গুচে আৰু টো হুফুটাকৈও থাকিব পাৰে।

যুৱৰাজৰ ডাক—ইংলণ্ডৰ যুৱৰাজে দিনে গড়ে সাত শ মান চিঠি পায়। একো দিন চিঠিৰ সংখ্যা ১৫০০ পৰ্য্যন্ত হয়। ভাৰতবৰ্ষলৈ অহাৰ আগতে তেখেতে তেনে৷ কোনো কোনো দিন ২০০০ চিঠিও পাইছিল।

পিয়াঁজৰ গোন্ধ—কিবা বস্তুৰপৰা পিয়াঁজৰ গোন্ধ গুচাবলৈ হ'লে, তাক লোণ-পানীৰে ধুব লাগে। জুইত সেকিলে, কটাৰীৰপৰা পিয়াঁজৰ গোন্ধ গুচে।

হাঁহৰ আয়ুস—অপমৃত্যু নহ'লে হাঁহ তেনে৷ পঞ্চাশ বছৰলৈকে জীয়াই থাকিব পাৰে।

মামৰে ধৰা লো—সমস্ত পৃথিবীত বছেৰেকত প্ৰায় পঞ্চাশ কোটি টকা ৰূপৰ লো মামৰে ধৰি নষ্ট কৰে।

---

## ৰহস্যৰ কথা ।

চাউল পানীত পেলোৱা—শাহুৱেকে বোৱাৰীয়েকক ক'লে "হেৰ ঘৰলৈ আলহী আহিব লগা আছে; চাউল এমুঠি পানীত পেলাই থ"। পাচত আলহী আহিলত, জলপান দিবৰ বেলিকা, তিয়াই থোৱা চাউল আনিবলৈ ক'লত, বোৱাৰীয়েকে লাহেকৈ সুধিলে "আই, অথনি আপুনি কোৱা মতে, ভাত ৰান্ধিবলৈ ধুবলৈ নিয়াৰ লগৰ চাউলৰে এমুঠি মই পুখুৰীত পেলাই থৈ আহিলোঁ; এতিয়া আকৌ তাক কেনেকৈ আনিম" ?

অনুবাদত ভুল—মহাত্মা গান্ধীয়ে তেখেতৰ "ইয়ং ইণ্ডিয়া" কাকতত লিখিছিল— I once went to Brighton. This was my first year in England. The courses on the Menu were all described in French which I did not understand. অৰ্থাৎ "মই এবাৰ ব্ৰাইটনলৈ ( হোটেল ) গৈছিলোঁ। ই মোৰ বিলাতত থকাৰ প্ৰথম বছৰৰে কথা। তাৰ খানাৰ তালিকাখনত খানাৰ পদবিলাক ফৰাচী ভাষাৰে লিখা আছিল; তাক মই নুবুজিলোঁ"।

কলিকতাৰ "বসুমতী" কাকতে মহাত্মাৰ এই ইংৰাজী কথা কেইফাকি বঙ্গলা ভাষালৈ ভাঙ্গি প্ৰকাশ কৰোঁতে এনেকুৱা হৈ পৰিল—"এক দিন আমি ব্ৰাইটনে যাই; সে আমার ইংলণ্ডবাসের প্ৰথম বৰ্ষের কথা। মনুসংহিতা খানা ফরাসী ভাষায় অনুদিত হইয়াছিল। তাহা পড়াৰ হইতে; আমি তাহার কিছু বুঝিতাম না"।

---

# অসম সাহিত্য সভাৰ সংবাদ ।

১। বৰ্ত্তমান বছৰৰ সাহিত্য সভাৰ আয় ব্যয়ৰ হিচাব ...নত দিয়া হল :—

( ক ) ১৭।১২।২৫ তাৰিখত হিচাব পৰীক্ষা ...কৰোঁতে আয় ব্যয় আছিল :—

পূৰ্ব্বৰ জমা ... ... ৯৫৬৩।৶ পাই
নতুন জমা ... ... ৪০৭৮৴০ অনা

মুঠ জমা ১৩৬৪১।/৬ পাই
মুঠ খৰচ ৩৬৪৬৷৵৩ পাই

মুঠ বাকী ৯৯৯৫৶৩ পাই

( স্বাক্ষৰ ) শ্ৰীযোগেন্দ্ৰনাথ বৰুৱা
হিচাব পৰীক্ষক
১৭।১২।২৫

( খ ) ১৬।৯।২৬ তাৰিখে পুনৰ হিচাব পৰীক্ষা ...কৰাত সভাৰ আয় ব্যয় দেখা যায় :—

পূৰ্ব্বৰ জমা ... ... ৯৯৯৫৶৩ পাই
নতুন জমা ... ... ২২১৮৮৲৭ পাই

মুঠ জমা ৩২১৮৩৶১০ পাই
মুঠ খৰচ ২৭৩৮৷৵৬ পাই

মুঠ বাকী ২৯৪৪৪॥ ৪ পাই

সভাৰ জমা টকাৰ বিৱৰণ :—

| | | |
|---|---|---|
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত ট্ৰাষ্ট ফণ্ড | | ১৫৫৭৪॥৶৯ |
| নবদেৱ | ঐ | ৫২৯০৴৲০ |
| কমলাদেৱী | ঐ | ২০৬৪।০ |
| সভাৰ নিজা টকা | | ৬৫১৪॥৵৭ |

( স্বাক্ষৰ ) শ্ৰীযোগেন্দ্ৰনাথ বৰুৱা
হিচাব পৰীক্ষক।
১৬।৯।২১

২। (ক) যোৱা বছৰ কমলাদেৱী শিশুসাহিত্যৰ নিমিত্তে ঘোষণা কৰা পুৰস্কাৰৰ "মহাৰাজ নৰনাৰায়ন"ৰ বাবে পঞ্চাশ টকা দিয়া হৈছে; পুথিখনি এই বছৰতে ছপা হৈ ওলোৱাৰ সম্ভৱ।

( খ ) অহা বছৰত ক: শি: সাহিত্যৰ "মণিৰাম দেৱানৰ জীৱনী"ৰ বাবে এশ টকা পুৰস্কাৰ দিয়া হ'ব বুলি ঘোষণা কৰা হৈছে। তাৰ জাননী দিয়া হ'ল।

৩। নগাঁৱত বহা সাহিত্য সন্মিলনত শ্ৰীযুক্তা হিৰণ্ময়ী বৰগোহাঁই আইদেৱে 'আহোম আৰু হিন্দু সমাজ" নামৰ প্ৰবন্ধৰ বাবে পঞ্চাশ টকা মূল্যৰ সোণৰ পদক এটি দিম বুলিছিল; আইদেৱৰপৰা টকা পোৱাত সভাই তাক ঘোষণা কৰিছে। ঘোষণাপত্ৰ প্ৰকাশ কৰা হ'ল।

৪। সভাৰ জমাৰ ঘৰ এইবাৰ অলপ চকুত লগা হোৱাত আগৰ সন্মিলনবোৰত গৃহীত হোৱা প্ৰস্তাৱ কিছুমান কাৰ্য্যত পৰিণত কৰিবলৈ টকা ধৰা হৈছে। এই বছৰত খৰচ কৰিবলৈ ঠিক কৰা আৱশ্যকীয় কেইটামান বিষয় তলত দেখুৱা হ'ল :—

| | |
|---|---|
| সভাৰ মুখ পত্ৰৰ বাবে ... ... | ৫০০৲ |
| কোচবেহাৰলৈ প্ৰতিনিধি প্ৰেৰণ ... | ২০০৲ |
| বৃত্তমঞ্জৰী ছপাৰ ভঁৰালৰ অৰ্থে ... | ৩০০৲ |
| পুৰনি পুথি অনুসন্ধান, সংগ্ৰহ, প্ৰকাশ আদিৰ বাবে ... | ৩০০৲ |
| ৰন্ধন বিষয়ক পুথিৰ কাৰণ ... | ১৫০৲ |
| সঙ্গীত চৰ্চ্চাৰ কাৰণ ... ... | ২০০৲ |
| সৰল বিজ্ঞানৰ কাৰণ ... ... | ২০০৲ |
| নতুন উপন্যাসৰ বাবে ... ... | ৩০০৲ |
| আহোম ভাষা শিক্ষাৰ কাৰণ ... | ১৫০৲ |
| পুথি ভঁৰালৰ কাৰণ ... ... | ১৫০০৲ |

ওপৰত উল্লেখ কৰা পুথি কেইখনৰ বাবে অলপতে পুৰস্কাৰ ঘোষণা কৰা হৈছে। ইয়াতো তাৰ জাননী দিয়া হ'ল।

# শোকৰ বাতৰি।

## ৺শ্ৰীশ্ৰীযুক্ত লীলাকান্ত দেৱ গোস্বামী।

যোৱা ২০ আহাৰ বৃহস্পতি বাৰৰ দিনা আউনিআটি সত্ৰৰ অধিকাৰ শ্ৰীশ্ৰীযুক্ত লীলাকান্ত দেৱ গোস্বামী প্ৰভু স্বৰ্গী হ'ল। ডেকা বয়সতে অসম দেশৰ এখন প্ৰধান সত্ৰৰ অধিকাৰৰ বাৰ পোৱা দেখি, এখেতৰপৰা দেশৰ বহুত উপকাৰ হ'ব বুলি আমি আশা কৰিছিলোঁ। কিন্তু ঈশ্বৰৰ ইচ্ছা, সত্ৰ সম্পৰ্কীয় বিবিধ জঞ্জালৰ হাত সাৰি, সম্পূৰ্ণ ৰূপে নিতাপী হ'বলৈ নৌপাওঁতেই এখেতে জীৱনলীলা শেষ কৰিলে। ই আমাৰ সকলোৰে অতিশয় দুখৰ বিষয়। এখেত আৰু এখেতৰ পূৰ্ব্ববৰ্ত্তী অধিকাৰ দুইও-গৰাকীৰ ডেকা বয়সতে তিৰোভাৱ ঘটাটো অসম দেশৰ বৰ দুৰ্ভাগ্যৰ কথা। ৺শ্ৰীশ্ৰীযুক্ত লীলাকান্ত দেৱ গোস্বামী প্ৰভু অসম সাহিত্য সভাৰ এগৰাকী প্ৰধান পৃষ্ঠপোষক আছিল; তেখেতে এই সভালৈ ৫৫০০ টকা দান কৰি ইয়াৰ ভৱিষ্যত কৰি থৈ গৈছে। বয়স পোৱা হ'লে, তেখেতে এনেকুৱা আৰু বহুত দেশহিতকৰ কাৰ্য্যৰ গুৰি ধৰিলেহেঁতেন। আমি তেখেতৰ আত্মাৰ সদগতি আৰু ভৱিষ্যতলৈ আউনিআটি সত্ৰৰ সৰ্ব্বপ্ৰকাৰ মঙ্গল কামনা কৰিছোঁ।

---

## ডাঙ্গৰীয়া গঙ্গাগোবিন্দ ফুকন।

যোৱা জেঠৰ ২৯ তাৰিখে শনিবাৰে অসমৰ প্ৰবীণ নেতা গঙ্গাগোবিন্দ ফুকন ডাঙ্গৰীয়া পৰলোকী হ'ল। তেখে-তৰ লগতে বৃটিছ শাসনৰ প্ৰথম ছোৱাৰ শেহত যি-সকল অসমীয়াই ইংৰাজী শিকিছিল তেখেতসকলৰ অন্ত পৰিল। সেই সকলৰ আন প্ৰায় সকলোবিলাকৰ দৰেই, এখেতে সুশিক্ষিত, পটু, সাহিয়াল আৰু দেশ-হিতৈষী পুৰুষ আছিল। ফুকন ডাঙ্গৰীয়াৰ কাৰ্য্যকুশলতা পাৰদৰ্শীতা, অভিজ্ঞতা, দেশপ্ৰেম, মনৰ উৎসাহ, স্বাস্থ্য আৰু শৰীৰৰ গঠন অসমীয়া জাতিৰ গৌৰৱৰ স্থল আছিল। ততুপৰি এখেতৰ গাম্ভীৰ্য্য আৰু দূৰদৰ্শিতা প্ৰভৃতি কিছু-মান গুণ আছিল, যিবিলাক গুণে মানুহক সমাজত মুৰব্বীয়ান আৰু নেতাৰ উপযুক্ত কৰে, আৰু যিবিলাক গুণ সৰ্ব্বসাধাৰণ মানুহৰ গাত নেথাকে। এখে প্ৰথমতে চকৰী কামত সোমাই, সেই সময়ৰ ডাঙ বিষয় পাইছিল। তাৰ পাচত সেই কাম এৰি আন প্ৰকাৰৰ সাংসাৰিক জঞ্জাল সত্বেও কেতিয়াও বাইৰ কামলৈ হেলা নকৰিছিল; জীৱনৰ শেষৰ দিনাও এখে বাইজৰ কাম কৰিহে প্ৰাণ এৰিছে। এখেতৰ দীৰ্ জীৱনৰপৰা আমি শিকিবলগীয়া ভালেমান কথা আছে ফুকন ডাঙ্গৰীয়াৰ মৃত্যুৰ সময়ত ৮৮ বছৰ বয়স হৈছিল দুখৰ বিষয়, এখেতৰ পুত্ৰ সন্তান নাই; দুগৰাকী সৰ জীয়েক আৰু তেওঁলোকৰ সন্তানাদি আছে। আমি তেওঁলোকক আৰু ফুকন ডাঙ্গৰীয়াৰ আন আন সম্পৰ্কী সকলক আমাৰ সমবেদনা জনাইছোঁ। তেখেতৰ আত্মা সদগতি হওক।

---

## মৌলবী ফিদোৰ্ক্ আলি হাজৰিকা।

যোৰহাটৰ মতিজান আৰু মঞ্জং চাহ বাগিচাৰ মালিক, ভূতপূৰ্ব্ব অনৰেৰী মাজিষ্ট্ৰেট্ মৌলবী ফিদো আলি হাজৰিকা চাহাবৰ মৃত্যুত অসমীয়া সমাজে এগৰাকী সাহিয়াল আৰু উদাৰ প্ৰকৃতিৰ কৰ্ম্মী আৰু কৃতী পুৰু হেৰুৱালে। এখেতৰ সহজ বুদ্ধি ইমান সৰহ আছিল যে অকল ইয়াৰ বলতে, সংসাৰত নিজৰ যথেষ্ট উন্নতি কৰি এখেতে সমাজত আগ ঠাই আৰু সন্মান লাভ কৰিছিল এখেতে সামান্য মাত্ৰ পৈত্ৰিক সম্পত্তি পাইছিল, কিন্তু নিজৰ পৰিশ্ৰম, অধ্যৱসায় আৰু উৎসাহৰ গুণত, তাৰপৰা বিপুল সম্পত্তিৰ অধিকাৰী হৈছিল। মৃত্যুৰ প্ৰায় এবছৰ পূৰ্ব্বে হাজৰিকা চাহাবৰ পত্নী বিয়োগ ঘটে। তাৰ মাহৰ পাচত, তেখেতে দ্বিতীয় বাৰ বিয়া কৰাইছিল তেখেতৰ সন্তানাদি নাই। দ্বিতীয় পক্ষৰ পত্নী আৰু উপযুক্ত ভায়েক মৌলবী টফজ্জল্ হুছেন হাজৰিকা চাহাবক ৰাখি তেখেত পৰলোকলৈ যাত্ৰা কৰিলে। আমি এই সন্তপ্ত পৰিবাৰক আমাৰ সমবেদনা জনাইছোঁ, আৰু মৃতকৰ আত্মাৰ সদগতি কামনা কৰিছোঁ।

---